● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in


দিগ্‌দৰ্শন

গ্ৰন্থবিহীন এটা কোঠা আত্মাবিহীন এটা শৰীৰৰ দৰে।

মাৰ্কাছ টুলিউ চিচেৰ'
*ৰোমান ৰাষ্ট্ৰনেতা*




৫ ৰূপচৰ্চাই কঢ়িয়াই অনা বিষ
১৫ আজিৰে পৰা খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছ
৪ পোহৰৰ জন্ম অন্ধকাৰত



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৯৩তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১০ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ২৪ এপ্ৰিল ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 24 April 2022 মূল্য ঃ ৯.০০ টকা


■ মহানগৰীত '৭১ৰ যুদ্ধৰ বীৰক সন্মানিত কৰা অনুষ্ঠানত সকীয়নি দিলে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ■ মোদীৰ নেতৃত্বত দেশৰ আভ্যন্তৰীণ-বাহিৰৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী হোৱাৰো দাবী

# বহিঃৰাষ্ট্ৰত প্ৰৱেশ কৰি সন্ত্ৰাস দমনৰ হুংকাৰ



**মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দক্ষতাৰ বাবে প্ৰশংসা ■ বাংলাদেশৰ ৰাইজ ভাৰতৰো**

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৩ এপ্ৰিল ঃ অসমকে ধৰি দেশৰ কোনো কোনো অংশত অব্যাহত থকা সন্ত্ৰাসবাদ নিৰ্মূল কৰা হ'বই বুলি আজি ইয়াত প্ৰকাশ কৰে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশৰূপে ১৯৭১ৰ ভাৰত-পাকিস্তান যুদ্ধত অংশগ্ৰহণ কৰা অসমৰ সেনা বিষয়া আৰু জোৱানসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অসম চৰকাৰৰ এক অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি সিঙে লগতে *১০ পৃষ্ঠাত চাওক*

## ছমাৰকুছিত বিবাহ মণ্ডপ চূৰ্ণ-বিচূৰ্ণ


## মন্দিৰ, ঘৰ-দুৱাৰ উৰুৱাই ৰাজ্যজুৰি ধুমুহাৰ তাণ্ডৱ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৩ এপ্ৰিল ঃ ৰাজ্যত ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ সমান্তৰালকৈ অব্যাহত আছে বৰদৈচিলাৰ তাণ্ডৱ। ধাৰাবাহিক ধুমুহা-শিলাবৃষ্টিয়ে ৰাজ্যজুৰি বিস্তৰ ক্ষতিসাধন কৰি আহিছে। যোৱা নিশাও উজনিৰ পৰা নামনিলৈকে প্ৰচণ্ড ধুমুহা-শিলাবৃষ্টিয়ে অৱৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি কৰে। নলবাৰী জিলাৰ বাহাৰঘাটৰ ছমাৰকুছিত ধুমুহাই বিবাহ *১০ পৃষ্ঠাত চাওক*

**মাহে ৰমজান**

ইফটাৰ
আজি আবেলি ঃ ৫.৫১ বজা
ছেহেৰী
কাইলৈ পুৱা ঃ ৩.২৮ বজা
* *গুৱাহাটীৰ সময়*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২২° |
| ডিব্ৰুগড় | ২৪° | ২০° |
| দিল্লী | ৩৯° | ২৬° |
| কলকাতা | ৩৮° | ২৮° |
| মুম্বাই | ৩৪° | ২৯° |
| চেন্নাই | ৩৪° | ২৮° |
| বাংগালুৰু | ৩২° | ২১° |
| শ্বিলং | ২৫° | ১৭° |

*২৩ এপ্ৰিল, ২০২২*

## মেৱানীৰ গ্ৰেপ্তাৰক লৈ প্ৰতিবাদ অব্যাহত কোকৰাঝাৰত

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২৩ এপ্ৰিল ঃ গুজৰাটৰ বিধায়ক জিগনেশ মেৱানীক অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাক লৈ তৃতীয় দিনাও কোকৰাঝাৰত *১০ পৃষ্ঠাত চাওক*

■ ধলপুৰৰ উচ্ছেদিতক পুনৰ সংস্থাপনৰ নামত নিকৃষ্ট 'পাশাখেল'

## মাটিৰ বিনিময়ত ধন সংগ্ৰহৰ নেতৃত্বত সংখ্যালঘু পৰিষদ আৰু আমছু নেতা




ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৩ এপ্ৰিল ঃ দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ধলপুৰ চাপৰিৰ উচ্ছেদিত পৰিয়ালসমূহক পুনৰ সংস্থাপনৰ প্ৰক্ৰিয়া চৰম অনিশ্চয়তা আৰু জটিলতাৰ মাজত সোমাই পৰিছে। পুনৰ সংস্থাপনৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়াতে জালিয়াতিৰে বৃহৎ পৰিমাণৰ ধনৰ লেনদেনৰ অভিযোগ উত্থাপন হৈছে। *১০ পৃষ্ঠাত চাওক*

## অসম-মেঘালয় সীমান্তৰ ১৪ মাইলত ২৪ ঘণ্টা ধৰি ভয়ংকৰ অগ্নিকাণ্ড

তাচপাতৰ দৰে খহিল দুমহলীয়া বিল্ডিং ঃ জাহ গ'ল শিৱম ফেক্টৰী



ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৩ এপ্ৰিল ঃ অসম-মেঘালয় *১০ পৃষ্ঠাত চাওক*

## শীতল যুদ্ধ, মোগল সাম্ৰাজ্যৰ উত্থান, উদ্যোগ বিপ্লৱ বাদ পৰিল পাঠ্যক্ৰমত

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ২৩ এপ্ৰিল ঃ চিবিএছচিয়ে একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ইতিহাস আৰু ৰাজনীতি বিজ্ঞানৰ পাঠ্যক্ৰমৰ পৰা শীতল যুদ্ধৰ যুগ, গোষ্ঠী নিৰপেক্ষ আন্দোলন, *১০ পৃষ্ঠাত চাওক*




*দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আয়োজন কৰা বিহুৰ অনুষ্ঠানত ঢোলত চাপৰ দিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।*




দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৪ এপ্ৰিল, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## হাতীধুৰাত মাইক্ৰ'ফাইনেন্সৰ ঋণ লোৱা ২৮শ মহিলাক চেক বিতৰণত অনিয়ম

### ২৫ হেজাৰৰ পৰিৱৰ্তে পালে ৩০ টকাৰ চেক

**তামাৰহাট, ২৩ এপ্ৰিল ঃ** ২৮ নম্বৰ গোসাইগাঁও বিধান সভা সমষ্টি তথা ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ অধিনস্থ হাতীধুৰা উন্নয়ন খণ্ডত আজি মাইক্ৰ'ফাইনেন্সৰ পৰা ঋণ লোৱাৰ পাছত নিয়মীয়াকৈ কিস্তি আদায় দিয়া ২৮শ হিতাধিকাৰীৰ মাজত উদগনিমূলক ২৫ হেজাৰ টকাৰ চেক বিতৰণ কৰা হয়। বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ এমচিএলএ সজল সিংহই আজি হাতীধুৰা উন্নয়ন খণ্ড কাৰ্যালয়ত সাতগৰাকী আঠ পৃষ্ঠাত চাওক

## ১০০০ বস্তা চাউল জব্দ কৰিলে নগাঁও আৰক্ষীয়ে ঃ তিনিজনক গ্ৰেপ্তাৰ

# নগালেণ্ডৰ পৰা অব্যাহত চোৰাং চাউলৰ বেহা

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৩ এপ্ৰিল ঃ** নগাঁৰৰ মাজেৰে ব্যাপক জালিয়াতিৰে বিভিন্ন ৰাজ্যলৈ ভাৰতীয় খাদ্য নিগম (এফচিআই)-এ যোগান ধৰা চাউলৰ চোৰাংকৈ সৰবৰাহ হৈ আহিছে। নগাঁও আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পমখেদি চলোৱা অভিযানত এই তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে নগাঁও বাইপাছৰ বৰঘাটত এক বিশেষ অভিযান চলাই দুখন ট্ৰাকেৰে কঢ়িয়াই অনা এহেজাৰ বস্তা এফচিআইৰ চাউল জব্দ কৰিবলৈ সক্ষম হয়। দুয়োখন ট্ৰাকত পাঁচশ বস্তাকৈ এফচিআইৰ চাউল আছিল। আৰক্ষী সূত্ৰই আজি প্ৰকাশ কৰা মতে, কালি নগালেণ্ডৰ ডিমাপুৰৰ পৰা ইউপি-৫৩ ইটি-৭২৫৭ আৰু ইউপি-৫৩ বিটি-৮৩৫৭ নম্বৰৰ ট্ৰাক দুখনত পাঁচশ বেগকৈ মুঠ এহেজাৰ বেগ এফচিআইয়ে মোকলাই দিয়া চৰকাৰী চাউল লৈ ট্ৰাক দুখন চাৰিলেনযুক্ত ৩৬ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে মেঘালয় অভিমুখে আহি আছিল। এই বৃহৎ পৰিমাণৰ চৰকাৰী চাউল জালিয়াতিৰে চোৰাংকৈ সৰবৰাহ কৰা হৈছিল, কিন্তু এই বৃহৎ পৰিমাণৰ চাউল নগাঁৰৰ মাজেৰে সৰবৰাহৰ কথা আৰক্ষীয়ে বিশেষ সূত্ৰে খবৰ লাভ কৰি বৰঘাটত অভিযান চলাই চাউল ভৰ্তি ট্ৰাক দুখন জব্দ কৰে। এফচিআইৰ চাউলখিনি চোৰাংকৈ সৰবৰাহ কৰা তিনিজন লোককো নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন হ'ল ক্ৰমে কাৰ্বি আংলং জিলাৰ লাহৰীজানৰ মহেশ ৰয় (৪৭), আঠ পৃষ্ঠাত চাওক



## কচুৱাত ড্ৰাগছসহ চাৰিজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**
**কচুৱা, ২৩ এপ্ৰিল ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত গেৰজাইপামত যোৱা নিশা আৰু আজি পুৱা আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ড্ৰাগছসহ চাৰিজনক গ্ৰেপ্তাৰ কৰে। যোৱা নিশা গ্ৰেপ্তাৰ কৰা যুৱকজনক সোধ-পোছৰ বাবে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আজি আঠ পৃষ্ঠাত চাওক

## পুনৰ ভস্মীভূত হোৱাৰ পৰা কথমপি ৰক্ষা পৰিল তেজপুৰৰ চ'ক বজাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ,২৩ এপ্ৰিল ঃ** তেজপুৰৰ চ'ক বজাৰত যোৱা নিশা পুনৰ সংঘটিত হোৱা এক অগ্নিকাণ্ডত কথমপি ৰক্ষা পৰে তেজপুৰ চহৰৰ মাজৰ এই বজাৰখন। উল্লেখ্য যে প্ৰায় এবছৰ পূৰ্বে এইখন বজাৰত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ফলত শতাধিক দোকান ভস্মীভূত হোৱাৰ লগতে বহু কোটি টকাৰ লোকচান হোৱাৰ স্মৃতি ম্লান নৌপৰোতেই পুনৰ চ'ক বজাৰৰ এক পৰিত্যক্ত কোঠাত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। ঘটনাৰ বিৱৰণী অনুসৰি চ'ক বজাৰৰ প্ৰথম মহলাৰ এটা পৰিত্যক্ত কোঠাত দমাই থোৱা আছিল বহু পৰিমাণৰ জাবৰ-জোথৰৰ লগতে শুকান বাঁহ আদি। নিশা প্ৰায় ১০-৩০ বজাত ইয়াতে অগ্নিকাণ্ড সংঘটিত হয়। লগে লগে ঘটনা সন্দৰ্ভত প্ৰত্যক্ষদৰ্শীয়ে আৰক্ষীক খবৰ দিয়ে আৰু ইয়াৰ পাছতে অগ্নি নিৰ্বাপক বাহিনীৰ মুঠ চাৰিখন গাড়ী ঘটনাস্থলীত উপস্থিত আঠ পৃষ্ঠাত চাওক

### নিশা আৰক্ষীৰ গুলিত গুলিবিদ্ধ কুখ্যাত ড্ৰাগছ মাফিয়া ময়জুল হক

## জুৰীয়াত পুনৰ গুলিচালনাৰ ঘটনা



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/জুৰীয়া, ২৩ এপ্ৰিল ঃ** নগাঁও জিলাৰ জুৰীয়াত আৰক্ষীৰ গুলিত গুলিবিদ্ধ হৈছে এজন কুখ্যাত ড্ৰাগছ মাফিয়া। গুলিবিদ্ধ ড্ৰাগছ মাফিয়াজন নগাঁৰৰ জুৰীয়াৰ কদমনি পথাৰৰ ময়জুল হক ওৰফে মতিজুল। প্ৰাপ্ত তথ্য মতে, এক বিশেষ সূত্ৰৰ পমখেদি কালি কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃণ্ময় দাসৰ নেতৃত্বত, কলিয়াবৰ আৰু ৰূপহীহাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আঠ পৃষ্ঠাত চাওক

## ব্লেকমেইলিঙেৰে তিতাবৰত ধন দাবী কৰি আৰক্ষীৰ জালত দুজন

**তিতাবৰ, ২৩ এপ্ৰিল ঃ** এগৰাকী মহিলাৰ ম'বাইল ফোন ব্যৱহাৰ কৰি তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়াক ব্লেকমেইলিঙৰ জৰিয়তে ধনদাবী কৰি ৰঙাঘৰৰ আলহী হ'ল আমান হুছেইন নামৰ এজন লোক। এই সম্পৰ্কত তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতিজনে তিতাবৰ মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মাক দাখিল কৰা এখন এজাহাৰৰ ভিত্তিতে গ্ৰেপ্তাৰ কৰা হয়। উত্থাপিত অভিযোগ অনুসৰি ভূক্তভোগী তেওঁৰ ফেচবুকৰ জৰিয়তে এগৰাকী মহিলাৰ লগত মেছেঞ্জাৰৰ জৰিয়তে হোৱা কথা-বতৰাক অভিযুক্তলোকজন কিবা প্ৰকাৰে নিজৰ হাতলৈ নি ২৫ এপ্ৰিলৰ ভিতৰত পাঁচ লাখ টকা আদায় দিয়াৰ দাবী কৰে অন্যথা সকলো বিষয় ৰাজহুৱা কৰি দিয়াৰ ভাবুকি প্ৰদান কৰে। কালি দিনা দাবী কৰা ধনৰ প্ৰথম কিস্তি চাৰি লাখ টকা সংগ্ৰহ কৰিবলৈ আহোতেই তিতাবৰ চাৰিআলিৰ ৰেলৱে ক্ৰ'ছিঙৰ সমীপৰ এখন হোটেলৰ পৰা আমানৰ লগতে আমিন নামৰ অন্য এজন সহযোগীক মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মাই হাতে-লোটে কৰায়ত্ত কৰে। ভূক্তভোগী বিমান শইকীয়াই দাখিল কৰা আঠ পৃষ্ঠাত চাওক

## নগাঁৱত আৰক্ষীৰ জালত পাঁচ ড্ৰাগছ সৰবৰাহকাৰী

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৩ এপ্ৰিল ঃ** নগাঁও আৰক্ষীৰ জালত পৰিছে পাঁচজনকৈ ড্ৰাগছ সৰবৰাহকাৰী। আৰক্ষীয়ে তিনিটা স্থানত চলোৱা অভিযানত এই সৰবৰাহকাৰী কেইজনক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষী সূত্ৰ মতে, শেনচোৱাৰ পৰা আৰক্ষীয়ে ভূপেন কলিতা নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ভূপেনৰ জিম্মাৰ পৰা আৰক্ষীয়ে ১৪টা হেৰ'ইনৰ কন্টেইনাৰ উদ্ধাৰ কৰে। সৰবৰাহকাৰীজনৰ ঘৰ কামৰূপ জিলাৰ পলাশবাৰীত। আন এক অভিযানত আৰক্ষীয়ে খাগৰিজান কলেজৰ ওচৰৰ পৰা নেকিবুৰ ৰহমান আৰু জেহিৰুল ইছলাম নামৰ দুজন



সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। দুয়োজনৰ পৰা ১০টা হেৰ'ইনৰ কন্টেইনাৰ উদ্ধাৰ কৰে। নেকিবুৰৰ ঘৰ মধুপুৰত আৰু জেহিৰুলৰ ঘৰ শিয়ালমাৰীত। ইফালে, ছোটেৰূপহীত অভিযান চলাই গ্ৰেপ্তাৰ কৰা হৈছে মেৰাজুল হক আৰু চাদিকুল ইছলাম নামৰ আন দুজন ড্ৰাগছ সৰবৰাহকাৰীক। দুয়োৰে হাতৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰে ১৫টা হেৰ'ইনৰ কন্টেইনাৰ। আৰক্ষীয়ে চলোৱা এই অভিযানৰ নেতৃত্ব দিছিল নগাঁও সদৰ থানাৰ বিষয়া মনোজ ৰাজবংশী আৰু হয়বৰগাঁৰৰ টাউন আৰক্ষী চকীৰ বিষয়া তৰংগ পাটোৱাৰীয়ে।

## তেজপুৰত পথ দুৰ্ঘটনা ঃ পথতে জ্বলিল বাহন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ,২৩এপ্ৰিল ঃ** তেজপুৰ মিছন চাৰিআলিত যোৱা নিশা সংঘটিত এক ভয়ানক দুৰ্ঘটনা আৰু ইয়াৰ পাছতে এখন বাহনত ঘটা অগ্নিকাণ্ডকলৈ অঞ্চলটোত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে এখন আই-২০ বাহন আৰু এখন তেলৰ টেংকাৰৰ মাজত সংঘটিত দুৰ্ঘটনাটোৰ পাছতেই ৰাষ্ট্ৰীয় পথত দাউদাউকৈ জ্বলি উঠিল আই-২০ বাহনখন। নিশা এক বজাত ঢেকিয়াজুলিৰ দিশৰ পৰা তেজপুৰৰ দিশে আহি থকা দুয়োখন গাড়ীৰ ভিতৰত সন্মুখত থকা এনএল- ০২ এন-০৭০৮ নম্বৰৰ টেংকাৰ খন আকস্মিক ভাবে বৈ যোৱাত পিছে পিছে আহি থকা এএছ-১২ এই-৫৬২২ নম্বৰৰ বাহন খনে খুন্দা মাৰে তেলৰ টেংকাৰখনত।ইয়াৰ লগে লগে জ্বলি উঠে বাহনখন।সম্পূৰ্ণ বাহনখন অগ্নিয়ে আগুৰি ধৰাৰ পূৰ্বেই বাহনখনৰ চালক তথা আৰোহী নিৰাপদ স্থানলৈ আঁতৰি আহিবলৈ সক্ষম হয়। কিন্তু টেংকাৰৰ কাষতে জুই লগাত অঞ্চলটোত এক আতংকময় উদ্ভৱ হয়। পাছত অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপিত কৰে। এই ঘটনাত কোনো লোক হতাহত হোৱা নাই।

## তীৰ্থনগৰী হাজোৰ হনুমান মন্দিৰত দুৰ্বৃত্তৰ অগ্নিসংযোগ

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৩ এপ্ৰিল ঃ** কামৰূপ জিলাৰ তীৰ্থনগৰী হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পতনীত দুৰ্বৃত্তই এটি ঐতিহাসিক হনুমান মন্দিৰত অগ্নিসংযোগ কৰে। যোৱা নিশা পতনীৰ গৰুড়াচল পাহাৰৰ নামনিত থকা হনুমান মন্দিৰত ওচৰৰে আয়তীসকলে চাকি বন্তি জ্বলাই সেৱা প্ৰাৰ্থনা কৰি নিজ নিজ ঘৰলৈ গুছি যায়। পুৱা আয়তী সকলে বন্তি জ্বলাবলৈ আহি মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰি হনুমান মন্দিৰৰ মূৰ্তি, চালিচা আৰু গামোচা বিলাক জ্বলি চাৰখাৰ হোৱা প্ৰত্যক্ষ কৰি ওচপতে থকা পুৰোহিতক অৱগত কৰায়। এই ঘটনাৰ পাছত হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰে।

### এজন পৰিচালক-চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে চলাইছে কুকুৰা ফাৰ্ম

## গোৱালপাৰা কুকুৰা ফাৰ্মৰ বিধ্বস্ত অৱস্থা



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৩ এপ্ৰিলঃ** চৰকাৰে আত্মনিৰ্ভৰশীল ভাৰত গঢ়িবলৈ বিভিন্ন আঁচনিৰ নামত যি সময়ত কোটি কোটি টকা খৰচ কৰা বুলি ঢাক-ঢোল বজাইছে ঠিক সেই সময়তে গোৱালপাৰাৰ চৰকাৰী কুকুৰা ফাৰ্মৰ পয়ালগা অৱস্থাই চৰকাৰৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। গোৱালপাৰা চহৰৰ মাজমজিয়াত অৱস্থিত চৰকাৰী কুকুৰা ফাৰ্মখনৰ প্ৰয়োজনীয় আন্তঃগাঁথনি নথকাৰ লগতে মেৰামতিৰ অভাৱত ভালেসংখ্যক গৃহ জৰাজীৰ্ণ হৈ পৰিছে। উল্লেখ্য যে গোৱালপাৰা জিলাখনৰ বিভিন্ন আত্মসহায়ক গোট তথা কৃষক ৰাইজে যাতে নিজৰ গৃহত কুকুৰা ফাৰ্ম খুলিবলৈ প্ৰয়োজনীয় কুকুৰা তথা পৰামৰ্শৰ জৰিয়তে কৰ্মসংস্থাপন পোৱাৰ লক্ষ্যৰে কুকুৰা ফাৰ্মখন আঠ পৃষ্ঠাত চাওক

## লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ 'সোণালী জয়ন্তী' সমাৰোহৰ আৰম্ভ

**অগ্ৰদূত বাৰ্ত**
**শিঙৰী, ২৩ এপ্ৰিল ঃ** 'ছাত্ৰ-ছাত্ৰী অধ্যয়নপুষ্ট হ'ব লাগে। অধ্যয়নৰ জৰিয়তে জ্ঞান আহৰণ কৰিব লাগে।' এই মন্তব্য আছুৰ উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যৰ । লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ মুকলি সভাত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰি আজি ড° ভট্টাচাৰ্যই এইদৰে মন্তব্য কৰে। উল্লেখ্য যে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ অনুষ্ঠিত হৈছে। সোণালী জয়ন্তী উৎসৱৰ প্ৰথমখন মুকলি সভা বিয়লি ৪-৩০ বজাত অনুষ্ঠিত কৰা হয় । সোণালী জয়ন্তী উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰাতুল কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ভাষণ প্ৰদান কৰি আছুৰ ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্যই কয়, 'লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয় ছাত্ৰসমাজৰ কাৰণে গৌৰৱৰ অনুষ্ঠান। এই মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱে ছাত্ৰ সমাজক প্ৰেৰণা দিছে । মহাবিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠানে ছাত্ৰ-ছাত্ৰী সকলক আগবাঢ়ি যোৱাৰ আঠ পৃষ্ঠাত চাওক

## বৰছলাত বন্যহস্তীৰ গচকত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ২৩ এপ্ৰিল ঃ** শোণিতপুৰৰ বৰছলাত বন্যহস্তীৰ গচকত এজন লোকৰ মৃত্যু। বৰছলাৰ আমগুৰিত হাতীৰ গচকত মৃত্যু ৰবি মাঝি (৪৩) নামৰ এজন লোকৰ। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা এটা বন্যহস্তীয়ে নিশা গাঁওখনত আহি চলাইছে উপদ্ৰৱ। বৰ্তমানো হাতীটো গাঁওখনৰ এঘৰ মানুহৰ বাৰিত আশ্ৰয় লৈ আছে। হাতীৰ আক্ৰমনত মৃত্যু হোৱা ৰবি মাঝিৰ ঘৰ ভঙামন্দিত। ভঙামন্দিৰৰ পৰা আমগুৰি লৈ আহি থকা অৱস্থাত বন্যহস্তীৰ আক্ৰমণত মৃত্যু হয় ৰবি মাঝিৰ। নিহত ৰবি মাঝিৰ মৃতদেহ আৰক্ষীয়ে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। বৰ্তমানো এজন লোকৰ বাঁহনীৰ মাজতে আশ্ৰয় লৈ আছে হাতীটো। খাদ্যৰ সন্ধানত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা জনাঞ্চললৈ ওলাই আহিছে হাতীটো। ইপিনে, বিয়লি হাতীটো খেদিবলৈ যাওঁতে বনকৰ্মী প্ৰাণজিৎ ডেকা আহত হয়।

### ৰিপুন বৰাক দলৰ অসমৰ সভাপতি নিযুক্তি ঃ ২৭ এপ্ৰিলত গুৱাহাটীত অনুষ্ঠিত হ'ব যোগদান কাৰ্যসূচী ঃ কংগ্ৰেছৰ কে'বাজনো নেতাৰ যোগদানৰ সম্ভাৱনা

## বংগৰ দৰে অসমতো বিজেপিৰ বিৰুদ্ধে কাম কৰিব তৃণমূল কংগ্ৰেছে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ এপ্ৰিল ঃ** যোৱা ১৭ এপ্ৰিলত কংগ্ৰেছ এৰি তৃণমূল কংগ্ৰেছত যোগদান কৰা ৰিপুন বৰাক আজি দলটোৰ অসমৰ সভাপতি নিযুক্তি দিয়া হৈছে। দলৰ সৰ্বভাৰতীয় সভানেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে দিয়া এই নিযুক্তিৰ পাছত সম্প্ৰতি দিল্লীত থকা বৰা নতুন দায়িত্ব লৈ অহা ২৫ এপ্ৰিলত গুৱাহাটীত উপস্থিত হ'ব। তাৰ পাছতে অসমত দলৰ সংগঠন গঢ়ি তোলাত ব্যস্ত হ'ব বুলি আজি বৰাই 'দৈনিক অগ্ৰদূত'ক জনায়। তেওঁ কয়, 'অসমত আমাৰ দলৰ নাম হ'ব অসম তৃণমূল কংগ্ৰেছ। অসমত দলটোৰ কোনো সংগঠন নাই। গতিকে শূন্যৰ পৰা কাম আৰম্ভ কৰিব লাগিব। মোৰ কাৰণে ই এটা ডাঙৰ প্ৰত্যাহ্বান; কিন্তু আমি সফল হ'ম বুলি মই গভীৰভাৱে বিশ্বাসী।' বৰাই কয় যে অসমত বৰ্তমান বিৰোধী দল বুলি কোনো নাই। বিজেপিয়ে বিৰোধীক থানবান কৰিছে। অথচ অসমৰ ৰাইজে বিজেপিৰ অপশাসনৰ বিৰুদ্ধে শক্তিশালী বিৰোধী দল বিচাৰে। এনে ক্ষেত্ৰত পশ্চিমবংগত যিদৰে আক্ৰমণাত্মক আঠ পৃষ্ঠাত চাওক

### ৭৯ সংখ্যক মৃত্যু দিৱস ঃ মিচিং স্বায়ত্তশাসিত পৰিষদে নিৰ্মাণ কৰিলে বীৰ ছহিদ কমলা মিৰিৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি

## চৰকাৰে কমলা মিৰিক অৱহেলা কৰি আহিছে

**খুমটাই, ২৩ এপ্ৰিল ঃ** আজি ছহিদ কমলা মিৰিৰ ৭৯ সংখ্যক মৃত্যু তিথি পালন কৰা হয়। প্ৰতিকূল বতৰৰ মাজতে অগণন জনতা ভৰি পৰে ছহিদ কমলা মিৰি স্মৃতি উদ্যানত। অসংখ্যক জনগণৰ উপস্থিতিত এক উৎসৱমুখৰ পৰিৱেশত আজি দেশৰ বীৰ ছহিদ কমলা মিৰিৰ এটা পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন কৰে মিচিং স্বায়ত্তশাসিত পৰিষদ চমুকৈ এমএচিৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েংগীয়াই। কমলা মিৰিৰ জন্ম গাঁও তথা এমএচিৰ পুঁজিৰে নিৰ্মাণ কৰা গোলাঘাট জিলাৰ ৰঙামাটি মৌজাৰ গুলুং



টেমেৰাত এটা বৃহৎ আকাৰৰ প্ৰতিমূৰ্তি উন্মোচন কৰি আক্ষেপেৰে মুখ্য কাৰ্যবাহী সদস্য চায়েংগীয়াই দেশ স্বাধীন হোৱা ৭৫ বছৰ অতিক্ৰম কৰাৰ পাছতো চৰকাৰে কমলা মিৰিৰ স্মৃতি সুৰক্ষিত আৰু যুগমীয়া কৰাৰ কাৰণে বিশেষ পদক্ষেপ লোৱা নাই। চৰকাৰে ছহিদ কমলা মিৰিক অৱহেলা কৰি আহিছে। বীৰ ছহিদজনক গুৰুত্বহীন কৰাৰ দৰে তেওঁৰ স্মৃতি ৰক্ষাৰ কাৰণে বিশেষ আঠ পৃষ্ঠাত চাওক

## সোণাৰিত আইপিএলৰ জুৱা, সাত জুৱাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ২৩ এপ্ৰিল ঃ** আইপিএলৰ নামত দীৰ্ঘদিনৰ পৰা বৃহৎ জুৱা খেল চলাই অহা কুখ্যাত চক্ৰ এটাৰ সাতজন জুৱাৰীক আজি চৰাইদেই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আজি পুৱা ধৃত জুৱাৰী চাৰিজনৰ ঘৰ চৰাইদেউ জিলাত আৰু বাকী তিনিটা জুৱাৰীৰ ঘৰ যোৰহাট জিলাৰ মৰিয়নিত। উক্ত জুৱাৰী কেইটা হ'ল ক্ৰমে সুৰেন চাহু, অজয় কালিন্দী, ভোগেশ্বৰ ৰাজোৱাৰ (আটাই কেইটা মৰিয়নিৰ) আৰু ফৰিদুল হাজৰিকা, শৰৎ কুৰ্মী, বিশ্বজিৎ দাস, বিকাশ তাঁতী, (চফ্ৰাই, চৰাইদেউ জিলা) ধৃত জুৱাৰী কেইজনৰ পৰা ম'বাইল সাতটা, নগদ ১৯,৭৪০ টকা আৰু এএছ-০৩ জেদ-০৮১৫ নম্বৰৰ এখন বাহন জব্দ কৰে। ইফালে, অভিযানকাৰী চৰাইদেউ জিলাৰ চফ্ৰাই আৰক্ষীয়ে এজন কুখ্যাত জুৱাৰী ৰাজু মুণ্ডাক নগদ ধনৰ বিনিময়ত এৰি দিলে বুলি জুৱাৰী সুৰেণে কয়।

### আমগুৰি গাঁৱৰ মাজ অংশত পথটো ৰূপান্তৰ হ'ল বৃহৎ পুখুৰীলৈ ঃ শিৱসাগৰৰ বিধায়কে দিয়া প্ৰতিশ্ৰুতি নহ'ল পূৰণ

## বৰষুণত বিধ্বস্ত ঐতিহাসিক দূৰৰণি আলি



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৩ এপ্ৰিল ঃ** শিৱসাগৰ নগৰৰ সমীপৰ ঐতিহাসিক দূৰৰণি আলিৰ মধ্যভাগ অৰ্থাৎ আমগুৰি গাঁৱৰ অংশটো ধাৰাবাহিক বৰষুণৰ ফলশ্ৰুতিত সম্পূৰ্ণৰূপে বিধ্বস্ত ৰূপ লোৱাত হেজাৰ হেজাৰ পথচাৰীয়ে দুৰ্যোগ ভুগিব লগীয়া হৈছে। ধাৰাবাহিক বৰষুণত পথটো ৰূপান্তৰ হৈছে বৃহৎ পুখুৰীলৈ। শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে পুনৰ নিৰ্মাণ আৰু পথটোৰ এটা পাৰত কোনো নৰ্দমা নথকাত নিৰ্মাণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও সেয়া কেৱল প্ৰতিশ্ৰুতিতেই আবদ্ধ থাকিল। আনকি স্থানীয় ৰাইজে বহুবাৰ এই ক্ষেত্ৰত বিধায়কৰ আঠ পৃষ্ঠাত চাওক

## বকোত ২৪ ছহিদক স্মৰণ আৰছুৰ

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৩ এপ্ৰিল ঃ** 'জাতি ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া ২৪ জন ছহিদৰ পৰিয়ালে কেতিয়াও অকলশৰীয়া অনুভৱ কৰিব নালাগে। ছহিদ পৰিয়ালৰ কাষত সদায় ৰাভা জাতীয় সংগঠন, স্বায়ত্তশাসিত পৰিষদ আৰু ৰাভা ৰাইজ এটা পৰিয়ালৰ দৰে আজীৱন থাকিব।' এই মন্তব্য নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নৃপেন খান্দাৰ। ২৪ জন ছহিদক স্মৰণ কৰি বকো জৰাপাৰাস্থিত ছিবাৰাছং মেৰোদাম (ছহিদ উদ্যান) প্ৰাংগণত উদ্‌যাপিত এই দিৱসত উপস্থিত থাকি সভাপতি খান্দাই পুনৰ আঠ পৃষ্ঠাত চাওক

## তেজপুৰৰ ৰেস্তোৰাঁৰ লিফ্‌টত শিশু-মহিলাক আবদ্ধ কৰি ৰাখিলে বায়ুসেনাৰ সুৰামত্ত জোৱানে

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ, ২৩ এপ্ৰিল ঃ** তেজপুৰত সম্প্ৰতি গঢ় লৈ উঠা একাংশ বিলাসী ৰেস্তোৰাঁত আহাৰ গ্ৰহণ কৰিবলৈ অহা মহিলাই অসুৰক্ষিত অনুভৱ কৰাৰ বিপৰীতে এই ক্ষেত্ৰত ৰেস্তোৰাঁ কৰ্তৃপক্ষই সামান্যতমো গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। তদুপৰি এনে ৰেস্তোৰাঁত শিশু-মহিলাক মানসিকভাৱে হাৰাশাস্তি কৰাৰ দৰে জঘন্য ঘটনাত দেশৰ বায়ুসেনা বাহিনীৰ জোৱান জড়িত থকাৰো গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ লগতে এই সন্দৰ্ভত ভুক্তভোগীয়ে এজাহাৰ দাখিল কৰা সত্বেও আৰক্ষীয়ে গ্ৰহণ কৰা স্থিতিও অতি ৰহস্যজনক হৈ পৰাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাত আনকি ৰেস্তোৰাঁ কৰ্তৃপক্ষই নিৰ্বিকাৰ ভূমিকা পালন কৰাৰ উপৰি ৰেস্তোৰাঁৰ কৰ্মচাৰীয়েই অভিযুক্তক নিৰাপত্তা প্ৰদান কৰা অভিযোগেও সম্প্ৰতি তেজপুৰত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

তেজপুৰৰ এক সম্ভ্ৰান্ত আবাসিক অঞ্চল বাৰহলীয়াৰ এগৰাকী মহিলাই তেজপুৰ সদৰ আৰক্ষী থানাত দাখিল কৰা এক এজাহাৰ অনুসৰি, বায়ুসেনাৰ একাংশ সুৰামত্ত যুৱকে তেজপুৰৰ এখন সম্ভ্ৰান্ত ৰেস্তোৰাঁত আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। এজাহাৰত মহিলাগৰাকীয়ে উল্লেখ কৰিছে যে তেওঁৰ এগৰাকী ভগ্নী তথা ভিনিহিয়েক আৰু আত্মীয় তথা চাৰিটি শিশুসহ যোৱা ১৫ এপ্ৰিলত তেজপুৰৰ মাজমজিয়াত আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৪ এপ্ৰিল, ২০২২ দেওবাৰ পৃষ্ঠা ৭

প্ৰতিজন লোকে সন্তানক উচিত শিক্ষা দিব বিচাৰে। ইয়াৰ বাবে কি মাধ্যম উপযুক্ত হ'ব তাকে লৈ চৰ্চা দীৰ্ঘদিনীয়া। আপোনাৰ সন্তানক মাতৃভাষা মাধ্যমত পঢ়ুৱাব নে ইংৰাজী আদি মাধ্যমত পঢ়ুৱাব সেয়া আপোনাৰ ব্যক্তিগত বিষয় যদিও এই সিদ্ধান্ত গ্ৰহণৰ আঁৰত ৰাজ্যৰ শিক্ষা খণ্ডৰ ছবিখনে মূলত প্ৰভাৱিত কৰে। এনে বিষয়ক লৈ আজিৰ এই শিতান—

*শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— মণিমালা ডেকা, ছাহিন আহমেদ।*

# সন্তানক কোন মাধ্যমত পঢ়ুৱাব?

## মই মোৰ সন্তানক কিয় মাতৃভাষা (বড়ো মাধ্যম) বিদ্যালয়ত শিক্ষাদান কৰাব বিচাৰো?

■ **দ্বীপেন বড়ো,** সভাপতি, নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)

আজিকালি সাধাৰণ মানুহে মানযুক্ত শিক্ষাৰ বাবে ইংৰাজী মাধ্যম, ব্যক্তিগত বিদ্যালয়ৰ দিশলৈ ধাৱিত হৈছে য'ত মাচুলৰ পৰিমাণ অত্যধিক। সচেতন ৰাইজ আৰু অভিভাৱকে উপলব্ধি কৰিব লাগে যে আমি নিজস্ব মাতৃভাষাৰ বিদ্যালয়তে, সেয়া চৰকাৰী বিদ্যালয় অথবা ব্যক্তিগত বিদ্যালয়ে হওক, মানসম্পন্ন শিক্ষা লাভ কৰিব পাৰো।



**জাতিৰ** পিতা মহাত্মা গান্ধীয়ে বিশ্বাস কৰিছিল, 'মৌলিক শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱা উচিত। মাতৃভাষাৰ শক্তিশালী ভেটিয়ে পাঠ্যক্ৰমক উত্তমভাৱে বোধগম্য কৰি তোলাৰ লগতে বিদ্যালয়ৰ প্ৰতি অধিক ইতিবাচক মনোভাব গঢ়ি তোলে। এটি শিশুৰ ব্যক্তিগত সামাজিক আৰু সাংস্কৃতিক পৰিচয় গঢ়ি তোলাত ভাষা আৰু মাতৃভাষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শিশুৱে যেতিয়া মাতৃভাষা সুন্দৰকৈ আয়ত্ত কৰিব পাৰে, তেতিয়া তেওঁলোকে অন্যান্য প্ৰয়োজনীয় দক্ষতা আহৰণ কৰে, মাতৃভাষাৰ প্ৰতি প্ৰেম বৃদ্ধি পায় আৰু জন্মভূমিৰ প্ৰতিও ঢাল খায়। তেওঁ কৈছিল— শিক্ষাৰ অৰ্থ হৈছে শিশু আৰু মানৰ শৰীৰ, মন আৰু আত্মাৰ সৰ্বোৎকৃষ্টখিনিৰ সৰ্বাত্মক আহৰণ।'

সেয়েহে মই শিশুসকলৰ পূৰ্ণাংগ বিকাশৰ বাবে আমাৰ নিজ সন্তানক মাতৃভাষাত শিক্ষিত কৰি তোলাত মনে-প্ৰাণে সমৰ্থন কৰো। মাতৃভাষা যিহেতু হৃদয়ৰ পৰা অনুৰণিত হোৱা সকলোতকৈ মৰমৰ ভাষা, সেয়েহে শিশু শিক্ষাৰ প্ৰাথমিক বছৰবোৰত ইয়াক বুজিবলৈ, পঢ়িবলৈ আৰু লিখিবলৈ সহজ হয়।

ইউনেস্কৱে পৰামৰ্শ দাঙি ধৰিছে যে প্ৰাথমিক বিদ্যালয়ৰ প্ৰথমৰ বৰ্ষসমূহৰ মাতৃভাষাত শ্ৰেণীকোঠাত শিক্ষাদান কৰিব লাগে, যাতে ছাত্ৰজনে সম্পূৰ্ণৰূপে পঢ়িবলৈ আৰু লিখিবলৈ শিকিব পাৰে আৰু এই সময়ছোৱাত তেওঁলোকক গণিতৰ প্ৰাথমিক ধাৰণা তথা অন্যান্য বিদ্যায়তনিক বিষয়সমূহৰ স'তেও পৰিচিত কৰোৱা হয়।

ভাৰতীদাসন বিশ্ববিদ্যালয়ৰ ৰাজাথুৰাই নিশান্তীয়ে উল্লেখ কৰিছে যে মানুহৰ চিন্তাধাৰা-আৱেগক আকাৰ দিয়াৰ ক্ষেত্ৰত মাতৃভাষাই মূল। সেয়েহে শিক্ষাই এটি শিশুৰ সৰ্বাংগীণ উন্নয়ন সাধন কৰে। নিজ ভাষাত অধ্যয়ন কৰিলে শিক্ষাৰ্থীসকলে নিজকে উত্তমভাৱে প্ৰকাশ কৰিব পাৰে।

অসম এখন বিভিন্ন ভাষা-ভাষী, জাতি-সম্প্ৰদায় আৰু ধৰ্মৰ লোকৰ বাসভূমি। অসম আৰু বড়োলেণ্ড টেৰিট'ৰিয়েল ৰিজনত অসমীয়া আৰু বড়ো শিক্ষাদানৰ দুটা মূল মাধ্যম। নিজস্ব মাতৃভাষাত স্কুলীয়া শিক্ষাদানে শিক্ষাৰ মাধ্যমক উৎসাহ যোগায়। এই কথা সত্য যে মাধ্যম থাকিলেহে ভাষা জীয়াই থাকিব আৰু যদি ভাষা জীয়াই থাকে তেতিয়াহে জাতি-জনগোষ্ঠীৰ পৰিচয় থাকিব। ২০০৭ৰ পৰাই মানযুক্ত শিক্ষা আৰু মিছন দক্ষতাৰ বাবে এবছুৱে কাম কৰি আছে।

আজিকালি সাধাৰণ মানুহে মানযুক্ত শিক্ষাৰ বাবে ইংৰাজী মাধ্যম, ব্যক্তিগত বিদ্যালয়ৰ দিশলৈ ধাৱিত হৈছে য'ত মাচুলৰ পৰিমাণ অত্যধিক। সচেতন ৰাইজ আৰু অভিভাৱকে উপলব্ধি কৰিব লাগে যে আমি নিজস্ব মাতৃভাষাৰ বিদ্যালয়তে, সেয়া চৰকাৰী বিদ্যালয় অথবা ব্যক্তিগত বিদ্যালয়ে হওক, মানসম্পন্ন শিক্ষা লাভ কৰিব পাৰো। ইয়াৰ বাবে আমাৰ চৰকাৰে বিদ্যালয়সমূহৰ সুচল পৰিচালনা আৰু শিক্ষাৰ মান শক্তিশালী কৰিবলৈ সক্ৰিয় ভূমিকা গ্ৰহণ কৰি নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে মাতৃভাষাৰ প্ৰতি আশাৰ এক নতুন ৰেঙণি কঢ়িয়াইছে য'ত সন্তানক পঞ্চম/ষষ্ঠ শ্ৰেণী পৰ্যন্ত স্থানীয় ভাষা/মাতৃভাষাত শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াক যদিহে প্ৰকৃতাৰ্থত ৰূপায়ণ কৰা হয় তেন্তে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ সামৰ্থ্য বৃদ্ধি পাব তথা বিদ্যালয় এৰাৰ সমস্যা সমাধানৰ লগতে সমাধানৰ পথ নিৰ্ণয়ৰ লগতে শিক্ষা এক পূৰ্ণাংগ অভিজ্ঞতাত পৰিণত হ'ব। ইয়াৰ বাবে চৰকাৰে সাৱধানতাৰে একক শিক্ষক, শূন্য শিক্ষকৰ সমস্যা সমাধানৰ উপৰি শিক্ষকসকলৰ নিয়মীয়া উপস্থিতি, মানসম্পন্ন শিক্ষা, আন্তঃগাঁথনিৰ দৰে বিদ্যায়তনিক সমস্যাসমূহৰ নিৰন্তন তদাৰকীৰ লগতে উপযুক্ত আন্তঃগাঁথনি নিৰ্মাণ, পাঠ্যক্ৰমৰ সময়োচিত যোগান, মধ্যাহ্নভোজন আৰু শিক্ষাৰ অধিকাৰ আইনৰ আওতাত থকা সকলোবোৰ সম্পৰ্কিত সা-সুবিধা আদায় দিয়াত সতৰ্ক হ'ব লাগিব।

## ইংৰাজী মাধ্যমৰ সকলো বিদ্যালয়ত অসমীয়া ভাষা বাধ্যতামূলক হ'ব লাগে

■ **ৰেকিবুৰ ৰহমান,** উপ-সভাপতি, দৰং জিলা গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ



**সন্তানক** কোন মাধ্যমত পঢ়ুৱাব, এই বিষয়টো প্ৰতিজন অভিভাৱকৰ বাবেই এক জটিল বিষয়। ইয়াক লৈ বিতৰ্কৰ অন্ত নাই। মই মোৰ নিজৰ ক্ষেত্ৰত হোৱা কথাখিনি ক'ব বিচাৰিছো। মই জাতীয় সংগঠনৰ লগত কলেজীয়া জীৱনৰ পৰা জড়িত আছিলো। ইংৰাজী বিষয়টোত মই বহুত ভাল নাছিলো বাবেই পাছত মই বহু ক্ষেত্ৰত অসুবিধাত পৰিছিলো, এই অভিজ্ঞতাটো মোৰ জীৱনৰে এটি শিক্ষা। মোৰ ছোৱালীজনী স্কুলত দিয়াৰ সময়ত মই কি মাধ্যমত পঢ়ুৱাম তাক লৈ অলপ চিন্তা কৰিব লগা হৈছিল। আজিৰ যুগটো হ'ল প্ৰতিদ্বন্দ্বিতাৰ যুগ। সকলো ঠাইতে ইংৰাজীৰ প্ৰয়োগ বহুত বেছি, গতিকে ইংৰাজীৰ ওপৰত ভাল দখল থকাটো অতি জৰুৰী। শেষত ইংৰাজী মাধ্যমত পঢ়ুওৱাৰ সিদ্ধান্ত ল'লো। কিন্তু প্ৰকৃততে মাতৃভাষাত শিক্ষা লোৱাটোৱে আটাইতকৈ ভাল কথা। জাপানী, চীনা বা ৰাছিয়ানসকলে নিজৰ মাতৃভাষাতে শিক্ষা লয়। কম্পিউটাৰতো তেওঁলোকে নিজৰ মাতৃভাষা ব্যৱহাৰ কৰে। আমাৰ অসমত বিজ্ঞানৰ কিতাপসমূহো অসমীয়াত পৰ্যাপ্ত পৰিমাণে পোৱা নাযায়। গতিকে বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়া মাধ্যম যথেষ্ট অসুবিধাজনক। যদি আমি জাপানী বা চীনাসকলৰ দৰে নিজৰ মাতৃভাষাটো বহু ওপৰ স্তৰলৈ লৈ যাব সক্ষম হওঁ, তেতিয়া নিশ্চয় ক'ম অসমীয়া ভাষাৰ মাধ্যমে অসমত একমাত্ৰ শিক্ষাৰ মাধ্যম হোৱা উচিত। ইংৰাজী মাধ্যমৰ সকলো স্কুলতে অসমীয়া ভাষাক বাধ্যতামূলক কৰাটো বিচাৰো।

## অধ্যয়নৰ ক্ষেত্ৰত মাধ্যম বাধা হ'ব নোৱাৰে

■ **ৰাজনীশ শইকীয়া,** মুখ্য সংগঠক আৰু কেন্দ্ৰীয় সদস্য, অসম সেনা



**মাতৃভাষা** মানুহৰ জীৱনৰ অন্তৰায় হ'ব নোৱাৰে। আচলতে ভাষা শিক্ষাৰ অন্তৰায় নহয়। জন্মৰ পৰা এগৰাকী শিশুৱে নিজৰ আইৰ মুখৰ মাত শিকে সেইটো হ'ল তাৰ মাতৃভাষা। পাছে সেই ভাষা সেই ৰাজ্যখনত সকলোতে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সহজ হয়। পিছে শিশুগৰাকী ৰাজ্যৰ বাহিৰত বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যাব লগা হ'লে তেতিয়া অন্য ভাষা অৰ্থাৎ অইন ভাষা আয়ত্ত কৰিব পৰা হ'ব লাগিব বা অন্য বিদ্যালয়ত পঢ়িলেও যদি নিজস্ব প্ৰচেষ্টা থাকে তেন্তে নিজৰ নিজৰ মাতৃভাষা আয়ত্ত কৰি আগবঢ়াতো একো বিশাল কাম নহয়। বৰ্তমান প্ৰতিযোগিতাৰ যুগ। এনে ক্ষেত্ৰত আজিৰ শিক্ষাৰ্থীয়ে নিজ মাতৃভাষাৰ লগতে পৃথিৱীৰ অইন ভাষাসমূহো শিকিলে নিজৰ জ্ঞানৰ পৰিসীমা বৃদ্ধি কৰিব পাৰিব বুলি মোৰ মনে ধৰে। সদৌ শেষত আজিৰ প্ৰজন্মৰ হকে এইটোৱে ক'ব বিচাৰো পৃথিৱীৰ যিমান ভাষাৰ মাধ্যম আছে তাক নিজৰ আয়ত্তৰ ভিতৰত আনিব পাৰিলে পৃথিৱীৰ যিকোনো ঠাইত নিজৰ সংস্থাপন কৰাৰ ব্যৱস্থা কৰি ল'ব পাৰিব, অৱশ্যে নিজৰ নিজৰ মাতৃভাষাৰ প্ৰয়োজনীয়তাকো নুই কৰিব নোৱাৰি। গতিকে সকলো কথাৰ লগতে এটা কথাও নিশ্চিত যে মাতৃভাষাৰ বিদ্যালয়বোৰৰ আন্তঃগাঁথনি বা শিক্ষা ব্যৱস্থা ইত্যাদিবোৰো সঠিক হোৱাৰ বিষয়টো অধিক গুৰুত্বপূৰ্ণ।

## আজিৰ বিশ্বায়নৰ যুগত ইংৰাজী ভাষা শিকাটো অপৰিহাৰ্য

■ **অজিত ৰাভা,** সভাপতি, কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থা।



ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আৰু চতুৰ্থ ভাষা নীতি ২০২২ক আমি আন্তৰিকতাৰে সমৰ্থন কৰো। চতুৰ্থ ভাষা নীতি ২০২২ য়ে মাতৃভাষা, ৰাজ্যিক ভাষা, ৰাষ্ট্ৰীয় ভাষা আৰু ইংৰাজী ভাষাক বাধ্যতামূলক ভাৱে ছাত্ৰ - ছাত্ৰী সকলক শিকিবলৈ সুবিধা প্ৰদান কৰিছে। আজিৰ বিশ্বায়নৰ যুগত ইংৰাজী ভাষা শিকাটো অপৰিহাৰ্য। সেয়ে ল'ৰা-ছোৱালী ইংৰাজী মাধ্যমত পঢ়ালৈ প্ৰযুক্তিগত শিক্ষা লাভ কৰাৰ জড়িয়তে দ্ৰুত পৰিবৰ্তিত পৰিষ্থিতিৰ স'তে খোজ মিলাই বিকশিত হোৱাৰ পথ প্ৰশস্ত হ'ব বুলি মই অনুভৱ কৰো।

## মাতৃভাষা হিচাপে গাৰো ভাষা প্ৰাথমিক শিক্ষাত প্ৰতিষ্ঠা কৰাটো বিচাৰো

■ **এণীন্দ্ৰ মাৰাক,** সভাপতি গাৰো জাতীয় পৰিষদ



**সৰ্বপ্ৰথমে** মই এজন ভাৰতীয়, দ্বিতীয়তে মই এজন অসমীয়া, তাৰ পাছত মই এজন গাৰো সম্প্ৰদায়ৰ লোক। মই অসমৰ নিষ্ঠাবান অসমীয়া হৈ অসমীয়া ভাষাক সকলোতে প্ৰাথমিকতা দিয়াতো বিচাৰো, দ্বিতীয়তে মাতৃভাষা হিচাপে গাৰো ভাষা প্ৰাথমিক শিক্ষা বিভাগত প্ৰতিষ্ঠা কৰাটো বিচাৰো।

## মাতৃভাষা হওক শিক্ষাৰ মাধ্যম

■ **মিণ্টু হেম্ব্ৰম,** সদৌ চাওতাল ছাত্ৰ সন্থা, অসম



**শিক্ষাৰ** মাধ্যম হিচাপে মাতৃভাষা পৃথিৱীৰ যিকোনো ভাষাই জ্ঞানৰ এডোখৰ ক্ষেত্ৰ। কণ কণ ল'ৰা- ছোৱালীয়ে জীৱনৰ প্ৰথম পাঠ স্কুলৰ পাঠ্যক্ৰমৰ পৰা নলয়। প্ৰথম পাঠ তেওঁলোকে ঘৰখনৰ পৰা লয়, তাৰ পাছত চুবুৰীয়া আৰু সমাজখনৰ পৰা শিকে। তাৰ পাছত আনুষ্ঠানিক স্কুলীয়া শিক্ষা আৰম্ভ হয়। ঘৰত যিহেতু কথাবোৰ মাতৃভাষাত শিকে, সেয়েহে স্বকীয় ভাষা সংস্কৃতিত বান্ধ খাই থাকে। ঘৰত আৰু চুবুৰীয়াৰ পৰা মাতৃভাষাত শিকা কথা শিশুৰ নিজৰ সাংস্কৃতিক জীৱনৰ লগত বান্ধ খাই থাকে; কিন্তু এইটো ঠিক যে আমাৰ কণ কণ শিশু ডাঙৰ হৈ সদায় এক ভাষিক হৈ থাকিব নোৱাৰে। ভাৰতবৰ্ষৰ দৰে এখন দেশত বিভিন্ন ৰাজ্যত বিভিন্ন ভাষা আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত ইংৰাজী হিন্দী আদি যিমান ভাষা শিকিব পাৰে শিকি ল'ব লাগে। মাতৃভাষাৰ ভেটিটো সৰুতে মজবুত কৰি ল'ব লাগে।

নিম্ন শ্ৰেণীত ভাষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে। মাতৃভাষাত শিশুৱে অধ্যায়ন কৰিলে নিজৰ আত্মবিশ্বাস বৃদ্ধি হয়। শিশুৰ আনন্দ, বেদনা, বিশ্বাস আদিৰ প্ৰকাশৰ মাধ্যম মাতৃভাষা বুলি বহু কেইগৰাকী শিক্ষাবিদে উল্লেখ কৰিছে। সেয়েহে মাতৃভাষা শিক্ষাৰ মাধ্যম হ'লে অধিক উপকৃত হ'ব।

## অসমীয়া-ইংৰাজী দুয়োটা ভাষাৰে প্ৰয়োজন আছে

■ **মল্লিকা বড়া,** শিক্ষয়িত্ৰী



**অসমীয়া** আৰু ইংৰাজী দুয়োটা মাধ্যমেই শিক্ষা গ্ৰহণৰ বাবে প্ৰয়োজন বুলি মই ভাবো। বৰ্তমান সময়ত অধিকাংশ অভিভাৱকেই ইংৰাজী মাধ্যমটোকেই বাছি লোৱা দেখা যায়। তেওঁলোকে ভাৱে যে ইংৰাজী মাধ্যমত পঢ়িলেহে ভৱিষ্যতে উচ্চ শিক্ষাৰ বাবে সহজ হ'ব। অৱশ্যে কিছু সংখ্যক অভিভাৱক এনেকুৱাও আছে যিসকলে নিজে ইংৰাজী নজনাৰ বাবেও নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ পঠিয়ায়। সেই বুলি এইটো কথাও মিছা কোৱা হ'ব যে অসমীয়া মাধ্যমত পঢ়িলে উচ্চ শিক্ষাৰ ক্ষেত্ৰত অসুবিধা হ'ব।

বহুতো ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমত পঢ়িয়ে শিক্ষাৰ উচ্চ শিখৰলৈ উন্নীত হৈছে। হয়, মাতৃভাষাৰে শিক্ষাআৰম্ভ বেছি ভাল কথা। কিন্তু আমাৰ মধ্যবিত্ত শ্ৰেণীৰ অভিভাৱকসকলৰো বিভিন্ন সমস্যা। আমি এখন ভাল বিদ্যালয় বিচাৰি উলিয়াবলৈ সমৰ্থবান নহওঁ। বেছি ভাগ অভিভাৱকেই অগ্ৰাধিকাৰ ভিত্তিত ঘৰৰ ওচৰতে থকা ভাল অসমীয়া বা ইংৰাজী মাধ্যমৰ বিদ্যালয়ত দিয়া দেখা যায়। এই ক্ষেত্ৰত আমি অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহৰ মানৰ বিষয়েও ভাৱিব লাগিব।

বৰ্তমান চৰকাৰী বিদ্যালয়ত পঢ়া-শুনাতকৈ অন্যান্য বিষয় কিছুমানেহে অধিক গুৰুত্ব পোৱাৰ ফলত পঢ়া-শুনাখিনি পিছপৰি যায়। প্ৰতিজন অভিভাৱকৰেই ইচ্ছা যে নিজৰ সন্তানক শিক্ষাৰ লগতে সংস্কৃতিবান কৰি তোলা। যিটো অসমীয়া বা ইংৰাজী দুয়োটা মাধ্যমৰ বিদ্যালয়তে সম্ভৱ। কেৱল অসমীয়া মাধ্যমত পঢ়িলেহে যে সংস্কৃতিবান হ'ব সেয়া নহয়।

শেষত মই ক'ব বিচাৰো যে মাধ্যম শিক্ষাৰ ক্ষেত্ৰত অন্তৰায় হ'ব নোৱাৰে। চৰ্চাহে আচল কথা। মই স্বীকাৰ কৰো যে অসমীয়া মাধ্যম বেছি গ্ৰহণযোগ্য যদিও ইংৰাজী মাধ্যমো কোনো গুণে কম নহয়।

## মাতৃভাষা আমাক লাগিব অন্তৰাত্মা শাঁত পৰাৰ বাবে

■ **ফণীধৰ পাঠক,** জ্যেষ্ঠ সাংবাদিক



**মাতৃভাষাৰ** জৰিয়তে শিক্ষা গ্ৰহণ কৰিব পাৰিলে ল'ৰা-ছোৱালীৰ বাবে সেয়া সহজ হৈ পৰে। কিন্তু সকলো ভাষাতে পাঠ্যপুথি প্ৰস্তুত কৰি শিক্ষাদান কৰাটো এখন চৰকাৰৰ বাবে সহজ নহয়। কাৰণ অসমৰ দৰে এখন বিভিন্ন জনগোষ্ঠীৰে পূৰ্ণ ৰাজ্যত ভাষাও আছে বহুত। সেয়ে অসমত অসমীয়া ভাষাতে প্ৰায়বোৰে শিক্ষা গ্ৰহণ কৰে যদিও আজিকালি এচাম অভিভাৱকে ইংৰাজী মাধ্যমতে শিক্ষা গ্ৰহণৰ বাবে নামভৰ্তি কৰাই দিয়ে। যিসকল ল'ৰা-ছোৱালীয়ে ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰিছে তেওঁলোকে বহু ক্ষেত্ৰত অসমীয়া ভাষা ব্যৱহাৰত অপৰাগতা প্ৰদৰ্শন কৰা দেখা যায় যদিও সময় বাগৰি যোৱাৰ লগতে অসমীয়া ভাষাতো বুৎপত্তি লাভ কৰা দেখা যায়। সেই ফালৰ পৰা শিক্ষাৰ মাধ্যম হিচাপে ভাষা অন্তৰায় হোৱা দেখা নাযায়। একেদৰে এচাম অসমীয়া মাধ্যমত শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰীয়েও পাছলৈ ইংৰাজী ভাষাটো আয়ত্ত কৰি লোৱা দেখা যায়। আচলতে যিবোৰ ল'ৰা-ছোৱালীয়ে জন্মগতভাৱে তীক্ষ্ণ বুদ্ধিবৃত্তি হৈ আহে তেওঁলোকৰ বাবেহে এয়া সম্ভৱ; কিন্তু যিবোৰ ল'ৰা-ছোৱালী বুদ্ধিবৃত্তিৰ ক্ষেত্ৰত মধ্যমীয়া তেওঁলোকৰ বাবে ভাষাটো বহু বিকাশৰ ক্ষেত্ৰত অন্তৰায় হৈ দেখা দিয়ে। যিবোৰ মধ্যমীয়া বুদ্ধি-বৃত্তিৰ ল'ৰা-ছোৱালীয়ে অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ আৰম্ভ কৰি পাছলৈ উচ্চ শিক্ষা লাভৰ বাবে নামভৰ্তি কৰে তেওঁলোকৰ বাবে উচ্চ শিক্ষা লাভ কৰাৰ বাবে বহু কষ্ট হয়। কিয়নো উচ্চ শিক্ষা লাভ কৰিবলৈ হ'লে মাধ্যমটো ইংৰাজী হৈ পৰে। কিন্তু ইংৰাজী মাধ্যমত মধ্যমীয়া ল'ৰা-ছোৱালীয়ে শিক্ষা লাভ কৰিলে তেওঁলোকৰ বাবে উচ্চ শিক্ষা লাভ কৰাত কিছু উজু হৈ পৰে। এয়া আমাৰ বাস্তৱ অভিজ্ঞতা।

কিন্তু আজিৰ পৰিৱৰ্তিত সমাজ ব্যৱস্থাত ইংৰাজী ভাষাৰ গুৰুত্ব অসীম। এই ভাষা বিশ্ব নাগৰিকৰ বাবে সংযোগী ভাষা হৈ পৰিছে। সেয়ে ইংৰাজী ভাষাক আমি গুৰুত্ব দিবই লাগিব। ইয়াৰ অৰ্থ এইটো হ'ব নোৱাৰে যে অসমীয়া ভাষাক গুৰুত্ব কম দিব লাগে। ইংৰাজী ভাষাটো আমাক লাগিব ৰূঢ় বাস্তৱৰ স'তে মুখামুখি হ'বলৈ। আনহাতে, মাতৃভাষাটো আমাক লাগিব অন্তৰাত্মা শাঁত পৰাৰ বাবে। সন্তানে ঘৰলৈ আহি যেতিয়া 'মা' বুলি মাতিব সেই স্বৰ্গীয় সুখ 'মাম্মী' শব্দটোৱে দিব নোৱাৰে। একেদৰে বিভিন্ন জনগোষ্ঠীৰ ভাষাটো প্ৰযোজ্য।

## মাতৃভাষাৰ উচিত শিক্ষাৰে ইংৰাজী মাধ্যমত শিক্ষা প্ৰদান বৰ্তমান সময়ৰ আহ্বান

■ **ভাস্কৰ দাহাল,** সাধাৰণ সম্পাদক, অসম গোৰ্খা সন্মিলন



মাতৃভাষাৰ পৰা শিক্ষা বা জ্ঞান আহৰণ কৰিবলৈ যিমান সহজ তাৰ তুলনা নাই। আৰু ইয়াত কাৰো দ্বিমত নাই। মাতৃভাষাত শিক্ষা গ্ৰহণ কৰিলে শিক্ষাৰ মূল বিষয়বস্তুক গভীৰভাৱে আয়ত্ত কৰাৰ লগতে মাতৃভাষাক উচিত সন্মান দিয়া হয়। কিন্তু বৰ্তমান বিশ্বায়ন প্ৰতিযোগিতাত বিশ্বৰ বিভিন্ন ক্ষেত্ৰত ফেৰ মাৰিবলৈ আৰু নিজে পূৰ্ণাংগ-পাকৈত হ'বলৈ হ'লে ইংৰাজী ভাষাহে একমাত্ৰ সঠিক মাধ্যম হিচাপে জনাজাত।

বিশ্বৰ যিকোনো প্ৰান্তত প্ৰতিযোগিতা অথবা অধ্যয়ন ক্ষেত্ৰত ইংৰাজী মাধ্যমহে ছাত্ৰ-ছাত্ৰীৰ সহায়ক হয়। এই কাৰণে নিজৰ সন্তানক মাতৃভাষাৰ উচিত শিক্ষা প্ৰদান কৰি ইংৰাজী মাধ্যমত শিক্ষা প্ৰদান কৰিলে বৰ্তমান যুগত উচিত হ'ব বুলি মই ভাবো।

## সন্তানে মাতৃভাষাত পঢ়াটো বিচাৰো

■ **কৃষ্ণ নায়ক,** প্ৰচাৰ সম্পাদক, শোণিতপুৰ জিলা সমিতি, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা



**অসম** আমাৰ মাতৃভূমি। অসমৰ অসমীয়া ভাষা ৰাজ্যিক মাতৃভাষা আমাৰ সকলোৰে মাধ্যম হ'ল সেই মাতৃভাষা। যাৰ যোগেদি অসমত বসবাস কৰা সকলো জাতি- জনগোষ্ঠীক একেলগে একতাৰ ডোলেৰে সাৰটি লৈছে। অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহে নিজৰ মাতৃভাষাৰ লগতে অসমৰ মাতৃভূমিৰ মাতৃভাষা অসমীয়া মাধ্যমত আমাৰ সকলো ল'ৰা-ছোৱালীবোৰক পঢ়োৱাৰ বহু প্ৰয়োজন। বিভিন্ন জাতি-জনগোষ্ঠীৰ আপোন মাতৃভাষা থাকে ঠিক তেনেদৰে আমাৰো মাতৃভাষা ছাদ্ৰী ভাষা আছে। আমি বিচাৰো যে অসমীয়া মাধ্যমত চৰকাৰে আমাৰ আইৰ মুখৰ পৰা আমি শিকা ছাদ্ৰী মাতৃভাষা বিদ্যালয়ৰ পাঠ্যক্ৰমত সংলগ্ন কৰিলে আৰু আমাৰ ছাত্ৰ-ছাত্ৰীক এই শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে আমাৰ ভৱিষ্যৎ প্ৰজন্মই নিজৰ আইৰ মাতৃভাষাৰ লগতে ৰাজ্যভাষা অসমীয়া শিকি নিজৰ স্বকীয়তা, কৃষ্টি, সংস্কৃতি বজাই ৰাখিব পাৰিব বুলি আমি আশা কৰিব পাৰো।

## অসমীয়া মাধ্যমত পঢ়াব লাগে

■ **প্ৰদীপ কুমাৰ মালাকাৰ,** প্ৰাক্তন অধ্যক্ষ, কৌপাটী বল্লভ ভাই পেটেল উচ্চতৰ মাধ্যমিক বিদ্যালয়



**মাতৃভাষাৰ** মাধ্যমেৰে শিক্ষা আহৰণ সহজসাধ্য বুলি বহু শিক্ষাবিদে মত পোষণ কৰিছে। মানুহে মাতৃভাষা স্বতঃস্ফূৰ্তভাৱে শিকে আৰু আৰু সেয়ে মাতৃভাষাৰে শিক্ষাদান কৰিলে শিশুৱে সহজে আয়ত্ত কৰিব পাৰিব। মোৰ সন্তানক অসমীয়া মাধ্যমত পঢ়াবলৈ উৎসাহিত কৰিছো। নিজে অসমীয়া মাধ্যমৰ ছাত্ৰ আৰু পৰৱৰ্তী সময়ত শিক্ষক আছিলো। অসমীয়া মাধ্যমত পঢ়ি বহু লোকে জীৱনত প্ৰতিষ্ঠা লাভ কৰিছে আৰু বহুতেই সমাজ তথা দেশৰ প্ৰতি যথেষ্ট বৰঙণি আগবঢ়াইছে। অসমীয়া মাধ্যমত পঢ়া-শুনা কৰি মই নিজে মোৰ কৰ্মক্ষেত্ৰত সফলতাৰে কাৰ্যনিৰ্বাহ কৰিবলৈ সক্ষম হৈছো। অপসংস্কৃতিৰ প্ৰতি আকৃষ্ট হোৱাতকৈ নিজ সংস্কৃতিৰ পৰিপুষ্টি সাধনত মনোনিবেশ কৰাই ভাল। মই ভাবো আমাৰ সন্তানে অসমীয়া মাধ্যমত পঢ়া-শুনা কৰি নিজৰ জীৱনক যোগ্য ঠাইলৈ লৈ যাবলৈ নিশ্চিতভাৱে সক্ষম হ'ব। শিক্ষাৰ লক্ষ্য শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশ সাধন কৰা। ইয়াৰ বাবে অসমীয়া মাধ্যমেই যথেষ্ট। কাৰণ আমাৰ ছাত্ৰ-ছাত্ৰী অসমীয়া মাধ্যমৰ যোগেদি সহজেই জ্ঞান অৰ্জন কৰিব পাৰে। আমাৰ সন্তানেও ভাল পোৱা উচিত। চিৰ চেনেহী মোৰ ভাষা জননী। ইয়াৰ বিকাশৰ বাবে মনে প্ৰাণে চেষ্টা কৰা উচিত। ভাষাই জাতিৰ মেৰুদণ্ড। নিজৰ ভাষাক হেৰুৱাব লাগিলে আমি মেৰুদণ্ডহীন হৈ পৰিম। অসমীয়া ভাষা পৃথিৱীত জিলিকি উঠক। নিজত্ব ৰক্ষাৰ চিন্তা যদি আমি কৰো তেনেহ'লে আমাৰ সন্তানক আমি অসমীয়া মাধ্যমত পঢ়ুৱাম বুলি মই বিশ্বাস কৰো।

## মাতৃভাষাই হ'ল জাতিৰ পৰিচয়

■ **শিবা কৰ্মকাৰ,** আটছা, ৰঙাপৰা আঞ্চলিক কমিতি



**আচলতে** ভাষা শিক্ষাৰ অন্তৰায় নাই। মই অসম চাহ জনজাতি ছাত্ৰ সন্থা আটছাৰ বিষয়ববীয়া হিচাপে আমাৰ চাহ জনগোষ্ঠী ছাদ্ৰী ভাষাৰ ওপৰত গুৰুত্ব আৰোপ কৰো কাৰণ অসমত চাহ জনগোষ্ঠী লোকৰ সংখ্যা আনুমানিক ২৫ শতাংশ তথাপি আমি শিক্ষাৰ ক্ষেত্ৰ মাতৃভাষা হিচাপে অসমীয়া ভাষাক প্ৰাধান্য দিওঁ। অসমত অসমীয়া ভাষা হিচাপে থকাৰ বাবে প্ৰতিটো জাতি-জনগোষ্ঠী একতাৰে বান্ধ খাই আছে। অসমীয়া ভাষাই অসমত বসবাস কৰি থকা প্ৰতিটো জাতি-জনগোষ্ঠীৰ মুখ্য ভাষা হিচাপে স্বীকৃতি প্ৰাপ্ত। অসমীয়া ভাষা অসমত বসবাস কৰা প্ৰতিগৰাকী ব্যক্তিৰ আৱেগ হয়। আজি ভাৰতবৰ্ষত হিন্দী ৰাষ্ট্ৰ ভাষা হ'লেও অসমত ইয়াৰ জনপ্ৰিয়তা নাই। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ভাষাৰ মাধ্যম হ'ল অসমীয়া।

আমি চাহ জনগোষ্ঠী লোকেও নিজৰ মাতৃভাষা ছাদ্ৰী হোৱা সত্ত্বেও অসমীয়া ভাষাক মাতৃভাষা হিচাপে গুৰুত্ব স্বীকৃতি দিওঁ তথা ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়ত শিক্ষা প্ৰদানত অগ্ৰাধিকাৰ দিওঁ। মই অসমীয়া ভাষাক অসমৰ মাতৃভাষা তথা বিদ্যালয়সমূহত আমাৰ ল'ৰা-ছোৱালীক অসমীয়া ভাষাত পাঠদান কৰাবলৈ সদায় অগ্ৰাধিকাৰ দি আহিছো তথা আগলৈও দি যাম।

## মাতৃভাষা মাধ্যমত সন্তানক পঢ়াব লাগে

■ **ৰাজেন সুব্বা,** শিক্ষক



**আজিৰ** তাৰিখত মোৰ দৃষ্টিকোণত সন্তানক মাতৃভাষা মাধ্যমত পঢ়োৱা প্ৰয়োজন। প্ৰকৃততে মানুহ হিচাপে আমাৰ মাতৃ তিনিগৰাকী থাকে। জন্ম দিয়া মাতৃ, আমাৰ মনৰ ভাব প্ৰকাশ কৰি আমাক তৃপ্তিৰে উপচাই দিয়া মাতৃভাষা আৰু য'ত আমি জন্ম লভিলো, সেই মাতৃভূমি। অসমৰ দৰে বিভিন্ন ভৌগোলিক বৈচিত্ৰ্য, পৰিৱেশৰ পৰা আদি কৰি জাতি বৰ্তমান ভাষা, ধৰ্ম নিৰ্বিশেষে আই মাতৃভূমিক সন্মান জনাই অসমীয়া ভাষা পঢ়িব আৰু লিখিব জনাটো মোৰ দৃষ্টিভংগীৰে অতি আৱশ্যক। ইংৰাজী আন্তঃৰাষ্ট্ৰীয় ভাষাৰূপে ৰাজ্যত ইয়াক দ্বিতীয় ভাষা স্বৰূপে গ্ৰহণ কৰিলে আমি আৰু আমাৰ ভৱিষ্যৎ প্ৰজন্ম উপকৃত হ'ব বুলি মোৰ ব্যক্তিগত অনুভৱ। মুঠৰ ওপৰত মই সন্তানক মাতৃভাষা মাধ্যমত পঢ়োৱাব লাগে বুলি মত পোষণ কৰো।

### এমএছডিপি আঁচনি বুমেৰাং ঃ শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

# পাঁচ বছৰে আধৰুৱা বিদ্যালয়ৰ গৃহ নিৰ্মাণ

অগ্ৰদূত বাৰ্তা

**কচুৱা, ২৩ এপ্ৰিল ঃ** ২০১৬-১৭ আৰু ২০১৯-২০ত সংখ্যালঘু উন্নয়ন পুঁজি চমুকৈ এমএছডিপি আঁচনিৰ অধীনত আৱন্টিত ধনসমূহ মোকলাই নিদিয়াত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষতি হোৱাৰ অভিযোগ উঠিছে। সংখ্যালঘু অঞ্চলৰ বিশেষকৈ শিক্ষাৰ উন্নয়নৰ অৰ্থে বিদ্যালয় গৃহসমূহ নিৰ্মাণ কৰিবলৈ এটা কোঠালিৰ বাবত ৪.৮০ লাখ টকা আৱন্টন দিছিল। ৰহা সমষ্টিৰ বহু বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে ধন



আৱন্টন হৈছিল যদিও বিগত পাঁচ বছৰৰও মাত্ৰ ৫০ শতাংশ ধন মোকলাই দিয়াত আধৰুৱা হৈ আছে আঁচনি ৰূপায়ণ। ইয়াৰে 'উত্তৰ চানখোলা প্ৰাথমিক বিদ্যালয়, চানখোলা মোক্তাব প্ৰাথমিক বিদ্যালয়, লুটুমাৰীপাৰ প্ৰাথমিক বিদ্যালয়, ৰাঙলু প্ৰাথমিক বিদ্যালয়, চানখোলা লুটুমাৰীপাৰ প্ৰাথমিক বিদ্যালয়, চিমলাইপথাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়, নলাপাৰ প্ৰি ছিনিয়ৰ মাদ্ৰাছা, সোনাৰুগুৰি প্ৰি ছিনিয়ৰ মাদ্ৰাছা, পূৱ গেৰজাইপাম প্ৰি ছিনিয়ৰ মাদ্ৰাছা আৰু কালিবাড়ী প্ৰাথমিক বিদ্যালয়'ৰ গৃহ নিৰ্মাণ বিগত পাঁচ বছৰ ধৰি আধৰুৱা হৈ আছে। ইপিনে, ২০১৯-২০ত আৱন্টিত ৰজাআলি আব্দুল আজিজ প্ৰাথমিক বিদ্যালয়, কুমৰিডুবি এলপি আৰু এমই মাদ্ৰাছা আৰু জিয়া প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বিপৰীতে ৩৫ ধন মোকলাই দিয়াত গৃহসমূহ আধৰুৱা হৈ আছে। ৰহা সমষ্টিৰ প্ৰাক্তন বিধায়ক ডিম্বেশ্বৰ দাসে বিজেপিৰ নেতা-কৰ্মীক নিৰ্মাণৰ দায়িত্ব ভগাই দিছিল যদিও চৰকাৰে আৱন্টিত ধন মোকলাই নিদিয়াৰ বাবে নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিব পৰা নাই। বহু বিদ্যালয়ৰ আধৰুৱা গৃহ জহি খহি যাব ধৰিছে বুলি প্ৰধান শিক্ষক সকলে অভিযোগ উত্থাপন কৰিছে।

# ৰাংগাপানী পঞ্চায়তত হিতাধিকাৰী জবকাৰ্ডৰ ধনৰ পৰা বঞ্চিত

**আলোপতি, ২৩ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ ৪৬ নম্বৰ ৰাংগাপানী গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ আৱন্টনত দুৰ্নীতি অনিয়মৰ অভিযোগ উত্থাপন কৰিছে একাংশ হিতাধিকাৰীয়ে। পঞ্চায়তখনৰ আজিবৰ ৰহমান নামৰ এজন লোকে অভিযোগ কৰা মতে, ২০২১-২২ৰ আঠ শতাধিক হিতাধিকাৰীৰ নামত আৱন্টিত চৰকাৰী গৃহৰ জবকাৰ্ডৰ মজুৰিৰ ধন আৱন্টনত বিভাগটোৰ কৰ্মচাৰীৰ লগতে পঞ্চায়ত প্ৰতিনিধিসকলে খেলিমেলিৰ সৃষ্টি কৰাত প্ৰাপ্যৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে বৃহৎসংখ্যক হিতাধিকাৰী। হামিদুল ইছলাম, সোণাউল্লাহ আৰু খুশমামুদ আলী নামৰ হিতাধিকাৰীসকলে উল্লেখ কৰা মতে, পঞ্চায়তখনৰ আঠশৰো অধিক হিতাধিকাৰীৰ নামত আৱন্টিত গৃহ নিৰ্মাণৰ ধন তিনিটা কিস্তিত আদায় দিয়াত হিতাধিকাৰীসকলে চৰকাৰী নীতি নিৰ্দেশনা মতেই গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে যদিও প্ৰতিজন হিতাধিকাৰীয়ে এমজি এনৰেগাৰ জব কাৰ্ডৰ মজুৰিৰ ধন নোপোৱাৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ অনুসৰি, পঞ্চায়তখনৰ অন্তৰ্গত আঠশৰো অধিক হিতাধিকাৰীয়ে গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিলেও প্ৰতিগৰাকী হিতাধিকাৰীয়ে পাব লগীয়া ৯৫ দিনৰ মজুৰিৰ ২১,২৮০ টকাকৈ লাভ কৰা নাই। বিভাগীয় নিয়মানুসৰি প্ৰতিজন হিতাধিকাৰীয়ে দৈনিক ২২৪ টকাকৈ ৯৫ দিনৰ মজুৰিৰ ধন তেওঁলোকৰ জবকাৰ্ড একাউন্টৰ জৰিয়তে লাভ কৰিব লাগিছিল যদিও পঞ্চায়তখনৰ কৰ্মৰত জিআৰএছ, জিপিছিৰ ভুলৰ বাবেই আঠ শতাধিক দৰিদ্ৰ হিতাধিকাৰীয়ে বৃহৎ পৰিমাণৰ প্ৰাপ্য ধনৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। মূলতঃ নিৰ্দিষ্ট সময়ত ডিমাণ্ড নিদিয়াৰ বাবেই প্ৰাপ্য ধনৰ পৰা বঞ্চিত হৈছে হিতাধিকাৰীসকল। উল্লেখ্য যে প্ৰতিজন হিতাধিকাৰীৰ ২১,২৮০ টকাকৈ মুঠ প্ৰায় ৮০০ হিতাধিকাৰীৰ সৰ্বমুঠ ১,৭০,২৪,০০০ টকাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এই বৃহৎ পৰিমাণৰ ধনৰ নামত কেলেংকাৰী সংঘটিত হোৱাৰো অভিযোগ উত্থাপন কৰিছে একাংশ হিতাধিকাৰীয়ে। হিতাধিকাৰীৰ জবকাৰ্ড একাউন্টৰ পৰিৱৰ্তে অইন একাউন্টত দি বৃহৎ কেলেংকাৰি সংঘটিত কৰাৰ সন্দেহ ব্যক্ত কৰিছে একাংশ হিতাধিকাৰীয়ে। আঠ শতাধিক হিতাধিকাৰীৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ জবকাৰ্ডৰ মজুৰিৰ পৰা বঞ্চিত একাংশ হিতাধিকাৰীয়ে আজি এনে দুৰ্নীতি অনিয়মৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। শীঘ্ৰে দৰিদ্ৰ হিতাধিকাৰীসকলক তেওঁলোকৰ প্ৰাপ্য ধন আদায় দিয়াৰ লগতে খেলিমেলি, অনিয়মত জড়িত পঞ্চায়ত কৰ্মচাৰী আৰু পঞ্চায়ত প্ৰতিনিধিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে বঞ্চিত একাংশ হিতাধিকাৰীয়ে।

## কিংশুক ৰঙালী বিহু সন্মিলনৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৩ এপ্ৰিল ঃ** মৰিয়নিৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান কিংশুক ক্ৰীড়া-সাংস্কৃতিক চ'ৰাৰ উদ্যোগত প্ৰতি বছৰে অনুষ্ঠিত হৈ অহা ৰঙালী বিহু সন্মিলনখনে এইবাৰ ৩৮ বছৰত ভৰি দিলে। এইবাৰ অহা ২৯ আৰু ৩০ এপ্ৰিলত এই বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। সেই উপলক্ষে একাধিক প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। দ্বিতীয় দিনা লোচন বৰুৱা সোঁৱৰণী সদৌ অসম কিংশুক চেলেঞ্জ চাইক্লিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এইবাৰ কেৱল পুৰুষ প্ৰতিযোগীৰ মাজতেই এই চাইক্লিং প্ৰতিযোগিতা সীমাবদ্ধ থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। আনহাতে, দেবেশ্বৰ নেওগ সোঁৱৰণী সৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উক্ত সৰু বিহুৱতী প্ৰতিযোগিতাৰ মাজৰ পৰাই সুৰেন গগৈ সোঁৱৰণী শ্ৰেষ্ঠ পেঁপাবাদকক নিৰ্বাচিত কৰা হ'ব। সন্ধিয়ালৈ আমন্ত্ৰিত বিহু দল, জেং বিহু দল আৰু বিভিন্ন জনগোষ্ঠীৰ বিহুদলৰ বিহু প্ৰদৰ্শন কৰা হ'ব। সাংস্কৃতিক অনুষ্ঠানত আৰু জনপ্ৰিয় ক'ৰিঅ'গ্ৰাফাৰ শান্তমণি শৰ্মাৰ পৰিচালনাৰে অভিনেত্ৰী অলিম্পিকা ভূঞা আৰু সংগীবৃন্দৰ 'চিনাকি সাংস্কৃতিক গোষ্ঠীয়ে নৃত্যানুষ্ঠান পৰিৱেশন কৰিব।

## শিক্ষাবিদ ধৰ্মেশ্বৰ বৰাৰ সোঁৱৰণত হুঁচৰি প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৩ এপ্ৰিল ঃ** গোলাঘাট জিলা ফৰকাটিঙৰ শিক্ষাবিদ প্ৰাক্তন শিক্ষক, সমাজসেৱক ধৰ্মেশ্বৰ বৰাৰ সোঁৱৰণত ফৰকাটিং ফাটোৱাল গাঁৱৰ শংকৰ-মাধৱ নামঘৰত শিক্ষাবিদজনৰ পৰিয়ালৰ উদ্যোগত হুঁচৰি প্ৰদৰ্শন আৰু হুঁচৰি সম্বৰ্ধনা এক ব্যক্তিক্ৰমী অনুষ্ঠান সম্পন্ন হয়। হুঁচৰি প্ৰদৰ্শন অনুষ্ঠানত বিশিষ্ট ঢুলীয়া ওজা তোযেশ্বৰ বৰা আৰু তেওঁৰ সংগীসকল উপস্থিত থাকি হুঁচৰি লগতে ঢোলবাদ্য পৰিৱেশন কৰে। হুঁচৰি প্ৰদৰ্শন অনুষ্ঠানত গাঁৱৰ শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। পৰিয়ালৰ হৈ অনুষ্ঠানৰ আঁত ধৰে দেৱজিত বৰা আৰু অভিজিত বৰাই।

## বিটিআৰৰ টে'ট শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ দাবী

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৩ এপ্ৰিল ঃ** বিটিআৰ অঞ্চলৰ বিদ্যালয়ত কৰ্মৰত প্ৰাথমিক বিদ্যালয়ৰ সৰ্বশিক্ষাৰ অধীনৰ ঠিকাভিত্তিক শিক্ষকসকলৰ স্থায়ী নিযুক্তিকৰণৰ বাবে দাবী জনাইছে সদৌ বিটিআৰ সৰ্বশিক্ষাৰ অধীনৰ টে'ট শিক্ষক এছ'চিয়েছনে। এছ'চিয়েছনৰ সভাপতি আৰু সম্পাদক ক্ৰমে কুমুদ কলিতা আৰু ধৰ্মেশ্বৰ ডেকাই এই সন্দৰ্ভত ১৫ এপ্ৰিলত এখন স্মাৰকপত্ৰ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োলৈ প্ৰেৰণ কৰে। সেই উপলক্ষে গোৰেশ্বৰ হিন্দী প্ৰাথমিক বিদ্যালয়ত এক সংবাদমেল আহ্বান কৰে। সংবাদমেলত এছ'চিয়েছনে ৰাজ্য চৰকাৰ আৰু বিটিআৰ চৰকাৰৰ বিসংগতিপূৰ্ণ তথা শিক্ষকৰ মৰ্যাদা হানিকাৰক সিদ্ধান্ত বাতিল কৰি ২৫২১ গৰাকী টে'ট শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰিবলৈ দাবী উত্থাপন কৰে। লগতে তেওঁলোকে কয় যে নিযুক্ত লাভ কৰা টে'ট শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ হ'ল কিন্তু ২০১২ৰ পৰা ২০১৯ লৈ বিটিআৰ অঞ্চলত কৰ্মৰত প্ৰায় ২৫২১ গৰাকী সৰ্বশিক্ষাৰ ঠিকাভিত্তিক শিক্ষকে আজিও প্ৰাপ্য মৰ্যাদা লাভৰ পৰা বঞ্চিত হৈ থাকিল। সেয়েহে ব'হাগৰ আৰম্ভণিতে ৰাজ্য তথা বিটিআৰ চৰকাৰলৈ টে'ট শিক্ষকসকলে ২০১২ৰ পৰা ২০১৯ লৈ নিযুক্তি প্ৰাপ্ত প্ৰায় ২৫২১গৰাকী সৰ্বশিক্ষাৰ ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীৰ বেতন সুৰক্ষাসহ স্থায়ীভাৱে নিয়মীয়াকৰণৰ দাবী উত্থাপন কৰিছে।

## মঙলদৈত দৰং গৰিয়া-মৰিয়াৰ সমূহীয়া ইফটাৰৰ আয়োজন

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৩ এপ্ৰিল ঃ** অসমৰ খিলঞ্জীয়া মুছলমানসকলৰ সংগঠন সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ দৰং জিলা সমিতিৰ উদ্যোগত মঙলদৈ ইয়ুথ ক্লাব প্ৰাংগণত অহা ২৬ এপ্ৰিলত সমূহীয়া ইফটাৰৰ আয়োজন কৰিছে। সমূহীয়া ইফটাৰ উপলক্ষে আয়োজিত সেইদিনাৰ অনুষ্ঠানত জিলাখনৰ সকলো জাতীয় সংগঠনৰ নেতৃত্ব, স্থানীয় বিধায়ক, প্ৰাক্তন বিধায়কৰ লগতে সাংসদজনেও অংশগ্ৰহণ কৰাৰ কথা। পৰিষদৰ জিলা সভাপতি আমানউল্লা পাছাৰ সঞ্চালনাত হ'বলগীয়া অনুষ্ঠানত পৰিষদৰ আজীৱন সদস্যৰ প্ৰমাণ পত্ৰ বিতৰণ কৰিব কেন্দ্ৰীয় উপদেষ্টা ছহিৰ ভূঞাই। অনুষ্ঠানত কে'বাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব বুলি জানিবলৈ দিয়ে সম্পাদক চাহাবুদ্দিন আহমেদে।

## মনাহকুছিত বিষ্ণুজ্যোতি ক্ৰীড়া-সাংস্কৃতিক সংঘৰ উদ্যোগত ৰঙালী বিহু

অগ্ৰদূত বাৰ্তা

**হাজো, ২৩ এপ্ৰিল ঃ** ৰাজ্যৰ আন প্ৰান্তৰ সমান্তৰালকৈ তীৰ্থনগৰী হাজোৰ বিভিন্ন প্ৰান্ততো দেখা গৈছে এজনৰ পাছত আনজন অসমৰ জনপ্ৰিয় কণ্ঠশিল্পীৰ গীত পৰিৱেশন। হাজোৰ মনাহকুছিৰ জনতা বিদ্যাপীঠ হাইস্কুল খেলপথাৰত বিষ্ণুজ্যোতি ক্ৰীড়া আৰু সাংস্কৃতিক সংঘৰ উদ্যোগত এইবেলি অনুষ্ঠিত কৰা হয় ৭২ সংখ্যক মনাহকুছি ৰঙালী বিহু সন্মিলনৰ। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই বিহু সন্মিলনত যোৱা ২০ এপ্ৰিলত নিশা গীত পৰিৱেশন কৰে অসমৰ দুই জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ আৰু বিদ্যাসাগৰে। দুয়োজনৰ শিল্পীৰ গীতত নিশা দেখা গ'ল দৰ্শকৰ আনন্দ আৰু হৰ্ষোল্লাসাৰ লগতে হাজোৰ সমাজকৰ্মী তথা যুৱ নেতা ৰাতুল শৰ্মাক ভূয়সী প্ৰশংসা কৰে জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ আৰু বিদ্যাসাগৰৰ লগতে হাজোবাসীয়ে।

## আত্মহত্যা কৰা লোকৰ পৰিয়ালক ক্ষতিপূৰণৰ দাবী

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৩ এপ্ৰিল ঃ** এপিডিচিএলৰ অস্থায়ী কৰ্মচাৰী তথা ফুলগুৰি ডিমৌৰ দ্বিজেন ডেকাই আত্মহত্যাৰ দৰে চৰম পন্থা বাছি ল'ব লগা পৰিস্থিতিৰ বাবে অসম চৰকাৰ তথা বিদ্যুৎ বিভাগকে দায়ী কৰিলে আসাম ষ্টেট আউটছ'ৰ্চ পাৱাৰ ৱৰ্কাৰ্ছ ইউনিয়নে। ইউনিয়নৰ কেন্দ্ৰীয় সভাপতি দিব্যজ্যোতি পাঠক আৰু সাধাৰণ সম্পাদক ধনজিৎ কুমাৰ ৰায়ে এক বিবৃতিত উল্লেখ কৰে যে এটা দশকৰো অধিক দিন সামান্য পাৰিতোষিকৰে বিদ্যুৎ বিভাগৰ সেৱা আগবঢ়াই আহিছিল প্ৰয়াত দ্বিজেন ডেকাই। চাকৰি নিয়মীয়া হোৱাৰ আশাৰে নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছিল যদিও সেই আশা পূৰণ নহ'ল। পত্নীৰ উপৰি দুগৰাকী কন্যা এৰি যোৱা প্ৰয়াত ডেকাৰ পৰিয়ালক ১০ লাখ টকা ক্ষতিপূৰণ আৰু পৰিয়ালৰ এজন সদস্যক চাকৰি দিয়াৰ বাবে বিদ্যুৎ বিভাগ তথা চৰকাৰক দাবী জনাইছে। বিবৃতিটোত আকৌ উল্লেখ কৰা মতে, শক্তি বিভাগৰ তিনিটা কোম্পানীত মুঠ পাঁচ হেজাৰৰো অধিক কৰ্মচাৰীয়ে সামান্য পাৰিতোষিকৰে অস্থায়ী ভিত্তিত বতাহ-বৰষুণকো নেওচি বছৰ বছৰ ধৰি সেৱা আগবঢ়াই আহিছে। চাকৰিসমূহ নিয়মীয়া কৰাৰ বাবে বহু আবেদন-নিবেদন কৰাৰ লগতে বিভাগীয় মন্ত্ৰী বিমল বৰাক সাক্ষাৎ কৰোতে নিয়মীয়াকৰণৰ প্ৰতিশ্ৰুতি দিছিল যদিও আজিকোপতি নিয়মীয়াকৰণ নহ'ল। ইতিমধ্যে বহুকেইজনে দুৰ্ঘটনাজনিত কাৰণতে হওক, আত্মহত্যাই হওক তেওঁলোকৰ মাজৰ পৰা হেৰাই যোৱা বুলি উল্লেখ কৰি অনতিপলমে চাকৰিসমূহ নিয়মীয়াকৰণৰ দাবী জনাইছে। অন্যথা গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ দিছে ইউনিয়নে।

## জামুগুৰি ব'হাগী মেলাৰ প্ৰস্তুতি তুংগত

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৩ এপ্ৰিল ঃ** ৰুষ্ট প্ৰকৃতি শান্ত হোৱাৰ প্ৰাৰ্থনাৰে ১২০ দীঘল আৰু ৬০ ফুট বহল মণ্ডপৰ খুঁটা পুতি প্ৰকৃতিৰ ওচৰত সেৱা লৈ আশীৰ্বাদ বিচাৰিলে জামুগুৰি ব'হাগী মেলা উদ্‌যাপন সমিতিয়ে। অহা ২৮ আৰু ২৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ত্ৰয়োবিংশতম বিহু মেলাৰ মণ্ডপৰ খুঁটা পোতাৰ কাল ধৰ্মীয় ৰীতি-নীতিৰে তথা আয়তীৰ উৰুলিৰ মাজেৰে সম্পন্ন কৰা কাৰ্যসূচীত জামুগুৰি ব'হাগী মেলা উদ্‌যাপন সমিতিৰ সকলো বিষয়ববীয়া-কৰ্মকৰ্তা উপস্থিত থকাৰ লগতে জামুগুৰি পৌৰসভাৰ নৱ নিযুক্ত পৌৰপতি উপ-পৌৰপতিকে ধৰি সকলো ৱাৰ্ড কমিছনাৰ আৰু বৃহত্তৰ জামুগুৰিহাটৰ বহুকেইগৰাকী ব্যক্তিও উপস্থিত থাকে।

## শ্ৰীসূৰ্য যুৱ সংঘৰ সৌজন্যত ব'হাগী উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত সূৰ্য পাহাৰ মহাপীঠ স্থানৰ সমীপৰ শ্ৰীসূৰ্য গেটস্থিত ড° ভূপেন হাজৰিকা মুকলি মঞ্চত অহা ৩০ ব'হাগৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ব'হাগী উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। শ্ৰীসূৰ্য যুৱ সংঘৰ সৌজন্যত অনুষ্ঠিত হ'বলগীয়া সপ্তম বাৰ্ষিক ব'হাগী উৎসৱ উদ্‌যাপনৰ কাৰ্যসূচী অনুসৰি ৩০ ব'হাগৰ পুৱা বিহু পতাকা উত্তোলন আৰু যুৱ সংঘৰ পতাকা উত্তোলনৰ পাছতেই দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত হ'ব। ইপিনে, ৩১ ব'হাগৰ পুৱা ছহিদ তৰ্পণ আবেলি মুকলি সভা আৰু স্থানীয় বয়োজ্যেষ্ঠ নাগৰিকসকলক সম্বৰ্ধনাৰ লগতে নিশা স্থানীয় আৰু আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব। উল্লেখ্য যে শ্ৰীসূৰ্য যুৱ সংঘৰ স্থায়ী সভাপতি ছিৰাজুৰ ৰহমানৰ পৌৰোহিত্যত এই উপলক্ষে অলপতে অনুষ্ঠিত এক সভাত অনংগজ্যোতি কলিতাক সভাপতি, ময়নাল হক আৰু ডিম্বেশ্বৰ পাঠকক উপ-সভাপতি, প্ৰবীণ কলিতা আৰু মজিবৰ ৰহমানক সম্পাদক, নুৰনবী শেখ আৰু মিজানুৰ (ৰাছিদুল)ক সাংস্কৃতিক সম্পাদকৰূপে লৈ এখন ব'হাগী উৎসৱ উদ্‌যাপন কমিটী গঠন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

## ভীম কলৰ পৰা গুৰ লখিমপুৰৰ দুই শিক্ষাৰ্থীৰ সাফল্য



অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৩ এপ্ৰিল ঃ** ইণ্ডিয়ান য়ং ইনোভেটৰ্ছ এণ্ড ইণ্ডভেন্টৰছ চেলেঞ্জ চমুকৈ আইৱাইআইআইচিত লক্ষীমপুৰ জিলাৰ খেৰাজখাত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দুই শিক্ষাৰ্থী ক্ৰমে উপাসনা বৰুৱা আৰু অলি চাবুক ধৰাই সফল্য অৰ্জন কৰিছে। মণ্ডল পৰ্যায়ত কালি অনুষ্ঠিত এই প্ৰতিযোগিতাত দুই শিক্ষাৰ্থীয়ে খাদ্য আৰু পুষ্টি বিষয়ৰ স'তে সংগতি ৰাখি ভীম কলৰ পৰা অভিনৱ কৌশলেৰে গুৰ প্ৰস্তুত কৰি চমকপ্ৰদ সাফল্য অৰ্জন কৰে। তেওঁলোকৰ লগত মেণ্টৰ হিচাপে সহযোগিতা আগবঢ়াই তেওঁলোকৰেই শিক্ষাগুৰু যজ্ঞোৰাম বৰাই। উক্ত প্ৰতিযোগিতাত অসম, পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড, ত্ৰিপুৰা, ওড়িশা আৰু আন্দামান নিকোবৰ দ্বীপ পুঞ্জৰ পৰা আবিষ্কাৰক আৰু উদ্ভাৱকেও অংশগ্ৰহণ কৰে। দুই শিক্ষাৰ্থীৰ এনে সাফল্যত লক্ষীমপুৰ জিলা উপায়ুক্ত সুমিত সাত্তৱান, বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰমেশ চন্দ্ৰ চুতীয়াই অভিনন্দন জ্ঞাপন কৰিছে।

## হাতে লিখা আলোচনী 'দোকমোকালি' উন্মোচন

অগ্ৰদূত বাৰ্তা

**টিহু, ২৩ এপ্ৰিল ঃ** বিদ্যালয়ৰ আলোচনী শিক্ষাৰ্থীৰ সাহিত্য চৰ্চাৰ এক আহিলা স্বৰূপ। শিক্ষাৰ্থীৰ মাজত অধ্যয়নৰ স্পৃহা বৃদ্ধিত আলোচনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। আলোচনীত লেখা-মেলা কৰিবলৈ হ'লে শিক্ষাৰ্থীসকলে অধ্যয়ন কৰিবই লাগিব।' এই মন্তব্য কৈঠালকুছি সাংবাদিক সন্থাৰ সম্পাদক শৈলেন বৰ্মনৰ। নলবাৰী জিলাৰ গোৰবাদলৰ বকুৰাজাৰী গাঁৱত অৱস্থিত বকুৰাজাৰী মিলন বালিকা মধ্য ইংৰাজী বিদ্যালয়ত আজি মানিক বৰ্মনৰ তত্ত্বাৱধানত আৰু গায়ত্ৰী বৈশ্যৰ সম্পাদনাত প্ৰস্তুত কৰি উলিওৱা 'দোকমোকালি' শীৰ্ষক হাতে লিখা আলোচনীখন উন্মোচন কৰি তেওঁ এইদৰে কয়। বিশ্ব ধৰিত্ৰী দিৱসৰ লগত সংগতি ৰাখি আজি পুৱা বিদ্যালয়খনৰ প্ৰাতঃসভাত বিদ্যালয়খনৰ প্ৰধান ভয়নুৰ আহমেদে আঁত ধৰা আলোচনী উন্মোচনী অনুষ্ঠানত বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দিলীপ বৈশ্য, বিদ্যালয়খনৰ সহকাৰী শিক্ষক ক্ৰমে অমল চন্দ্ৰ দাস, কল্যাণ বৰ্মন, হৰেশ্বৰ বেজবৰুৱা, মাণিক বৰ্মন, নয়ন শৰ্মা চেলিম বেগম, চন্দনা শৰ্মা, জয়ন্তী ৰামচিয়াৰীৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## বৰজাৰত ব'হাগী উৎসৱৰ সামৰণি

**বৰমা, ২৩ এপ্ৰিল ঃ** বৰমাৰ বৰজাৰত পৰহিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰ অনুষ্ঠিত হোৱা ব'হাগী উৎসৱৰ আজি পুৱতি নিশা সামৰণি পৰে। প্ৰথমদিনা পুৱা উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি জয়চৰণ কলিতাই পতাকা উত্তোলন কৰাৰ পাছত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে লক্ষী কলিতা, সত্যনাথ কলিতাই। ইয়াৰ পাছতে শংকৰ পাঠক সোঁৱৰণী তোৰণ উদ্বোধন কৰে প্ৰথম অসম বিশেষ সংৰক্ষিত বাহিনীৰ অধিনায়ক তৰ্পণ বৰ্মণে। তদুপৰি খেল-ধমালি আৰু নিশা অনুষ্ঠিত হয় সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা। অন্তিমদিনা বৰজাৰ ব্যৱসায়ী সন্থাৰ সভাপতি হৰিণ হালৈ আৰু সম্পাদক গোৰেশ্বৰ কলিতাৰ নেতৃত্বত ব্যৱসায়ীসকলে পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। আবেলি জয়চৰণ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত কৃষক, কৰ্মচাৰী ক্ৰমে নগেন কলিতা থানেশ্বৰ হালৈ আৰু নীলকান্ত কলিতাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ব'হাগী উৎসৱ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৩ এপ্ৰিল ঃ** টীয়কৰ বানে গৰকা বৃহত্তৰ কাৰৈমাৰী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান কাৰৈমাৰীৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ১০৪ নম্বৰ দেচুৱালী বস্তি প্ৰাথমিক বিদ্যালয়ৰ উদ্যোগত আজি বিদ্যালয়ৰ প্ৰাংগণত সমূহ ছাত্ৰ-ছাত্ৰীসকলক লৈ ব'হাগী উৎসৱৰ শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানত দুয়োখন বিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য, অভিভাৱক উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ নৃত্য-গীতৰ অনুষ্ঠান উপভোগ কৰাৰ লগতে সকলো গোট খাই বিহু মাৰি আনন্দ-উল্লাস কৰে। উল্লেখ্য যে পুথিগত শিক্ষাৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি আকৃষ্ট তথা আভাস দিবলৈ দুয়োখন বিদ্যালয়ে ব'হাগৰ এই মাদকতাৰ মাজতে অসমীয়াৰ প্ৰাণস্বৰূপ বিহুটি এইদৰে উদ্‌যাপন কৰিছে আৰু এইসকল ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশৰ অৰ্থে আগলৈও একেটি ধাৰাতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰি যাব বুলি মত প্ৰকাশ কৰিছে উদ্যোক্তাসকলে।

## আৰক্ষী বাহিনীৰ অৱসৰপ্ৰাপ্ত জোৱান হৰেণ বৰাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৩ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ আদৰ্শ গমাৰি পঞ্চায়তৰ অন্তৰ্গত এক নম্বৰ আদৰ্শ গাঁৱৰ আৰক্ষী বাহিনীৰ অৱসৰপ্ৰাপ্ত জোৱান হৰেণ বৰা (৬০)ৰ আজি পুৱা ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উচ্চ ৰক্তচাপজনিত কাৰণত তেওঁক পৰিয়ালৰ লোকে প্ৰায় ২০ দিন পূৰ্বে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ নিছিল যদিও চিকিৎসকে যোৰহাটলৈ প্ৰেৰণ কৰে। পাছত অৱস্থা গুৰুতৰ হোৱাত চিকিৎসকে পুনৰ ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। অৱসৰপ্ৰাপ্ত আৰক্ষী জোৱানজনে কেইবছৰমানৰ পূৰ্বে ব্যক্তিগত কাৰণত চাকৰিৰ পৰা স্বেচ্ছাই অৱসৰ গ্ৰহণ কৰি ঘৰতে আছিল। মৃত্যুৰ সময়ত বৰাই পত্নীসহ চাৰি পুত্ৰ আৰু দুগৰাকী কন্যাৰ লগতে বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি গৈছে।

## আঠ মে'ৰ পৰা বৃহত্তৰ চাৰিং কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৩ এপ্ৰিল ঃ** চাৰিঙৰ অন্যতম আগশাৰীৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান জোনাকী শিল্পী সমাজৰ উদ্যোগত অহা আঠ আৰু ন মে'ত বৰ্ণাঢ্য কাৰ্যসূচীৰে বৃহত্তৰ চাৰিং ৩৫ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। তদুপলক্ষে অলপতে অনুষ্ঠিত এখন ৰাজহুৱা সভাত চিৰঞ্জীত গগৈক সভাপতি, ভক্তিমন্ত দুৱৰাক কাৰ্যকৰী সভাপতি, গৌতম চুতীয়াক প্ৰধান সম্পাদকৰূপে লৈ ১৩ জনীয়া এখন উদ্‌যাপন সমিতি গঠন কৰে। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা প্ৰাইজমানি চিত্ৰাংকন, পিঠা-পনা, কণী যুঁজ, সৰু বিহুৱতী, ঢোলবাদন প্ৰতিযোগিতা আৰু বিয়লিলৈ অনুষ্ঠিত হ'ব হুঁচৰি সমাৰোহ। দ্বিতীয় তথা অন্তিম দিনৰ কাৰ্যসূচীত বিয়লিলৈ অনুষ্ঠিত হ'ব লগা বঁটা বিতৰণী অনুষ্ঠানতে অনুষ্ঠানৰ লগত সংগতি ৰাখি মিলন খনিকৰৰ সম্পাদনাত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ 'মেজাংকৰি' উন্মোচন কৰিব শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে। ইফালে, ইচ্ছুক প্ৰতিযোগীসকলে সবিশেষ জানিবলৈ ৮৬৩৮৭৫৪০৭৬ বা ৬০০১০৬৮৫৪৭ নম্বৰ ফোনত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে উদ্‌যাপন সমিতিয়ে।

## মৰাণত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ৰঙালী বিহু সন্মিলন

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৩ এপ্ৰিল ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মৰাণ আঞ্চলিক সমিতিৰ উদ্যোগত মৰাণ উষাপুৰ খেলপথাৰত যোৱা ২১ আৰু ২২ এপ্ৰিলত বৰ্ণাঢ্য কাৰ্যসূচীৰে ত্ৰিংশতম সন্মিলিত ৰঙালী বিহু সন্মিলন অনুষ্ঠিত হয় । কাৰ্যসূচী অনুসৰি, ২১ এপ্ৰিলৰ পুৱা ন বজাত পৰিষদৰ পতাকা উত্তোলন কৰে মৰাণ আঞ্চলিক সমিতিৰ সভাপতি বিমান গগৈয়ে আৰু বিহু সন্মিলনীৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি সূৰ্য বৰগোহাঁয়ে। আনহাতে, স্মৃতি তৰ্পণ কৰে পৰিষদৰ আঞ্চলিক সমিতিৰ সম্পাদক বিতোপন লাচনে। পুৱা ১১ বজাৰ পৰা কণী যুঁজ আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ পাছতে বিয়লি তিনি বজাত দিহা নাম, হুঁচৰি, জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয় । কালি দিনৰ এক বজাৰ পৰা মৌ কুৱঁৰী, ঢোল-বাদন আৰু বিহুৱতী



প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ছয় বজাত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে অসম জাতীয়তাবাদী যুৱ -ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে। উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে ভাগ লয় বাল্য বিকাশ বিদ্যালয়ৰ প্ৰধান শিক্ষক ড° স্বপন কুমাৰ চুতীয়াই। উক্ত সভাতে কৃষি কৰ্ম কৰি মৰাণলৈ গৌৰৱ কঢ়িয়াই অনা জয়দত কোঁৱৰ আৰু মহানগৰীৰ লতাশিল বিহু সন্মিলনীত বিহুৰাণী খিতাপ অৰ্জন কৰা নিমিষা দিহিংগীয়াক গোমোচা, চেলেং, মানপত্ৰই সম্বৰ্ধনা জ্ঞাপন কৰা হয় হয়। নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে মন্ত্ৰী যোগেন মহনে।

## দেৰগাঁৱত বিশ্ব ধৰিত্ৰী দিৱস পালন

অগ্ৰদূত বাৰ্তা


**বৰুৱা বামুণগাঁও, ২৩ এপ্ৰিল ঃ** অসমৰ আগশাৰীৰ প্ৰকৃতি সংগঠন আশ্ৰয়ৰ উদ্যোগত কালি বিশ্ব ধৰিত্ৰী দিৱস পালন কৰা হয়। এই উপলক্ষে অন্যান্য কাৰ্যসূচীৰ লগতে পৰিৱেশ সম্পৰ্কীয় এখন মুকলি অনলাইন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰফিচিয়েণ্ট কেৰিয়াৰ কাউন্সেলিং, দেৰগাঁৱৰ সহযোগত জনপ্ৰিয় কুইজ গ্ৰুপ 'কুইটিভেল'ৰ প্ৰশাসক সঞ্জয় কুমাৰ হাজৰিকাই পৰিচালনা কৰা আৰু ব্যতিক্ৰমী প্ৰশ্নৰে যুগুত কৰা প্ৰতিযোগিতাত ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত চৰাইদেউ জিলাৰ বটামাৰিৰ ৰূপজ্যোতি শইকীয়া প্ৰথম, হাউলী বৰপেটাৰ ৰজিবুল আৱাল দ্বিতীয় আৰু গোলাঘাট জিলাৰ দেৰগাঁৱৰ অনুভূতি তামুলী তৃতীয় বিবেচিত হয়। আনহাতে, জেইলৰোড যোৰহাটৰ অভিস্পদ শইকীয়া আৰু ডিব্ৰুগড়ৰ মনীষৰাজ মিশ্ৰ যুটীয়াভাৱে চতুৰ্থ আৰু নাহৰজান গোলাঘাটৰ ফাৰহিজ আখটাৰে পঞ্চম স্থান লাভ কৰে। বিজয়ী প্ৰতিযোগীসকলে ৯৪৩৫২০৪০৪০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

### যাতায়াতৰ নামত অশেষ যাতনা ভুগিছে ৰাইজে

## তিনি বছৰে মেৰামতি নহ'ল বান বিধ্বস্ত পথ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৩ এপ্ৰিল ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ গড়ল-আজাৰা গাঁও পঞ্চায়ত সংযোগী আৰু গড়ল-কাঁহিকুছি গাঁও পঞ্চায়ত সংযোগী লোকনিৰ্মাণ বিভাগৰ বান বিধ্বস্ত দুটা পথ আজিও মেৰামতি নহ'ল। ফলত উক্ত পথ দুটাৰ অৱস্থা বিধ্বস্ত হৈছে। পথকেইটাৰ শোচনীয় অৱস্থাৰ বাবে ৰাইজ যাতায়াতৰ নামত অশেষ যাতনা ভুগিবলগীয়া হৈছে। উল্লেখ্য যে আজাৰা আৰু গড়ল গাঁও পঞ্চায়ত সংযোগী আজাৰা-মিৰ্জাপুৰ-গড়ললৈ যোৱা লোক নিৰ্মাণ বিভাগৰ পথটো তিনি বছৰমান পূৰ্বে ব্ৰহ্মপুত্ৰৰ বানত কে'বাদিনলৈ পানীৰ তলত আছিল। ফলত সমগ্ৰ পথটোৰে বিধ্বস্ত হৈ পৰে। পথটোৰ ওপৰৰ কাৰ্পেটিং এৰাই



যোৱাৰ উপৰি মাজে মাজে দ' গাঁতৰ সৃষ্টি হয়। ফলত উক্ত পথেৰে যান-বাহন চলাচল কৰাত যথেষ্ট অসুবিধাই দেখা দিছে। আনকি খোজ কাঢ়ি আহ-যাহ কৰিবলৈও সমস্যাৰ সৃষ্টি হৈছে। উল্লেখ্য যে উক্ত পথটোৰে মিৰ্জাপুৰ, লোৱাৰ মিৰ্জাপুৰ, ভক্তোবৰী, কুহাবৰী, গড়ল আদি কৰি বৃহত্তৰ অঞ্চলটোৰ অহা-যোৱা কৰে। আনহাতে গড়ল-কাঁহিকুছি গাঁও পঞ্চায়ত সংযোগী লোকনিৰ্মাণ বিভাগৰ এছ অ' এছ-মিৰ্জাপুৰ-এছ আই আৰ ডি সংযোগী পথটোৰ অৱস্থা তথৈবচ। উক্ত পথটোও বানপানীত বুৰ যোৱাৰ ফলত প্ৰায় দুশ মিটাৰ দৈৰ্ঘ্য একেবাৰে বিধ্বস্ত হৈ পৰিছে। উক্ত পথছোৱাৰ মাজে মাজে বৃহৎ বৃহৎ দ' গাঁতৰ সৃষ্টি হৈছে। ফলত চাৰিচকীয়া যান-বাহনৰ কথা বাদেই দুচকীয়া যান-বাহন চলাচল কৰাত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। উক্ত পথ দুটা অতি শীঘ্ৰে মেৰামতি কৰি যাতায়াতৰ বাবে সুচল কৰি তুলিবলৈ ৰাইজে দাবী জনাইছে।

# পুষ্টিহীনতা



**আজিকালি** প্ৰায়ভাগ লোকেই স্বাস্থ্য সচেতন। ইমান সচেতনতাৰ মাজতো পুষ্টিহীনতাত ভোগা লোকৰ সংখ্যা কম নহ'ব। যিবোৰ খাদ্য গ্ৰহণ কৰে সেইবোৰৰ পুষ্টি মূল্যহীন বুলি ক'লেও বেছি নহয়। পুষ্টিহীনতা হ'ল এক শাৰীৰিক সমস্যা। উপযুক্ত পৰিমাণে যদি প্ৰয়োজনীয় খাদ্য গ্ৰহণ কৰা নহয় তেতিয়াহ'লে শৰীৰত পুষ্টিৰ ভাৰসাম্য ৰক্ষা নহয়। শৰীৰৰ অংগ-প্ৰতংগসমূহে স্বাভাৱিক আৰু সঠিকৰূপত কাৰ্য-সম্পাদন কৰিবলৈ দৈনিক নিৰ্দিষ্ট পৰিমাণৰ পুষ্টিৰ প্ৰয়োজন। যেতিয়া প্ৰয়োজন অনুসৰি খাদ্য গ্ৰহণ কৰা হয় তেতিয়া পুষ্টিৰ অভাৱ নঘটে। ইয়াৰ বিপৰীতে যদি শৰীৰৰ বাবে অনুপযোগী, কম খাদ্য গ্ৰহণ, খাদ্য খোৱাত অসুবিধা, শাৰীৰিক মানসিক অৱস্থাৰ বাবে খাদ্য খাবলৈ মন নাযায় তেতিয়া পুষ্টিহীনতাই গা কৰি উঠাৰ আশংকা থাকে। অৰ্থাৎ শৰীৰত ভিটামিন, প্ৰ'টিন, খনিজ দ্ৰব্যৰ লগতে আন প্ৰয়োজনীয় উপাদানৰ অভাৱ হয়। এইবোৰৰ অভাৱ মানে বিপদ ঘনীভূত। পুষ্টিহীনতাৰ ফলত শাৰীৰিক ক্ৰিয়া-কলাপত ব্যাঘাত জন্মে। পুষ্টিহীনতাৰ ফলত সঘনাই অসুস্থতাৰ লগতে সংক্ৰমণ হোৱাৰ আশংকা থাকে। সেইবাবে সৰুতে যদি কোনোবা পুষ্টিহীনতাত ভোগে তেতিয়াহ'লে ভৱিষ্যতে কিছুমান সমস্যাই গা কৰি উঠিব পাৰে।

### ভিটামিন 'এ' ৰ অভাৱ হ'লে

সাধাৰণতে পুষ্টিহীনতাৰ অভাৱৰ অন্যতম কাৰণ হিচাপে ভিটামিনৰ অভাৱক গণ্য কৰা হয়। বিশ্বৰ প্ৰায়ভাগ দেশতে এইবিধ ভিটামিনৰ অভাৱৰ বাবে শিশুৰ বিকাশত ব্যাঘাত জন্মিছে। ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পায়। শিশুৰ স্বাভাৱিক বিকাশ নহয়। কুকুৰীকণা ৰোগ আদি হ'ব পাৰে।

ভিটামিনৰ অভাৱ হ'লে ছালখন শুষ্ক হ'বলৈ ধৰে। চকুৰ শুষ্কৰ সমস্যাৰো সৃষ্টি হ'ব পাৰে। এনে ধৰণৰ ভিটামিনৰ অভাৱত সন্তানহীনতাৰ সমস্যা হোৱাৰ আশংকা থাকে। ডিঙি আৰু বুকুৰ সংক্ৰমণ হয়। ঘাঁ আদি শুকাওতে পলম লাগে।



### পুষ্টিহীনতাৰ ফলত কি কি হয়

- সাধাৰণতে পুষ্টিহীনতাত ভোগাৰ ফলত খাদ্য খাবলৈ মন নাযায়।
- আনকি পানী খাবলৈও ইচ্ছা নজন্মে।
- এনেহ'লে ক্লান্তিবোধ হ'বলৈ ধৰে। তৎক্ষণাৎ বিৰক্তিয়ে গা কৰি উঠে।
- পুষ্টিহীনতাত ভোগা সকলৰ মনঃসংযোগৰ অভাৱ ঘটে।
- অনবৰতে ঠাণ্ডা অনুভৱ কৰে।
- বিষণ্ণতাই গা কৰি উঠিব পাৰে।
- এনে হোৱাৰ ফলত শৰীৰত চৰ্বি, কলা আৰু পেশীৰ হ্ৰাস হ'বলৈ ধৰে।
- ৰোগৰ পৰা উপশম লাভ কৰিবলৈ বেছি সময়ৰ প্ৰয়োজন হয়।
- অস্ত্ৰোপচাৰৰ পাছত জটিলতাৰ সৃষ্টি হ'ব পাৰে।
- কেতিয়াবা আক্ৰান্তজনৰ শ্বাস-প্ৰশ্বাসৰ সমস্যা হ'ব পাৰে।
- আলছাৰেটিভ কোলাইটিছ হয়।
- গেছ, এচিড আদি হ'বলৈ ধৰে বাবে দিনটোৰ প্ৰায়ভাগ সময়ে অস্বস্তিৰে অতিবাহিত কৰিবলগীয়া হয়।

### খনিজ লৱনৰ প্ৰয়োজন


সুস্থ শৰীৰৰ বাবে বিভিন্ন ধৰণৰ খনিজ লৱণৰ প্ৰয়োজন। খনিজ লৱণৰ প্ৰয়োজন সহজেই পূৰণ কৰিব পাৰি দৈনন্দিন খাদ্য তালিকাত অন্তৰ্ভুক্ত খাদ্য সম্ভাৰৰ জৰিয়তে। শৰীৰৰ ওজনৰ ০.০১ শতাংশ বিদ্যমান 'ষ্ট্ৰছ এলিমেণ্ট' সমূহ বিশেষকৈ এনজাইম হৰমন আৰু কোষকলাৰ অংশবিশেষ হোৱাৰ বাবে এইবোৰ তেনেই অপৰিহাৰ্য হিচাপে গণ্য কৰে। কম পৰিমাণৰ হ'লেও এইবোৰ অতি প্ৰয়োজনীয় বাবে ইয়াক পুষ্টিকৰ খাদ্য হিচাপে গণ্য কৰা হয়। হৃদযন্ত্ৰৰ পৰা আৰম্ভ কৰি কিডনী, ৰোগীৰ কাৰ্যকাৰিতা, আনকি মানসিক স্বাস্থ্য সঠিক ৰাখিবলৈও ধনৰ প্ৰয়োজন।

# বুকুৰ বিষ আৰু এচিডিটি



এচিডিটিৰ বাবে বুকুৰ বিষ হোৱাৰ বিষয়ে প্ৰায়ভাগে জ্ঞাত। সেইবাবে আজিকালি বুকুৰ বিষ আৰম্ভ হোৱাৰ পাছতেই এণ্টাচিড খোৱাৰ মানসিকতাই প্ৰায়ভাগ লোকৰ মনত গঢ় লৈ উঠিছে। এণ্টাচিড খাই সাময়িকভাৱে সমস্যাৰ সমাধান কৰিলেও পৰৱৰ্তী সময়ত ই পুনৰাই গা কৰি উঠা পৰিলক্ষিত হয়। চল্লিশোৰ্ধ্ব ব্যক্তিয়ে যেতিয়া বুকুৰ বিষ হোৱা বুলি কেৱল এণ্টাচিড খায়ে সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰে তেতিয়া পৰিণতি হিচাপে সময়ত ভয়াবহ হৈয়ো উঠে। যেতিয়া এচিডিটিৰ বাবে বুকুৰ বিষ হয় তেতিয়া বুকুৰ তলৰ অংশত চাপ অনুভৱ হয় অথবা পেটৰ যন্ত্ৰণাত ছটফটাই থাকিব লাগে। এই বিষৰ স্থায়িত্ব কম। উগাৰ আহিলে যেতিয়া বায়ু বাহিৰলৈ ওলায় তেতিয়া উপশম লাভ কৰে। অৱশ্যে বিষ যদি চল্লিশোৰ্ধ্ব ব্যক্তিৰ ক্ষেত্ৰত হঠাৎ নিশা অথবা ভাত খোৱা-বোৱাৰ পাছতে অনুভৱ হ'বলৈ ধৰে অথবা নিশা টোপনি ভাঙে আৰু বুকুৰ তলৰ অংশত চাপ অনুভৱ হ'বলৈ ধৰে তেতিয়াহ'লে বুকুৰ বিষৰ কাৰণ কেৱল গেষ্ট্ৰিক বুলি ভবাটো উচিত নহ'ব। গেষ্ট্ৰিক আলচাৰ, ডিঅ'ডেনেল আলচাৰ, ৰিফ্লেক্স ইছোফিজাইটিছ, গ'লব্লাডাৰ ষ্টোনৰ বাবেও বহু সময়ত পেটৰ ওপৰৰ অংশত বিষ আৰু বুকুৰ তলৰ অংশত বিষ অনুভৱ হ'ব পাৰে। যদিহে এচিডিটিৰ বাবে এনে হয় তেতিয়াহ'লে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি এণ্টাচিড বা আন ঔষধ খালেও ৰোগৰ পৰা উপশম লাভ কৰাটো সম্ভৱ। বুকুৰ বিষ হ'লে হৃদৰোগ বিশেষজ্ঞৰ পৰামৰ্শৰ প্ৰয়োজন হ'ব পাৰে যদিহে এয়া এচিডিটিৰ বাবে উদ্ভৱ হোৱা সমস্যা নহয় বুলি নিশ্চিত হয়।

# ডিঅ'ডেনাম আলচাৰ



ডিঅ'ডেনাম আলচাৰ হ'লে এচিডৰ ক্ষৰণ তুলনামূলকভাৱে বৃদ্ধি পায়। এচিড পেপ্‌ছিনে হজম কৰে। সহজ অৰ্থত শৰীৰে শৰীৰক হজম কৰা বুলি ক'ব পাৰি। এচিডে শৰীৰৰ কোনো অংশৰ ওপৰৰ স্তৰটোক হজম কৰে। খাদ্যনলীৰ একেবাৰে তলৰ অংশত আলচাৰ হ'ব পাৰে। ধূম্ৰপায়ীৰ এনে ধৰণৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে। ধূমপান কৰাৰ সময়ত খাদ্যনলীৰ তলৰ স্প্ৰিণ্টটো খোল খায়। সেইবাবে এচিডৰ ক্ষৰণ বেছি হয় আৰু অতিৰিক্ত এচিজি ওপৰলৈ উঠি আহে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি ধূম্ৰপায়ীসকলৰ কিমান ক্ষতি হোৱাৰ আশংকা থাকে।

ক্ষুদ্ৰান্ত্ৰৰ শেষ অংশত মেকেলছ নামৰ এটি অংশ থাকে। অৱশ্যে মাত্ৰ দুই শতাংশ লোকৰহে মেকেলছ থাকে। এনেলোকৰ মেকেলছতো পাকস্থলীৰ গেষ্ট্ৰিক টিছ্যু থাকে। এনে ধৰণৰ টিছ্যুৰে তাৰ এচিড ক্ষৰণ কৰি আলচাৰৰ সৃষ্টি কৰিব পাৰে।

# পেইনকিলাৰৰ কুফল



শৰীৰৰ যিকোনো বিষ নিবাৰণ কৰিব পাৰি পেইনকিলাৰ বা বিষ নিবাৰকৰ দ্বাৰা। এনে ধৰণৰ ঔষধ সহজলভ্য। সেয়েহে প্ৰায়ভাগে যিকোনো বিষ হ'লেও চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈয়ে পেইনকিলাৰ খায়। এয়া দৰাচলতে কু-অভ্যাস। যিসকলে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ পেইনকিলাৰ খায় তেওঁলোকৰ কিডনী আক্ৰান্ত হোৱাৰ আশংকা থাকে। এনে ধৰণৰ ঔষধত সাধাৰণতে ননষ্টেৰয়েডেল এণ্টিইনফ্লেমেটৰী, ফেনাছিণ্টিন, এছিষ্টোমিনাফেন, এছপিৰিণ আদি থাকে। নিয়মীয়াকৈ পেইনকিলাৰ খালে পাকস্থলীৰ ভিতৰৰ পাতল বাইকাৰ্বনেট স্তৰ যিয়ে অতিৰিক্ত এচিড নিঃসৰণ হোৱাৰ পৰা পাকস্থলীৰ পৰা নিঃসৰিত হাইড্ৰ'ক্ল'ৰিক এচিড আৰু পেপচিনে সেই আৱৰণখনৰ ক্ষতিসাধন কৰে। ইয়াৰ পৰা পাকস্থলীৰ বেৰৰ আৱৰণৰ ৰক্তনলী ক্ষতিগ্ৰস্ত হ'লে শৌচ কৰাৰ সময়ত শৌচৰ স'তে তেজ ওলায়। গৰ্ভৱতী মহিলা আৰু শিশুক পেইনকিলাৰ খাবলৈ দিয়াৰ আগতে চিকিৎসকে সকলো দিশ চালিজাৰি চোৱা উচিত। এওঁলোকৰ পাকস্থলীৰ বেৰিয়েল লেবেল বা বাইকাৰ্বোৰেটৰ স্তৰ বহু কম। এনে ধৰণৰ ঔষধ খাবলৈ পৰামৰ্শ দিয়াৰ আগতে ৰোগৰ প্ৰকৃতি, ৰোগীৰ বয়স, ৰোগীৰ অৱস্থাৰ বিষয়ে ভালদৰে জানি লোৱা উচিত।

# গেষ্ট্ৰো ইছোফেজিয়েল ৰিফ্লেক্স ডিজিজ



গেষ্ট্ৰো ইছোফেজিয়েল ৰিফ্লেক্স ডিজিজ বা 'গাৰ্ড' হ'ল এনে এবিধ অসুখ য'ত ইছোফেগাছ বা খাদ্যনলীৰ শেষভাগত যি অংশ পাকস্থলীৰ স'তে সংযোগ হৈছে তাত চাৰিওফালে থকা মাংসপেশীৰ বন্ধনী পৃথক হয়। সেইবাবে পাকস্থলীৰ পৰা এচিড, পিত্তৰস আদি খাদ্যনলীৰ ভিতৰত প্ৰৱেশ কৰে। এনে হোৱাৰ আঁৰত বহুতো কাৰণ থাকে। এইবোৰৰ ভিতৰত অন্যতম হ'ল পেট পূৰাই খোৱা খাদ্যৰ ভিতৰত যদিহে চৰ্বি জাতীয় খাদ্যৰ লগতে ঘিউ, তেল আদি বেছি পৰিমাণে গ্ৰহণ কৰে। শুই থাকিলেও অথবা তলমুৰাকৈ বস্তু আদি দাঙিলে হোৱাৰ আশংকা থাকে। যিসকলে চিগাৰেট, জৰ্দা আদি বেছি খায়, তেওঁলোকৰো হ'ব পাৰে। অত্যধিক মদ্যপান কৰাৰ ফলত অৱস্থাৰ অৱনতি ঘটিলেও হয়। ইয়াৰ উপৰি কেতিয়াবা কোনো বিশেষ কাৰণ নোহোৱাকৈয়ে পাকস্থলীৰ ৰস খাদ্যনলীলৈ উঠি আহে। বেছিকৈ চাহ, কফি, মছলাযুক্ত খাদ্য গ্ৰহণ কৰিলেও হোৱা দেখা যায়। খাদ্যনলী আৰু পাকস্থলীৰ সংযোগ স্থলত যি মাংসপেশীয়ে খাদ্যনলীৰ তলৰ অংশটো আগুৰি ৰাখে সেইখিনি মাংসপেশী যদি দুৰ্বল হয় অথবা ঢিলা হয় তেতিয়া পাকস্থলীৰ ৰস খাদ্যনলীৰ ভিতৰত প্ৰৱেশ কৰি সৃষ্টি কৰে 'গাৰ্ড'ৰ। এনে ৰিফ্লেক্স বা পাকস্থলীৰ ৰস খাদ্যনলীত প্ৰৱেশৰ প্ৰৱণতা বৃদ্ধি পাই যদিহে পাকস্থলীৰ ভিতৰৰ অথবা বাহিৰৰ চাপ অতিৰিক্তভাৱে বৃদ্ধি হ'বলৈ আৰম্ভ কৰে। এনে ৰিফ্লেক্স হোৱাৰ বাবে হায়াৰ্টাছ হাৰ্ণিয়া, অত্যধিক ওজন বা মেদবহুলতা, গৰ্ভাৱস্থা, নিশা পলমকৈ আহাৰ গ্ৰহণ কৰা, কিছুমান বিশেষ খাদ্য যেনে— চক'লেট, কফি অথবা ফলৰ ৰস, গুটখা আদি দায়ী।

যদিহে পাকস্থলীৰ ৰস সঘনাই ওপৰলৈ উঠি থাকে তেতিয়াহ'লে ইয়াৰ ফলত শাৰীৰিক-মানসিকভাৱে সমানেই অস্বস্তিৰ অনুভৱ কৰিবলগীয়া হয়। সঘনাই উঠি অহা বাবে খাদ্যনলীত প্ৰদাহ অথবা ইছোফেজাইটিছৰ ক্ষত বা আলচাৰ হ'বলৈ আৰম্ভ কৰে। যদিহে প্ৰদাহ দীৰ্ঘ সময়ৰ বাবে হয় তেতিয়া খাদ্যনলীৰ তলৰ অংশ সৰু হ'বলৈ ধৰে। ইয়াৰ ফলত খাদ্য অসুবিধা হয় আৰু জটিল সমস্যাৰ সৃষ্টি কৰে। খাদ্যনলীত আলচাৰ হ'লে ৰক্তক্ষৰণ হোৱাৰ আশংকা বৃদ্ধি পায় আৰু সেইবাবে এনিমিয়া বা ৰক্তাল্পতা হয়। যেতিয়া প্ৰদাহৰ হাৰ বৃদ্ধি পায় তেতিয়া খাদ্যনলীৰ আৱৰণীয় পৰিৱৰ্তন হ'বলৈয়ো আৰম্ভ কৰে। সেইবাবে ৰক্তক্ষৰণ হোৱাৰ লগতে তলৰ অংশ সৰু হ'বলৈ ধৰে বাবে কেন্সাৰ হোৱাৰ আশংকাও বৃদ্ধি পায়।

**হাইপাৰ এচিডিটি আৰু হেলিকোবেক্টৰ পাইলেৰী**

হাইপাৰ এচিডিটিৰ যিবোৰ কাৰণ আছে সেইবোৰৰ ভিতৰত অন্যতম হ'ল হেলিকোবেক্টৰ পাইলেৰী নামৰ বীজাণুবিধ। হেলিকোবেক্টৰ পাইলেৰীয়ে এচিড পেপ্‌টিক ডিছঅৰ্ডাৰৰ সৃষ্টি কৰে। কিছুমান দেশত ইয়াৰ প্ৰকোপ মন কৰিবলগীয়া। ভাৰততো ইয়াৰ প্ৰকোপ ব্যতিক্ৰম বুলি ক'ব নোৱাৰি। ইংলণ্ডৰ 50 শতাংশ লোকৰ শৰীৰত এইবিধ বীজাণুৰ উপস্থিতি ধৰা পৰিছে। এনে হ'লে সঘনাই উগাৰ আহে।

# ছানষ্ট্ৰোক

বিশ্বায়নৰ লগে লগে পৃথিৱীৰ তাপমাত্ৰা বৃদ্ধি পাইছে। ইয়াৰ আঁৰত কাৰণ যিয়ে নাথাকক কিয় প্ৰত্যক্ষ-পৰোক্ষ প্ৰভাৱ পৰিছে মানুহৰ ওপৰত। উত্তাপ বৃদ্ধিৰ বাবে গ্ৰীষ্মৰ সময়ত স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰতো প্ৰত্যাহ্বান আহি পৰিছে। প্ৰচণ্ড শীতত হাড় কঁপোৱাৰ দৰে গ্ৰীষ্মতো প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহৰ বাবে শাৰীৰিক ভাৰসাম্য ৰক্ষা কৰাটো প্ৰায়ভাগ লোকৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সাধাৰণতে প্ৰখৰ ৰ'দত দীৰ্ঘসময় কাম কৰাৰ ফলত ভাগৰ অনুভৱ হয়। আনকি কিছুমান মূৰ্চ্ছা যায়। গছৰ ছাঁ আদিত জিৰণি লোৱাৰ লগতে নেমুৰ চৰ্বত আদি খুওৱাৰ পাছত পুনৰ আগৰ অৱস্থালৈ ঘূৰি আহে। অৱশ্যে কেতিয়াবা এনে অৱস্থাই জটিল ৰূপ ধাৰণ কৰিলে আনকি মৃত্যু পৰ্যন্ত হ'ব পাৰে। গ্ৰীষ্ম প্ৰৱাহৰ বাবে হোৱা তথা গ্ৰীষ্মৰ আতংক হ'ল ছানষ্ট্ৰোক। বিগত কিছু বছৰৰ পৰা ছানষ্ট্ৰোকত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ বিভিন্ন কাৰণ আছে। তদুপৰি এনে সমস্যাৰ পৰা হাত সাৰিবলৈ যিবোৰ সাৱধানতা অৱলম্বন কৰিব লাগে সেই বিষয়ে গুৰুত্ব আৰোপ নকৰা বাবে এনে ধৰণৰ সমস্যাই গা কৰি উঠিবলৈ ধৰিছে। ছানষ্ট্ৰোক'ক 'হিটষ্ট্ৰোক বুলিও কোৱা হয়।

**হিটষ্ট্ৰোক**

হিট কেম্পছ, হিট এক্সাশ্চন আৰু হিট দিনজোৰা পৰ্যায় অতিক্ৰম কৰাৰ পাছত যি পৰ্যায়ৰ সৃষ্টি হয় সেয়া হ'ল হিট ষ্ট্ৰোক। যদিহে হিটষ্ট্ৰোকেও আক্ৰান্ত হোৱাৰ লগে লগে ছাঁ অথবা ঠাণ্ডা ঠাইত ৰখা নহয় নতুবা যিকোনো প্ৰকাৰে শীতল কৰিব নোৱাৰিলে আক্ৰান্তজনৰ মৃত্যু মুখত পৰাৰো আশংকা থাকে। হিট ষ্ট্ৰোকত আক্ৰান্ত হ'লে ইয়াৰ প্ৰভাৱ মস্তিষ্কৰ লগতে শৰীৰৰ আন গুৰুত্বপূৰ্ণ অংগ-প্ৰত্যংগতো পৰাৰ আশংকা থাকে। যদিও বয়স্ক লোকৰ এনে সমস্যা হোৱাৰ আশংকা থাকে তথাপি এথলীট আদিৰ কম বয়সতো হ'ব পাৰে। এনে অৱস্থাৰ সৃষ্টি এবাৰ ৰ'দত ওলালেই নহয়। দীৰ্ঘসময় ধৰি ৰ'দত কাম কৰি থাকিলে উষ্ণতা অস্বাভাৱিকভাৱে বৃদ্ধি পালে হয়। ডিহাইড্ৰেচন বা জলশূন্যতা হ'লে শৰীৰে উষ্ণতা বা উত্তাপ নিয়ন্ত্ৰণ কৰিব নোৱাৰা হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে প্ৰত্যেকৰে শৰীৰত উষ্ণতা নিয়ন্ত্ৰণৰ এক প্ৰক্ৰিয়া আছে। যেতিয়া পৰিৱেশৰ উত্তাপ বৃদ্ধি হৈ উষ্ণতা একেবাৰে বৃদ্ধি পায় তেতিয়া হিটষ্ট্ৰোক হোৱাৰ আশংকা বৃদ্ধি পায়। আনকি উষ্ণতা বেছি হ'লে ইয়াৰ প্ৰভাৱ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ওপৰতো পৰে। হিটষ্ট্ৰোকৰ কিছুমান বিশেষ লক্ষণ আছে আৰু এইবোৰ উল্লেখ কৰা হ'ল—

- □ আক্ৰান্ত লোকজনৰ প্ৰচণ্ড মূৰৰ বিষ হয়।
- □ এনে হ'লে মূৰটো পাতল পাতল অনুভৱ হ'বলৈ ধৰে।
- □ আচন্দ্ৰোৱা এই সমস্যাৰ অন্যতম লক্ষণ।
- □ প্ৰচণ্ড উত্তাপৰ পাছতো শৰীৰৰ পৰা কম পৰিমাণেহে ঘাম ওলায়।
- □ আক্ৰান্ত ব্যক্তিৰ ছালখন শুষ্ক হোৱাৰ উপৰি ৰঙা আৰু গৰম হয়।
- □ পেশী দুৰ্বল হোৱাৰ লগতে টানি ধৰাৰ দৰে হয়।
- □ এনে হ'লে ওকালিভাব বা বমি হ'ব পাৰে।
- □ হৃদস্পন্দন দ্ৰুত অথবা দুৰ্বল হ'ব পাৰে।
- □ হিটষ্ট্ৰোক হোৱা ব্যক্তিৰ মনঃসংযোগত ব্যাঘাত জন্মে। কথোপকথন হওতে লাগি ধৰিব পাৰে।
- □ মূৰ্চ্ছা যোৱাৰ দৰেও হোৱাৰ আশংকা থাকে।
- □ অচেতন বা অজ্ঞান হ'ব পাৰে যদিহে হিটষ্ট্ৰোকত আক্ৰান্ত হয়।

**কেনেদৰে হাত সাৰিব পাৰি**


সাধাৰণতে যিসকল লোকে ৰ'দত কমকৈ ঘূৰা-ফুৰা কৰে অথবা কাচিৎহে ৰ'দত ওলায় তেওঁলোকৰ এনে সমস্যাই সহজে গা কৰি উঠে। সেইবাবে সদায় ৰ'দত অলপ সময় হ'লেও কাম কৰাৰ অভ্যাস গঢ়ি তুলিব লাগে।



- □ ৰ'দত ওলাই যোৱাৰ পূৰ্বে যদিহে সম্ভৱ হয় এগিলাছ নেমুৰ চৰবত খাব লাগে। কাৰণ নেমুত থকা বিভিন্ন উপাদনে শৰীৰটোক জলশূন্যতাৰ সমস্যাৰ পৰা হাত সৰাত সহায় কৰিব। নেমুৰ ৰসত নিমখ আৰু চেনি মিহলাই খালে বেছি সুফল পোৱা যায়।
- □ ঘৰৰ বাহিৰলৈ যাওঁতে ছাতি ব্যৱহাৰ কৰা উচিত। কাৰণ ছাতি ব্যৱহাৰ কৰিলে পোনপটীয়াকৈ সূৰ্যৰ ৰশ্মি ছালখনত নপৰিব।
- □ গৰমৰ সময়ত প্ৰচুৰ পৰিমাণে বিশুদ্ধ পানী সেৱন কৰিব লাগে। য'তে ত'তে পানী খোৱাৰ অভ্যাস ত্যাগ কৰিব লাগিব। কাৰণ বাহিৰত অপৰিষ্কাৰ পানী খালে হেপাটাইটিছ 'এ' আৰু 'ই' হোৱাৰ আশংকা থাকে।
- □ যদিহে সম্ভৱ হয় তৰমুজ, আনাৰস আদি নিয়মীয়াকৈ খাব লাগে। এইবোৰ ফলে ৰোগ প্ৰতিৰোধ কৰাৰ লগতে শৰীৰত পানীৰ অভাৱো পূৰণ কৰে। মনত ৰাখিব শৰীৰত পানীৰ অভাৱ মানেই বিপদ অৱশ্যম্ভাৱী।
- □ গৰম দিনত কপাহী কাপোৰ পিন্ধিলেও এনে সমস্যাৰ পৰা হাত সাৰিব পাৰি।
- □ আক্ৰান্ত ব্যক্তিক যিকোনো উপায়েৰে মুকলি শীতল ঠাইলৈ নিব লাগে।
- □ আক্ৰান্ত হোৱাৰ লগে লগে গাৰ কাপোৰ খুলি দিব লাগে। বিশেষকৈ বুকুৰ বুটাম আদি খুলি দিলে আৰাম অনুভৱ কৰিব।
- □ হিটষ্ট্ৰোক আদি হোৱাৰ লগে লগে মূৰত ঠাণ্ডাপানী আৰু কপালত জলপতি দিব পাৰে।
- □ শৰীৰৰ উত্তাপ বৃদ্ধি পালে গামোচা বা টাৱেল ঠাণ্ডা পানীত তিয়াই লৈ চেপি লোৱাৰ পাছত ডিঙিৰ পাছফালে কিছুসময় ৰাখিব লাগে। তদুপৰি তিতা গামোচাৰে মুখখন মচি থাকিলেও আৰাম অনুভৱ কৰিব।
- □ গৰমৰ দিনত টুপী পিন্ধা অথবা অতিৰিক্ত কাপোৰ পিন্ধাৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।
- □ আক্ৰান্ত লোকজনক সঘনাই অ' আৰ এছ খাব দিব লাগে। তেতিয়া পানীৰ লগতে খনিজ পদাৰ্থ আদিৰ অভাৱ নহ'ব।
- □ গৰমত বেছিকৈ ব্যায়াম কৰাৰ পূৰ্বে বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।
- □ গৰমৰ দিনত যিমান সম্ভৱ সিমানে ঘৰৰ দুৱাৰ-খিৰিকী আদি খোলা ৰাখিব লাগে। বন্ধ কোঠাত গৰম হোৱাৰ লগতে ঘৰৰ ভিতৰৰ বায়ু দূষিত হয়। দুৱাৰ খিৰিকী খোলা থাকিলে ভিতৰৰ দূষিত বায়ু বাহিৰলৈ ওলাই বাহিৰৰ সতেজ বিশুদ্ধ বায়ু প্ৰৱেশ কৰিব।

# কিদৰে স্তনপান কৰাব ?

ড° অৰুণজ্যোতি দত্ত



**আমাৰ** দেশ ভাৰতবৰ্ষত শিশুৰ বাবে মাতৃদুগ্ধ খুবেই প্ৰয়োজনীয় খাদ্য, কিন্তু ছমাহ বয়সলৈকে কেৱল মাতৃদুগ্ধ খুওৱাতো আৰু সঠিক সময়ত অতিৰিক্ত খাদ্য খুওৱাৰ প্ৰথাটো সন্তোষজনক নহয়। ইয়াৰ মূল কাৰণটো হৈছে ভিন্ন ভিন্ন ৰীতি-নীতি আৰু পৰম্পৰাগত নিয়ম অনুসৰি কৰা খাদ্য অভ্যাস। অৱশ্যে আন ৰাজ্যৰ তুলনাত অসমত ই কিছু উন্নত। National Family Health Survey IIIৰ অনুযায়ী প্ৰায়বিলাক মাতৃয়ে শিশুক ছমাহ বয়সলৈকে কেৱল স্তনপান কৰোৱা দেখা নাযায় আৰু শিশুক নিৰ্দিষ্ট সময়তকৈ সোনকালে পানীৰ লগতে গৰু গাখীৰ আৰু অন্যান্য কৃত্ৰিম গাখীৰ খুওৱা আৰম্ভ কৰা দেখা যায়। ইয়াৰ লগতে গাখীৰ খুওৱাবৰ বাবে বিভিন্ন ধৰণৰ বটল ব্যৱহাৰ কৰা দেখা যায়। সেই কাৰণে শিশু খাদ্য প্ৰথা আৰু প্ৰদানৰ বিষয়ে কেৱল মাকেই নহয় পৰিয়ালৰ প্ৰত্যেকগৰাকী ব্যক্তিয়েই অৱগত হোৱাতো আৱশ্যক। মাতৃদুগ্ধৰ ওপৰত জ্ঞান আৰু ইয়াৰ উপকাৰিতাৰ বিষয়ে শিক্ষা আৰু প্ৰেৰণা এই সকলোবিলাকে সহায় কৰে সঠিক মাতৃদুগ্ধপান সফল হোৱাৰ বাবে। মাতৃদুগ্ধপান সফল হোৱাৰ বাবে স্তনপানৰ সময় মাতৃসকলে ল'বলগীয়া কিছু সাৱধানতা এনেধৰণৰ—

১। স্তনপান কৰাবলৈ লোৱাৰ আগতে শিশুৰ মূৰ, ডিঙি আৰু পিঠি সমান কৰি কোলাত লৈ থুঁতৰিটো অলপ ওপৰলৈ উঠাই থাকে নিজেও সুবিধাজনকভাৱে বহি বা শুই ল'ব লাগে।

২। শিশুক ভালদৰে কোলাত ল'ব লাগে যাতে মাকৰ স্তনৰ ক'লা অংশ সম্পূৰ্ণৰূপে শিশুৰ মুখৰ ভিতৰত সোমাই যায় আৰু তেনে কৰিলে শিশুৱে গাখীৰ যথেষ্ট পৰিমাণে চুহি ল'ব পাৰে। এই সময়ছোৱাত শিশুৰ নাকটো যাতে মাকৰ স্তনত লাগি নাথাকে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। আৰু গাখীৰ খাওতে শিশুটোৱে উশাহ নিশাহ ভালদৰে লৈ থাকিব পাৰে।

৩। স্তনপানৰ সময় মাক আৰু শিশুৰ দুয়োৰে দেহ যাতে লগ লাগি থাকে আৰু মাকে শিশুক চাই থকাটো খুবেই দৰকাৰ।

৪। এটা স্তনত স্তনপান ৫-১০ মিনিট কৰাইহে আনটো স্তনত স্তনপান কৰাব লাগে।

৫। শিশুৱে যেতিয়া স্তনপান কৰিব বিচাৰে তেতিয়াই কৰোৱাব লাগে।

শিশুৰ ছমাহ বয়সৰ হোৱাৰ পাছত মাতৃদুগ্ধপানৰ লগতে অতিৰিক্ত খাদ্য সূচনাৰ অনুমোদনসমূহ হৈছে—

১। অতিৰিক্ত খাদ্যৰ অৰ্ধজুলীয়া, গাঢ় জুলীয়া আৰু গোটা এইটো ক্ৰমত হ'ব লাগে।

২। অতিৰিক্ত খাদ্য সূচনাৰ সময়ত নতুনকৈ আৰম্ভ কৰা আহাৰ দিনত এবাৰেই খুৱাব লাগে। এবিধ খাদ্য কমেও ৭-১০ দিন দিয়াৰ পাছতহে সলাব লাগে। (প্ৰথমে দিয়া আহাৰবিধ সদায় কম মাত্ৰাত দিব লাগে।)

৩। সাতমহীয়া শিশুক দিনে তিনিবাৰকৈ খাদ্য আৰু এবছৰলৈকে দিনত কম পৰিমাণত পাঁচ বাৰকৈ দিব লাগে।

৪। আৰম্ভণিতে শিশুক কেইচামুচমানেৰে আৰম্ভ কৰি লাহে লাহে সাতৰ পৰা ন মাহৰ ভিতৰত ইয়াৰ পৰিমাণ বঢ়াই যাব লাগে আৰু শিশুটোক আহাৰ খোৱাৰ বাবে উৎসাহিত কৰিব লাগে।

৫। অসুখ হৈ থকাৰ সময়ত বা পাছত স্তনপান বেছিকৈ কৰাব লাগে আৰু অতিৰিক্ত আহাৰও খোৱাব লাগে যাতে শৰীৰৰ ওজন কমি নাযায়।

৬। আহাৰবিধ শিশুক দিয়াৰ সময়ত চাব লাগে যাতে শিশুটোৱে আহাৰবিধ গ্ৰহণ কৰিব পাৰিছে নে নাই? শিশুটোৱে যাতে আহাৰৰ সোৱাদটো ল'ব পাৰে সেইটো লক্ষ্য কৰিব লাগে, তাৰ উপৰি কিবা এলাৰ্জিক পৰিঘটনা ঘটিছে নেকি সেইটোও মন কৰিব লাগে।

৭। এবছৰ বয়সৰ পৰা শিশুক নিজেই খাবলৈ শিকাব লাগে।

**স্তনপান নকৰা শিশুৰ অনুমোদন ঃ**

স্তনপান নকৰা শিশুৱে পোৱা উচিত অতিৰিক্ত পৰিষ্কাৰ পানী (২-৩ কাপ ঠাণ্ডা কালীত আৰু ৪-৬ কাপ গৰম কালীত)

গাখীৰ ১-২ কাপ প্ৰতিদিনে।

প্ৰ'টিনযুক্ত খাদ্য যেনে মাহজাতীয় খাদ্য, কণী, মাংস, শাক-পাচলি আদি বেছি পৰিমাণে দিব লাগে কাৰণ ই মাংসপেশী বৃদ্ধিত সহায় কৰে।

# কেনেকৈ ধৰি ৰাখিব যৌৱন

প্ৰতিগৰাকী ব্যক্তিয়ে যৌৱন ধৰি ৰাখিব খোজে। কাৰণ যৌৱন গ'লে নাহে উভতি। মানুহে প্ৰশান্ত মহাসাগৰৰ বুকুত মাণিক বিচাৰি অতল গভীৰতালৈ ডুব মাৰি সফল হৈছে। সুউচ্চ হিমালয়ৰ শৃংগত অক্সিজেন অবিহনেই খোজ পেলাইছে। দুৰাৰোগ্য ব্যাধিৰ বিৰুদ্ধে যুঁজ দিবলৈ সক্ষম হৈছে; কিন্তু বাৰ্ধক্য প্ৰতিৰোধ কৰিব পাৰিছে জানো? মৃত্যু যিদৰে কাৰো নিয়ন্ত্ৰণত নাই, তেনেদৰে বয়সৰ গতি বাধা দিব পৰাও একপ্ৰকাৰ প্ৰত্যাহ্বান। অৱশ্যে বিভিন্ন গৱেষণাৰ জৰিয়তে গৱেষকসকলে বয়সৰ গতি মন্থৰ কৰাৰ কিছু তথ্য লাভ কৰিবলৈ সক্ষম হৈছে। বিশেষজ্ঞৰ মতে, যদিও বাৰ্ধক্য প্ৰতিৰোধ কৰাতো সম্ভৱ নহয় তথাপি মানৱ জীৱনলৈ ইয়াৰ আগমনৰ গতি মন্থৰ কৰিব পাৰি। অৰ্থাৎ এগৰাকী ব্যক্তিৰ যদি ৬০ বছৰৰ পৰা বাৰ্ধক্য আৰম্ভ হ'লহেঁতেন, তেওঁ যদি শৈশৱৰে পৰাই কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰে তেতিয়াহ'লে বাৰ্ধক্যৰ আগমন হ'ব ৭০ বছৰত। অৰ্থাৎ ১০ বছৰ পাছতহে তেওঁৰ বাৰ্ধক্য আৰম্ভ হ'ব। কোনো লোকেই সোনকালে বাৰ্ধক্যৰ আগমন হোৱাটো নিবিচাৰে। কোনো ঔষধে বাৰ্ধক্যৰ গতি মন্থৰ কৰিব নোৱাৰে, পাৰে মাথোন দৈনন্দিন খাদ্য তালিকাত অন্তৰ্ভুক্ত খাদ্য সম্ভাৰে। সাধাৰণতে দৈনন্দিন খাদ্য তালিকা প্ৰস্তুত কৰোতে যদি কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰে তেতিয়াহ'লে এনে সমস্যাৰ পৰা হাত সাৰিব পাৰে।

**বিটা কেৰোটিন খাওক**

বিটা কেৰোটিন সাধাৰণতে গাজৰ, পালেং, ৰঙালাউ, চয়াবিন, বিন, ৰঙা আলু, মটৰ, কেপছিকাম, ধনিয়াৰ পাত, পদিনা, চজিনা, মূলা আদিত প্ৰচুৰ পৰিমাণে পোৱা যায়। ইয়াত থকা বিটা কেৰোটিনজাতীয় লিপিড ছলিবল শক্তিশালী এণ্টিঅক্সিডেণ্ট। এনেধৰণৰ বিটা কেৰোটিন ছিংলেট অক্সিজেন টাইপৰ ভয়াৱহ ফ্ৰীৰেডিকেল নিয়ন্ত্ৰণত বিশেষ ভূমিকা গ্ৰহণ কৰে। সেয়েহে উল্লিখিত শাক-পাচলি খাদ্য তালিকাত নিয়মীয়াকৈ অন্তৰ্ভুক্ত কৰা উচিত। এনেধৰণৰ শাক-পাচলি পাবলৈ বেছি কষ্টও কৰিবলগীয়া নহয়।

**আলফা কেৰোটিন**

আপেল, গাজৰ, বন্ধা কবি, কোমোৰা আদিত আলফা কেৰোটিন পোৱা যায়। এনেধৰণৰ খাদ্য নিয়মীয়াকৈ খালে বহুতো সমস্যাৰ পৰা হাত সাৰিব পাৰি।

**বিটা ক্ৰিপ্টোজেনথিন**

পকা আম, কমলাটেঙা, পকা অমিতা, নেমু, কেঁচা জলকীয়া আদিত থকা বিটা ক্ৰিপ্টোলিন হ'ল এণ্টিঅক্সিডেণ্টছ। এইবোৰ ফলমূল বতৰত পালেও আজিকালি আবতৰতো পোৱা যায়। সেইবাবে এনে খাদ্য গ্ৰহণত কৃপণালি কৰিব নালাগে।

**লাইকোপিন**

তৰমুজ, বিলাহী, মধুৰীআম আদিত লাইকোপিন নামৰ এণ্টিঅক্সিডেণ্টবিধে বিভিন্ন ধৰণৰ ৰোগ প্ৰতিৰোধ কৰে। বিশেষকৈ কৰ্কট ৰোগ প্ৰতিৰোধত বিশেষ ভূমিকা গ্ৰহণ কৰে বুলি বিশেষজ্ঞসকলে মতপোষণ কৰিছে।

**লিউটেন**

ক'লা জাম আদিত এনেধৰণৰ এণ্টিঅক্সিডেণ্ট প্ৰচুৰ পৰিমাণে পোৱা যায়।

ওপৰত উল্লেখ কৰা কেৰোটিনয়েড ফেটছলিবেল আৰু ৰান্ধিলে ইয়াৰ গুণাগুণ নষ্ট নহয়। ৰান্ধিলে গুণাগুণ নষ্ট হোৱাৰ পৰিৱৰ্তে বায়োএভেলিবিটিহে বৃদ্ধি পায়। এটা উদাহৰণ দিলেই বিষয়টো স্পষ্ট হৈ পৰিব। কেঁচা বিলাহীতকৈ বিলাহীৰ আচাৰ বা চালাড অথবা চ্যুপ খালেও যিদৰে উপকাৰ পোৱা যায়, তেনেদৰে কেৰোটিনয়েডৰ শোষণৰ মাত্ৰা প্ৰায় পাঁচগুণ বৃদ্ধি পায়। সেইবাবে যদিহে চালাডৰ চবজি সামান্য সিজাই খালে যি উপকাৰ পোৱা যায় তেনেদৰে 'ছিষ্টোছাৰকোছিছ'জাতীয় অসুখৰ আশংকাও যথেষ্টখিনি হ্ৰাস পায়। একেদৰে চালাডত ভাৰ্জিন অলিভ অয়ল ব্যৱহাৰ কৰিলেও এণ্টিঅক্সিডেণ্টৰ শোষণৰ পৰিমাণ বৃদ্ধি পায়।



**ভিটামিন 'চি'ৰ ভূমিকা**

আমি দৈনন্দিন খাদ্য তালিকাত যিবোৰ খাদ্য অন্তৰ্ভুক্ত কৰো তাৰ প্ৰায়ভাগতে কম-বেছি পৰিমাণে এইবিধ ভিটামিন পোৱা যায়। সেইবাবে যদিহে দৈনন্দিন খাদ্য তালিকাত এনে খাদ্য অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব দিয়া হয় তেতিয়াহ'লে কাৰোৱে সমস্যাৰ সৃষ্টি নহ'ব। এইবিধ ভিটামিন যিবোৰ খাদ্যত প্ৰচুৰ পৰিমাণে পোৱা যায় সেইবোৰৰ ভিতৰত অন্যতম হ'ল কেঁচা জলকীয়া, আমলখি, মধুৰীআম, ধনিয়া পাত, কেপছিকাম, কমলাটেঙা, মৌচুমী, ব্ৰক'লি, আলু, মটৰ, বিভিন্ন ধৰণৰ শাক-পাচলি আদি। এনেধৰণৰ ফলমূল, শাক-পাচলি নিয়মীয়াকৈ খালে কোষৰ জাৰণৰ ফলত হোৱা ধ্বংস বা ক্ষতি প্ৰতিহত কৰিব পাৰি। ভিটামিন 'চি'ৰ এণ্টিঅক্সিডেণ্টযুক্ত গুণৰ বাবে এইবিধ ভিটামিন খালে বহুতো ৰোগ প্ৰতিৰোধ কৰাতো সম্ভৱ। এগৰাকী সুস্থ লোকক নিতৌ ৬০-৮০ মিলিগ্ৰাম ভিটামিন 'চি'ৰ প্ৰয়োজন। এই পৰিমাণৰ ভিটামিন দৈনন্দিন খাদ্যৰ পৰাই লাভ কৰিব পাৰি।

**ভিটামিন 'ই'**

এণ্টিঅক্সিডেণ্টৰ অন্যতম উৎস হ'ল ভিটামিন 'ই'। ভিটামিন 'ই' বা টোকোফেৰল যিবোৰ খাদ্যত পোৱা যায় সেইবোৰৰ ভিতৰত অন্যতম হ'ল বিভিন্ন ধৰণৰ উদ্ভিজ তেল, চয়াবিন, বাদাম, সামুদ্ৰিক মাছ, বীন, দাইল আদি। তদুপৰি অংকুৰিত গমতো পোৱা যায়। এইবিধ ভিটামিনে তেজত পাৰক্সিহাইড্ৰক্সিল, ছুপাৰ অক্সাইড আৰু ছিংগলেট অক্সিজেনৰ দৰে বহুতো ফ্ৰীৰেডিকেলৰ পৰিমাণ হ্ৰাস কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে। যদিহে এনেধৰণৰ ফ্ৰীৰেডিকেল ধ্বংস বা প্ৰতিৰোধ কৰাতো সম্ভৱ হয় তেন্তে যৌৱন ধৰি ৰখাত সহায় হয়। সেইবাবেই এইবিধ ভিটামিনক কোৱা হয় 'যৌৱন ভিটামিন'। যেতিয়া শৰীৰত ভিটামিন 'ই'ৰ অভাৱ ঘটে তেতিয়া ছালখন কোঁচ খায়, ক'লা বৰণৰ দৰে হয়, ব্ৰুণ ওলায়। এলাহে গা কৰি উঠে। এইবিধ ভিটামিনে ছেলেনিয়ামৰ পৰিপূৰক হিচাপেও কাৰ্য সম্পাদন কৰে।

অসম দাপোণ
দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৪ এপ্ৰিল, দেওবাৰ, ২০২২ পৃষ্ঠা ১২

## মিচিং ভাষাৰ ছমহীয়া পাঠ্যক্ৰমৰ প্ৰমাণপত্ৰ, পৰীক্ষাৰ তাৰিখ সলনি

অগ্ৰদূত বাৰ্তা


**লখিমপুৰ, ২৩ এপ্ৰিল ঃ** মিচিং ভাষাৰ ছমহীয়া পাঠ্যক্ৰমৰ প্ৰমাণপত্ৰ পৰীক্ষা অহা ১৫ মে'ত অনুষ্ঠিতৰ কথা আছিল যদিও বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষালৈ লক্ষ্য ৰাখি অহা ২২ মে'ত অনুষ্ঠিত হ'ব। এই কথা সংবাদমেল যোগে সদৰী কৰে মিচিং আগম কৌবাঙৰ কেন্দ্ৰীয় সমিতিৰ কেন্দ্ৰীয় পৰীক্ষা নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য সচিব ড° সুৰজিৎ দলেৰে। ১২ খন জিলাত ৭৫ টা কেন্দ্ৰত এই পৰীক্ষাসমূহত ১৮ হেজাৰ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব।

## অভিযোগ দিলেও কাণসাৰ নাই এপিডিচিএলৰ নলবাৰী সংমণ্ডলৰ

### সানেকুছিত বোকাপানীৰ মাজত ট্ৰেন্সফৰ্মাৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৩ এপ্ৰিল ঃ** ইটোৰ পাছত সিটো অভিযোগৰ যেন অন্ত নাই এ পি ডি চি এলৰ বিৰুদ্ধে ভুক্তভোগী ৰাইজৰ। ৰাইজে অভিযোগ দিলেও কাণসাৰে নকৰে কোম্পানীটোৰ বিয়াগোম বিষয়া-কৰ্মচাৰীয়ে। এইবাৰ স্থানীয় বিধায়কে লিখি দিয়াৰ পাছতো বিষয়টোৰ ওপৰত গুৰুত্বই নিদিয়াৰ অভিযোগ ভুক্তভোগী ৰাইজৰ। উল্লেখ্য যে কোম্পানীটোৰ নলবাৰী দুই নম্বৰ উপ-সংমণ্ডলৰ অধীনস্থ বাহাৰঘাট শিবিৰৰ অন্তৰ্গত সানেকুছি চ'কৰ কাষতে থকা এটা ট্ৰেন্সফৰ্মাৰৰ বিষয়ে দীৰ্ঘদিনৰ পৰা কোম্পানীৰ বৰমূৰীয়াসকলক ১৩ পৃষ্ঠাত চাওক



## শ্ৰীশ্ৰীগোপাল আৰু বাঘেশ্বৰী থানৰ ৫৭৩ সংখ্যক বাৰ্ষিক হোম-যজ্ঞৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৩ এপ্ৰিল ঃ** তামুলপুৰ জিলা সদৰস্থিত ঐতিহ্যমণ্ডিত ডিমিলাপাৰ শ্ৰীশ্ৰী গোপাল আৰু বাঘেশ্বৰী থানৰ ৫৭৩ সংখ্যক বাৰ্ষিক হোম-যজ্ঞ দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ২৬ আৰু ২৭ এপ্ৰিলত উদ্‌যাপন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২৬ এপ্ৰিলৰ পুৱা আঠ বজাত মুখ্যদ্বাৰ উন্মোচনেৰে কাৰ্যসূচী মুকলি কৰিব ডিমিলাপাৰ গাঁও পৰিচালনা সমিতিৰ সভাপতি গুণজিত দাসে। ইয়াৰ পাছতে ৮-৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব তামুলপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃ গৌতম মেধি, উলুবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক মহেশ বৈশ্য, যুৱ ব্যৱসায়ী নৰেন মেধি, অনিল দাস, সোনেশ্বৰ দাস, মাণিক দাস আৰু ভৱেন দাসে। আনহাতে, ৯-৩০ বজাত ছহিদ তৰ্পণ কৰিব তামুলপুৰৰ জ্যেষ্ঠ সাংবাদিক চক্ৰেশ্বৰ ডেকা আৰু মাল্যাৰ্পণ কৰিব আনন্দ ৰামচিয়াৰীয়ে। আনহাতে, ১০-৩০ বজাত বৃক্ষৰোপণ কৰিব বিশিষ্ট সমাজ কৰ্মী চমেন পাঠক, প্ৰসন্ন দাস, ৰঞ্জন পাঠক, পীযুষ চৰকাৰ, ৰমেন দাস, হিতেশ ডেকা, পদ্মলোচন দাস, নিখিল দে, লোহিত দাস, বিপুল দে আৰু সুনীল ৰাভাই। তদুপৰি ১১· বজাত কণ কণ ল'ৰা-ছোৱালীৰ মাজত অনুষ্ঠিত হ'ব বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা। সন্ধিয়া ছয় বজাত বন্তি প্ৰজ্বলন কৰিব তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী আৰু তামুলপুৰ জিলা বিজেপিৰ সভাপতি তথা কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ উপাধ্যক্ষ ভিক্টৰ কুমাৰ ১৩ পৃষ্ঠাত চাওক

### কেন্দ্ৰীয় বিদ্যালয়ৰ ব্যতিক্ৰমী অনুষ্ঠান

## বিশ্ব প্ৰকৃতি সুৰক্ষা-বৃক্ষৰোপণ সজাগতা বৃদ্ধিৰ লক্ষ্য



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৩ এপ্ৰিল ঃ** প্লাষ্টিকমুক্ত ভাৰত গঢ়াৰ উদ্দেশ্যৰে কলিয়াবৰৰ মিছা সেনা ছাউনিৰ কেন্দ্ৰীয় বিদ্যালয়ত এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হয়। আজিৰ দিনটোতে 'বৃক্ষৰোপণ কৰক-জীৱন বচাওক'- এই শ্ল'গানৰে মুখৰিত হৈ পৰে কলিয়াবৰৰ কেন্দ্ৰীয় বিদ্যালয় মিছা সেনা ছাউনিৰ চৌহদ। বিশ্ব ধৰিত্ৰী দিৱসৰ লগত সংগতি ৰক্ষা কৰি কেন্দ্ৰীয় বিদ্যালয় মিছা সেনা ছাউনীত সেনাবাহিনীয়ে এই বৰ্ণিল কাৰ্যসূচীৰ আয়োজন কৰা হয়। প্ৰকৃতি সুৰক্ষা তথা বৃক্ষৰোপণ আৰু সজাগতা বৃদ্ধিৰ লক্ষ্যৰে এক ১৩ পৃষ্ঠাত চাওক

## কমলপুৰত সাংসদ আদৰ্শ গাঁও যোজনাৰ অগ্ৰগতিৰ পৰ্যালোচনা

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ২৩ এপ্ৰিল ঃ** মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই কালি ৰঙিয়া মহকুমাৰ বিহদিয়া গাঁও পঞ্চায়তত আয়োজিত এক সভাত সাংসদ আদৰ্শ গাঁও যোজনাৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰি যোজনাৰ কাম-কাজ সঠিক দিশত ৰূপায়ণৰ বাবে যাৱতীয় দিহা-পৰামৰ্শ প্ৰদান কৰে। পৰ্যালোচনা বৈঠকত ৰঙিয়াৰ সহকাৰী আয়ুক্ত অম্লান বৈশ্য, বিহদিয়া জাঁজীকোনা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া হেমন্ত ডেকা, যুৱ নেতা ৰমেন বৰুৱাৰ লগতে আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সদস্যসকল উপস্থিত থাকে।

## বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৰঙালী বিহুৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ২৩ এপ্ৰিল ঃ** বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত কৰি অহা আঞ্চলিক ৰঙালী বিহু সন্মিলনে এই বৰ্ষত ২৮ বছৰত পদাৰ্পণ কৰি অহা ২৪ এপ্ৰিলৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিতব্য সন্মিলনৰ প্ৰথমদিনা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, চিত্ৰাংকন, গল্প আৰু প্ৰবন্ধ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি মহিলাসকলৰ মাজত পিঠা আৰু ৰছী টনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিহু উপলক্ষে সৰু বিহুৱতী, জেং বিহু, সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। শিক্ষক ৰবীন মহন্তৰ সম্পাদনাত প্ৰকাশ পাব স্মৃতিগ্ৰন্থ।

## 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি বৰপথাৰত স্বাস্থ্য মেলা

**বৰপথাৰ, ২৩ এপ্ৰিল ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি বৰপথাৰত স্বাস্থ্য মেলা অনুষ্ঠিত হয়। সৰুপথাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত বৰপথাৰ মৌজাৰ ধোন্দাচাম মধ্য ইংৰাজী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে এই স্বাস্থ্য মেলা আৰু সজাগতা সভা সম্পন্ন হয়। উল্লেখ্য যে জনসাধাৰণক স্বাস্থ্যৰ প্ৰতি সজাগ কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত স্বাস্থ্য মেলা উদ্বোধন কৰাৰ লগতে সজাগতা সভাত বৰপথাৰ পৌৰসভাৰ পৌৰপতি সঞ্জীৱ বৰুৱাই সভাপতিত্ব কৰে। সৰুপথাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত স্বাস্থ্য মেলা আৰু সজাগতা সভাত ধনশিৰি মহকুমাৰ স্বাস্থ্য বিষয়াদ্বয় ডাঃ অজিত গগৈ আৰু ডাঃ পি কে গঞ্জুৰ উপৰি গোলাঘাট আৰু ধনশিৰি মহকুমাৰ কে'বাগৰাকীও চিকিৎসকে অংশগ্ৰহণ কৰে। প্ৰায় তিনিশৰো অধিক লোকৰ স্বাস্থ্য মেলাত স্বাস্থ্য পৰীক্ষা কৰা হয়। ভাৰতবৰ্ষৰ স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা স্বাস্থ্য মেলা আৰু সজাগতা সভাত ধনশিৰি মহকুমাৰ শিশু প্ৰকল্প বিষয়া দুলুমণি বুঢ়াগোহাঁই উপস্থিত থাকে। জনসাধাৰণক নিজৰ স্বাস্থ্যৰ প্ৰতি সজাগ কৰি নিৰোগী কৰি তোলাই স্বাস্থ্য মেলাৰ মূল উদ্দেশ্য বুলি জানিবলৈ দিয়ে উদ্যোক্তাসকলে।

## সামৰণি পৰিল ডিগবৈ বৰজান ৰঙালী বিহু সন্মিলন

**ডিগবৈ, ২৩ এপ্ৰিল ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ চহৰৰ বৰজান ৰঙালী বিহু সন্মিলনে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দ্বাদশ বাৰ্ষিক বৰজান ৰঙালী বিহু সন্মিলন যোৱা ২১ আৰু ২২ এপ্ৰিলত বৰজান ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হয়। সন্মিলনৰ লগত সংগতি ৰাখি আয়োজন কৰা হুঁচৰি, মৌ কুঁৱৰী, জেং বিহু, বিহুৱতী প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীৰ অংশগ্ৰহণে উদ্‌যাপন সমিতিৰ লগতে বিহুবলীয়া ৰাইজক আমোদ তথা অধিক উৎসাহ প্ৰদান কৰে। অন্তিম দিনাৰ বিশেষ কাৰ্যসূচী সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী ৰমেন দানহৰ সংগীতানুষ্ঠানত প্ৰতিকূল বতৰকো নেওচি বিগত দুটা বছৰে কৰ'না মহামাৰীৰ পৰা মুকলিমূৰীয়া আনন্দ-স্ফূৰ্তি কৰিবলৈ নোপোৱাত যেন পূৰ্ণ উদ্যমেৰে মতলীয়া হৈ পৰা দেখিবলৈ পোৱা যায়। দ্বাদশ বাৰ্ষিক বৃহত্তৰ বৰজান ৰঙালী বিহু সন্মিলন উদ্‌যাপনৰ ক্ষেত্ৰত সকলো দিশৰ পৰা সহায়-সহযোগিতা আগবঢ়োৱা শুভকাংক্ষীসকললৈ উদ্‌যাপন সমিতিয়ে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

## প্ৰকৃতিৰ চিকিৎসা শিবিৰৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৩ এপ্ৰিল ঃ** যোৱা ১৮ নৱেম্বৰৰ পৰা হোজাইৰ লংকাৰ পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চলা ৰোগ মুক্ত ভাৰতৰ প্ৰকৃতিৰ চিকিৎসা শিবিৰৰ কালি সামৰণি পৰে। সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে যোগদান কৰে অসম অলিম্পিক সংস্থাৰ কোষাধ্যক্ষ তপন কুমাৰ দাসে। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিতি থাকে লংকা চিকিৎসালয়ৰ চিকিৎসক ডাঃ উত্তম কুমাৰ দাস। ৰাষ্ট্ৰীয় প্ৰকৃতিক চিকিৎসা সংস্থা, ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰাণলয়আৰু সূৰ্য ফাউণ্ডেছনৰ দ্বাৰা জিলা ভিত্তিক এই শিবিৰৰ আয়োজন কৰা হয়। সামৰণি অনুষ্ঠানত অসম যোগ সংস্থাৰ সম্পাদক প্ৰভাত চন্দ্ৰ বৰা, হোজাই জিলা যোগ সন্থাৰ সভাপতি জয়ন্ত শইকীয়া, পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিমল চন্দ্ৰ পণ্ডিত উপস্থিত থাকে। সামৰণি অনুষ্ঠানত এই শিবিৰত যোগদান কৰাসকলক মানপত্ৰ প্ৰদান কৰে। এই অনুষ্ঠান পৰিচালনা কৰে ৰোগ মুক্ত ভাৰত অভিযানৰ অসমৰ ৰাজ্যিক আহ্বায়ক সজল বিশ্বাসে।

## চিৰাঙত ভাৰত চৰকাৰৰ কিষাণ ভাগীদাৰী প্ৰাথমিকতা হামাৰী কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৩ এপ্ৰিল ঃ** চিৰাং জিলাৰ উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত কালি কৃষকৰ চৰকাৰী আঁচনি সন্দৰ্ভত এক সংবাদমেলৰ আয়োজন কৰা হয়। চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত নিৰ্মালী বৰুৱাই সংবাদমেলত প্ৰকাশ কৰে যে কিষাণ ভাগীদাৰী প্ৰাথমিকতা হামাৰী কাৰ্যসূচীৰ অধীনত চিৰাং জিলাত কৃষকসকলক সজাগতা কৰাৰ উদ্দেশ্য আৰু কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান প্ৰক্ৰিয়া সন্দৰ্ভত জিলাখনৰ ৬২ খন ভিচিডিচিত অহা ২৪ এপ্ৰিলত চিৰাং জিলা প্ৰশাসনৰ ফালৰ পৰা গাঁওসভা অনুষ্ঠিত কৰা হ'ব। ইয়াৰ উপৰি উক্ত কাৰ্যসূচীৰ অধীনত বিভিন্ন দুৰ্যোগৰ ফলত খেতিপথাৰত হোৱা ক্ষয়-ক্ষতিৰ পৰা কৃষকসকলে কেনেকৈ ৰক্ষা পাব পাৰে সেই সন্দৰ্ভত কৃষকসকলক সজাগতা কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনে অহা ২৫ এপ্ৰিলৰ পৰা পহিলা মে'লৈকে জিলাখনৰ সাতটা কৃষি উন্নয়ন চক্ৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ ফচল বীমা পাঠশালা নামক গাঁওসভা ১৩ পৃষ্ঠাত চাওক

## চাৰিশাৰীযুক্ত পথ নিৰ্মাণ কোম্পানীৰ হেমাহিৰ বাবে দুৰ্ঘটনা

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২৩ এপ্ৰিল ঃ** নগাঁও জিলাৰ পুৰণিগুদাম ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় এন ডি-২৪ নিউজ চেনেলৰ চামগুৰিৰ সাংবাদিক দ্বীপাংকৰ ভৰদ্বাজ। নিশা ১১ বজাত সাংবাদিকজনে পুৰণিগুদাম বৰাচুকৰ ঘৰৰ পৰা স্কুটীৰে কাষৰি গাঁও অভিমুখে আহি থকা সময়ত চাৰিশাৰী যুক্ত ঘাইপথ নিৰ্মাণৰ বাবে কাষত পেলাই থোৱা মাটিত খুন্দা খাই গুৰুতৰভাৱে আহত হয়। পাছত স্থানীয় লোকে বিষয়টো গম পাই পৰিয়ালৰ লোকক খবৰ দিয়াৰ লগতে বন্ধু সাংবাদিকসকলক খবৰ দিয়াৰ পাছত তেওঁলোকৰ সহযোগত গুৱাহাটী জি এম চি এইছত ভৰ্তি কৰোৱা হয়। মূৰত বেছিকৈ আঘাত পোৱা হেতু মগজুৰ ৰক্তক্ষৰণ হৈছে আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ এটা চিকিৎসকৰ দলে সাংবাদিকজনৰ চিকিৎসাৰ ব্যৱস্থা কৰিছে যদিও এতিয়াও বিপদমুক্ত ১৩ পৃষ্ঠাত চাওক

## মৰাণত সম্প্ৰদায় উৎসৱ ২০২২ সম্পন্ন



অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৩ এপ্ৰিল ঃ** চৰাইদেউ জিলাৰ অসম সমগ্ৰ শিক্ষা আঁচনিৰ উদ্যোগত মৰাণৰ হিংৰিজান বাগিচা প্ৰাথমিক বিদ্যালয়ত কে'বাখনো প্ৰাথমিক বিদ্যালয়ক সামৰি আজি 'সম্প্ৰদায় উৎসৱ ২০২২' অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰণৱ দত্তই। বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে অভ্যৰ্থনা সমিতিৰ সম্পাদক তথা হিংৰিজান বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জিতেন দাসে। পাছত ঝুমুৰ, মিচিং, নেপালীসকলৰ সংস্কৃতি সামৰি এক সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে মৰাণৰ জ্যেষ্ঠ সাংবাদিক বাছা বৰাই। সাংস্কৃতিক সমাৰোহ উপলক্ষে অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে খুমটাই গাঁও পঞ্চায়তৰ সভানেত্ৰী পূৰ্ণিমা শৰ্মাই। সভাত ঠানুৰাম বৰুৱাই 'বিহু'ৰ ওপৰত, মহেন্দ্ৰ গড়ে 'ঝুমুই'ৰ ওপৰত, শিক্ষক নৰবাহাদুৰ ৰাণাই 'নেপালী সংস্কৃতি'ৰ ওপৰত, শিক্ষক সঞ্জয় দলে 'মিচিং বিহু'ৰ ওপৰত আৰু আব্দুল আজিজে 'জিকিৰ'ৰ ওপৰত বক্তব্য প্ৰদান কৰে। হিংৰিজান বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চিত্ৰ দেউৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দশ্যি সংস্কৃতিৰ বিষয়ে বহলাই ব্যাখ্যা কৰে। অনুষ্ঠানত অঞ্চলটো বিভিন্ন প্ৰান্তৰ পৰা অহা শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কে'বা শতাধিক ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

## টীয়ক-কাকজানত জিঅ'ৰ নিম্নমানৰ সেৱা ঃ গ্ৰাহকৰ ক্ষোভ

অগ্ৰদূত বাৰ্তা

**জাঁজী/কাকজান, ২৩ এপ্ৰিল ঃ** টেলিকম কোম্পানী জিঅ'ৰ দুৰ্বল নেটৱৰ্ক সেৱাই শেহতীয়াকৈ গ্ৰাহক-উপভোক্তাক ক্ষুব্ধ কৰি তুলিছে। বিশেষকৈ যোৰহাট জিলাৰ বৃহত্তৰ টীয়ক আৰু কাকজানত জিঅ' বৰ্তমান নামতহে বৰ্তি আছে। টীয়কৰ গ্ৰামাঞ্চলসমূহত জিঅ'ৰ গ্ৰাহকেই সৰ্বাধিক। কিন্তু গ্ৰামাঞ্চলসমূহত জিঅ'ৰ নেটৱৰ্ক অতিকৈ দুৰ্বল তথা সীমিত। ফলত গ্ৰাহকে নেটৱৰ্ক বিচাৰি অদ্যাপি ওখ স্থানলৈ যাব লগা এক পৰিৱেশৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ মতে, কাকজান অঞ্চলৰ দুলিয়া গাঁও, সোণাৰি গাঁও, দ-গাঁও, ঢাৰিগাঁও, বেচাপতি, পিয়াকটা ভৰলুৱা, টীয়কৰ শিমলুগুৰি মৌজা অঞ্চলাধীন বনাই, ঔগুৰি, আমতল, চিন্তামনিগড়, অৰুণামুখ, পথলিয়াল, এজাৰগুৰি, বৰবিল, ঘোঁৰাচৰাৰ পৰা মোকালনিলৈকে এই অঞ্চলসমূহত জিঅ' গ্ৰাহকৰ ফোনত প্ৰায় নেটৱৰ্ক নাথাকে। ফলত ছাত্ৰ-ছাত্ৰীৰ অনলাইন পাঠদানৰ পৰা আৰম্ভ কৰি জনগণৰ নিত্য নৈমিত্তিক কামলৈ একপ্ৰকাৰ আধৰুৱা হৈ ৰৈছে। পৰিণতিত একাধিক গ্ৰাহকে আক্ষেপ প্ৰকাশ কৰি জিঅ' সেৱা ত্যাগ কৰি আন টেলিকম সেৱা গ্ৰহণৰ বাবে টঙালি বান্ধিছে। উল্লেখ্য যে ট্ৰাইৰ নিৰ্দেশনা বাৰে বাৰে উলংঘা কৰা সত্ত্বেও বৃহত্তৰ ঔগুৰিৰ ৰাইজে অঞ্চলটোত এটা জিঅ' টাৱাৰ স্থাপন হ'ব বুলি আশা কৰিয়েই জিঅ' কোম্পানীৰ মৃত্যুমুখী সেৱাকে সাৱটি আছিল যদিও সেয়া আজি পৰ্যন্ত হৈ নুঠিল।

## শালবাৰীৰ জ্ঞাতিগাঁৱত দুৰ্ঘটনাত বৃদ্ধা আহত

অগ্ৰদূত বাৰ্তা


**শালবাৰী, ২৩ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ জ্ঞানগাঁৱত আজি পুৱাৰ ভাগত এক পথ দুৰ্ঘটনা সংঘটিত হয়। মানাহ ৰাষ্ট্ৰীয় উদ্যান অভিমুখী তীব্ৰ বেগী ৰেগনাৰৰ প্ৰচণ্ড খুন্দাত এগৰাকী ৫০ বছৰীয়া বৃদ্ধা গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনা সংঘটিত কৰা ৰেগনাৰখনৰ নম্বৰ এ এছ-০১ ইডি ২৩৮৯। দুৰ্ঘটনাত আহত বৃদ্ধাগৰাকীক স্থানীয় ৰাইজে ততাতৈয়াকৈ শালবাৰী চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। আহত বৃদ্ধাগৰাকী জ্ঞাতিগাঁৱৰ চম্পা ৰয় (৫০)। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত কৰা ৰেগনাৰখন বাঁহবাৰী আৰক্ষীৰ জিম্মাত আছে।

## জৰাজীৰ্ণ কালভাৰ্ট পুনৰ্নিৰ্মাণৰ দাবীত চক্ৰ বিষয়াক আছুৰ স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৩ এপ্ৰিল ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই আকনা-বৰাজোল অঞ্চলৰ কে'বাটাও জৰাজীৰ্ণ কালভাৰ্ট পুনৰ নিৰ্মাণৰ দাবীত বিগত দিনত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে নলবাৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়ালৈ স্মাৰকপত্ৰ প্ৰদান কৰিছিল যদিও আজি পৰ্যন্ত সুফল নোপোৱাৰ অভিযোগ উঠিছে। বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ ১৪ নম্বৰ পূব বনভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত আকনা গাঁৱৰ কে'বাটাও কালভাৰ্ট ভগ্ন অৱস্থাত থকাৰ ফলত জনসাধাৰণে চলাচল কৰাত চূড়ান্ত সমস্যাৰ সন্মুখীন হৈছে। উল্লেখ্য যে বৰাজোল বজাৰ-আকনা সংযোগী পথত এটা, ৰামপুৰ-আকনা সংযোগী পথত দুটা আৰু আকনা-পোনৰ কাউনীয়া পথত এটা কালভাৰ্ট সম্পূৰ্ণ ভগ্ন অৱস্থাত আছে। এই কালভাৰ্ট কেইটাৰে চাৰিচকীয়া যানবাহন চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ থকাৰ বিপৰীতে চাইকেল নতুবা মটৰ চাইকেলেৰে অতি বিপদ সংকুলভাৱে চলাচল কৰিব লগা হৈছে। ইতিমধ্যে কে'বাদিনো বাটৰুৱাই সৰু বৰ দুৰ্ঘটনাত পতিত হৈছে। তদুপৰি যিকোনো মুহূৰ্ততে ডাঙৰ দুৰ্ঘটনাৰ আশংকা কৰা হৈছে। এই গুৰুত্বপূৰ্ণ সমস্যাটো অতি শীঘ্ৰেই সমাধানৰ দাবীত বিগত কিছুমাহ পূৰ্বে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জীৱনজ্যোতি ডেকা আৰু সাধাৰণ সম্পাদক ১৩ পৃষ্ঠাত চাওক

## বৰপথাৰ কেন্দ্ৰীয় ৰঙালী বিহুত ভাষাবিদ বিশ্বেশ্বৰ হাজৰিকাক সম্বৰ্ধনা



**বৰপথাৰ, ২৩ এপ্ৰিল ঃ** বৰপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱত সম্বৰ্ধিত হ'ল বিশিষ্ট ভাষাবিদ সাহিত্যাচাৰ্য বিশ্বেশ্বৰ হাজৰিকা। যোৱা ২০ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় বৰপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ। কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ অন্তিম দিনা অনুষ্ঠিত বঁটা বিতৰণী সভাত বিশিষ্ট ভাষাবিদ সাহিত্যাচাৰ্য হাজৰিকাক সম্বৰ্ধনা জ্ঞাপন কৰে বিহু উদ্‌যাপন সমিতিৰ লগতে বহু দল-সংগঠনে। ৪৭ সংখ্যক বৰপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতি আৰু স্থায়ী সমিতিয়ে সম্বৰ্ধনা পত্ৰ, ফুলাম জাপি আৰু গামোচাৰে সম্বৰ্ধনা জনায় বিশিষ্ট ভাষাবিদজনক। ৪৭ সংখ্যক বৰপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ উদ্‌যাপন সমিতিৰ উপৰি বৰপথাৰ প্ৰেছ ক্লাব, গোলাঘাট জিলা আৰু বৰপথাৰ শাখা সাহিত্য সভা, ধনশিৰি মহকুমা ছাত্ৰ সন্থা, বৰপথাৰ জ্যেষ্ঠ নাগৰিক সন্মিলনকে আদি কৰি বহু দল-সংগঠনেও সম্বৰ্ধনা জ্ঞাপন কৰে।

## ৰাষ্ট্ৰপতি বঁটাপ্ৰাপক মতিৰাম হাজৰিকাক সম্বৰ্ধনা জ্ঞাপন



**ডিগবৈ, ২৩ এপ্ৰিল ঃ** হেল্প ফাউণ্ডেছন অসমৰ দ্বাৰা বিভিন্ন সময়ত সমাজৰ বাবে নিৰৱচ্ছিন্নভাৱে বিভিন্ন ক্ষেত্ৰত নীৰৱতাৰে সেৱা আগবঢ়াই অহা লোকক স্বীকৃতি প্ৰদান কৰি আহিছে। তেনে সময়তে অগ্নিনিৰ্বাপক বাহিনীত উল্লেখনীয় সেৱাৰ বাবে ২০২২ৰ ভাৰতৰ ৰাষ্ট্ৰপতি পদক লাভ কৰা ডিগবৈ ৰামনগৰৰ নিবাসী মতিৰাম হাজৰিকাক আজি হেল্প ফাউণ্ডেছন অসমে সম্বৰ্ধনা জ্ঞাপন কৰে। হোটেল ছান চিটিত আয়োজন কৰা হেল্প ফাউণ্ডেছনৰ সভাপতি হীৰা ফুকনে আঁত ধৰা অনুষ্ঠানত ফাউণ্ডেছনৰ উপদেষ্টা ৰাণু বৰুৱা, ডিগবৈ প্ৰেছ ক্লাবৰ সভাপতি ৰাজু হাজৰিকা, সম্পাদক মনোৰঞ্জন দাস, মতিৰাম হাজৰিকাৰ পত্নী ক্ষীদা হাজৰিকা, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সহকাৰী সম্পাদক ৰমণী বুঢ়াগোহাঁই, সাংবাদিক ৰাজেশ উপাধ্যয়, বুবু গগৈ দীপাংকৰৰ শৰ্মা, বিজয় সূত্ৰধৰ, গ্ৰীণ ৱাৰ্ড ছ'চাইটিৰ দেৱজিৎ বৰুৱা, অনুপম শৰ্মা, বিশিষ্টা লেখিকা বিজয় বৰুৱা উপস্থিত থাকি প্ৰচাৰবিমুখ তথা সমাজৰ হকে কাম কৰি অহা এচাম লোকৰ প্ৰতি হেল্প ফাউণ্ডেছনে যি সন্মান প্ৰদৰ্শন কৰিলে ই এক প্ৰশংসনীয় পদক্ষেপ বুলি ব্যক্তি কৰে। অনুষ্ঠানত ফাউণ্ডেছনৰ হৈ ৰাজু প্ৰধান, পোনাৰাম দাস, মৌচম বৰুৱা, মিতালী কাকতি, মামণি বুঢ়াগোহাঁই উপস্থিত থাকে। অগ্নিনিৰ্বাপক বাহিনীৰ দৰে জৰুৰীকালীন সেৱাৰ নিয়োজিত হৈ নিঃস্বাৰ্থতাভাৱে সেৱা আগবঢ়োৱা হাজৰিকাই সম্বৰ্ধনা গ্ৰহণ কৰি আবেগিক হৈ পৰে। লগতে চাকৰি জীৱনৰ বহু তিতা-মিঠা অভিজ্ঞতা সদৰী কৰে।

## ডুবাপাৰাত গৰুসহ চাৰি চোৰ ধৃত

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া লালচান আলীয়ে যোৱা নিশা চাৰি গৰু চোৰক গ্ৰেপ্তাৰ কৰে। জিলাখনৰ খৰমুজা আৰক্ষী চকীৰ অন্তৰ্গত আনোৱাৰ আলী (২২), শুকুৰ আলী (২৫), জাহিদুল ইছলাম (১৯) আৰু মতালেব আলী (২০)এ এ এছ ২৫ বিচি ১০২৫ নম্বৰৰ টাটা ডি আইভান এখনেৰে কঢ়িয়াই অনা এটা গৰু ডুবাপাৰা আৰক্ষী পহৰা চকীৰ অন্তৰ্গত কৈমাৰীত বিক্ৰী কৰিবলৈ বিচাৰে। কিন্তু নিশা ১১-৩০ বজাত গৰু বিক্ৰী কৰিবলৈ অনাৰ বাবেই স্থানীয় ৰাইজৰ সন্দেহ ওপজে আৰু গৰুসহ চাৰিওকে কৰায়ত্ত কৰি ডুবাপাৰা আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক গতাই দিয়ে। ইপিনে, আজি কুমাৰীৰ প্ৰবীণ কুমাৰ ৰাভাই ডুবাপাৰা আৰক্ষী পহৰা চকীত উপস্থিত হৈ গৰুটো তেওঁৰে বুলি চিনাক্ত কৰে। যোৱা নিশা প্ৰবীণৰ গোহালিৰ পৰা চোৰে গৰুটো চুৰি কৰি নিয়ে বুলি কৈ আৰক্ষীক অৱগত কৰে।

### মৰিগাঁৱত অসমীয়া কৈৱৰ্ত সন্মিলনীৰ সতী ৰাধিকা দিৱস উদ্‌যাপন

## সতী ৰাধিকাৰ আদৰ্শ জাতিটোৱে অনুধাৱন কৰা উচিত ঃ দাস



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৩ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ বাখৰবড়ীত আজি সদৌ অসমীয়া কৈৱৰ্ত সন্মিলনীৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীয়ে আই সতী ৰাধিকা দিৱস উদ্‌যাপন কৰা হয়। উদৰি, বাখৰবড়ী আৰু বনিয়াগাঁও আঞ্চলিক ৰাস মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হোৱা দিৱসত পুৱা উদ্‌যাপন সমিতিৰ সভাপতি দ্বীপেন চন্দ্ৰ দাসে পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰে। ইয়াৰ পাছৰ কাৰ্যসূচী অনুসৰি বৃক্ষৰোপণ কৰাৰ লগতে নাম-প্ৰসংগ আৰম্ভ হয়। দিনৰ ভাগত সদৌ অসমীয়া কৈৱৰ্ত সন্মিলনীৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি নগেন দাসৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথিৰূপে মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসে সভাত অংশগ্ৰহণ কৰি কৈৱৰ্ত জাতিৰ গৌৰৱৰ প্ৰতীক সতী ৰাধিকাৰ আদৰ্শ জাতিটোৱে অনুধাৱন কৰাৰ লগতে সতী ৰাধিকাৰ স্মৃতি চিৰ যুগমীয়া কৰাৰ বাবে ৰাজ্য চৰকাৰক আহ্বান জনায়। কৈৱৰ্ত সন্মিলনীৰ মৰিগাঁও জিলা সমিতিৰ কাৰ্যকৰী সভাপতি কিৰণ হাজৰিকা আৰু সাধাৰণ সম্পাদক ৰিন্টুমণি দাসৰ লগতে অভ্যৰ্থনা সমিতিৰ সম্পাদক মহেন্দ্ৰ দাসে আঁত ধৰা মুকলি সভাত বিশিষ্ট অতিথিৰূপে তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে অংশগ্ৰহণ কৰি সদৌ অসম কৈৱৰ্ত সন্মিলনীয়ে কৈৱৰ্ত জাতিৰ বিৰাংগনা নাৰী সতী ৰাধিকাৰ স্মৃতিত ঐতিহ্যমণ্ডিত বাখৰবড়ীত ব্যাপক আয়োজনৰে সতী ৰাধিকা দিৱস উদ্‌যাপিত কৰিবলৈ লোৱা পদক্ষেপক আদৰণি জনোৱাৰ লগতে পিছপৰা এই শ্ৰেণীটোৰ বাবে যথেষ্ট কৰণীয় আছে বুলি মন্তব্য কৰে। মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে একশৰণ ১৩ পৃষ্ঠাত চাওক

# ধেমাজিত ব'হাগতে মিছামাৰী নদীৰ বান

## ■ খহাই নিলে এমজি এনৰেগাৰ গাইডবান্ধ



**ধেমাজি, ২৩ এপ্ৰিল ঃ** বাৰিষা সমাগত। ধেমাজিত ব'হাগতে আহিল বাৰিষাসদৃশ ঢল। এখন-দুখন কৰি ধুই নিলে কে'বাখনো গাঁও। মথাউৰিৰ কামসমূহ আধৰুৱা হৈ ৰোৱাৰ বাবেই ব'হাগতে অহা ঢলপানীয়ে এতিয়া নৈপৰীয়া ৰাইজৰ বাবে নৰকসদৃশ পৰিস্থিতিৰ সৃষ্টি কৰিছে।

উল্লেখ্য যে ধেমাজিত বিভিন্ন ঠাইৰ ভগ্ন মথাউৰিৰ মেৰামতিৰ কাম আজিও সম্পূৰ্ণ হোৱা নাই। বহুতো স্থানত ভঙা মথাউৰি উন্মুক্ত অৱস্থাতে আছে। ক'ৰবাত যদি জলসম্পদ বিভাগৰ কোটি কোটি টকাৰে মথাউৰি আৰু গাইডবান্ধ নিৰ্মাণ, ক'ৰবাত আকৌ এমজি এনৰেগাৰ অধীনত বালিৰে মথাউৰি নিৰ্মাণ। মুঠৰ ওপৰত নদী নিয়ন্ত্ৰণৰ নামত জলসম্পদ বিভাগৰ বিষয়া-ঠিকাদাৰে মিলি গো-গ্ৰাসে গিলিছে ৰাজভঁড়ালৰ ধন। অথচ মথাউৰি নিৰ্মাণৰ কাম আধৰুৱা হৈয়ে আছে। ইয়াৰ ব্যতিক্ৰম নহয় ধেমাজি জিলাৰ চিচিবৰগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত নিলখ পঞ্চায়তৰ ঢলপুৰীয়া মিছামাৰী ৱাৰ্ডৰ মাজেৰে বৈ যোৱা মিছামাৰী নদী। ঢলপুৰীয়া মিছামাৰী চাপৰি আৰু মাজগাঁৱৰ মাজত সম্প্ৰতি বৈ যোৱা মিছামাৰী নদীৰ মথাউৰি নিৰ্মাণৰ নামত প্ৰহসনত পৰিণত হৈছে দুয়োপাৰৰ মথাউৰি। অভিযোগ মতে, চিচিবৰগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত নিলখ পঞ্চায়তৰ মিছামাৰী ৱাৰ্ডত মিছামাৰী নদীৰ দুয়োপাৰৰ মথাউৰি নিয়ন্ত্ৰণৰ নামত এমজি এনৰেগাৰ অধীনত অনুমোদন হৈছিল প্ৰায় ৩০ লাখ টকাৰ কাম। অথচ সামান্য অংশৰ কাম কৰিয়েই কৰ্তৃপক্ষই সিংহভাগ কুক্ষিগত কৰাৰ অপচেষ্টা চলোৱা বুলি অভিযোগ উঠিছে। অৰুণাচল প্ৰদেশৰ পাহাৰৰ পৰা বৈ অহা খৰস্ৰোতা মিছামাৰী নদী নিয়ন্ত্ৰণৰ নামত দুয়োপাৰে বন্ধা বালিৰ মথাউৰি অংশত এতিয়া পাহাৰত এজাক বৰষুণ পৰিলেই চপৰা-চপৰে খহে মথাউৰি। কেৱল এয়াই নহয়, মিছামাৰী চাপৰি গাঁৱত দীৰ্ঘদিনীয়া বান সমস্যাৰ বিপৰীতে নতুনকৈ বানত ডুব গৈছে মিছামাৰী মাজ গাঁও। এইক্ষেত্ৰত পঞ্চায়তৰ পালমৰা আঁচনিৰ পৰিৱৰ্তে স্থানীয় ৰাইজে দীৰ্ঘম্যাদী পৰিকল্পনাৰে বান সমস্যাৰ স্থায়ী নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনাইছে।

# বাগানপাৰাত ১৫ বছৰীয়া কিশোৰীক ধৰ্ষণ বিবাহিত লোকৰ

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ২৩ এপ্ৰিল ঃ** ৰাজ্যত পুনৰ সভ্য সমাজক লজ্জানত কৰা ঘটনা সংঘটিত হৈছে বাগ্‌সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত বৰিকাদঙা গাঁৱত। এজন বিবাহিত অসৎ চৰিত্ৰৰ লোকে প্ৰেমৰ ছলনাৰে ১৫ বছৰীয়া এগৰাকী কিশোৰীক ধৰ্ষণ কৰাত একাংশ উত্তেজিত ৰাইজৰ ৰোষত পৰি ধৰ্ষণকাৰী প্ৰদীপ দাস নামৰ লোকজন। উত্তেজিত ৰাইজে তেওঁক উত্তম-মাধ্যম শোধাই পাছত বাগানপাৰা আৰক্ষীক গটাই দিয়ে।

অভিযোগ মতে নলবাৰীৰ লাউদলৰ বাসিন্দা প্ৰদীপে নবস্তিৰ পৰা গুৱাহাটীলৈ যোৱা এখন বাছৰ হেণ্ডিমেন। সেই সূত্ৰে প্ৰদীপে কিশোৰীগৰাকীৰ স'তে চিনাকী হৈছিল। পৰৱৰ্তী সময়ত প্ৰেমৰ ছলনাৰে কিশোৰীগৰাকীক দীৰ্ঘদিন ধৰি ধৰ্ষণ কৰি আহিছিল। সেয়েহে উত্তেজিত ৰাইজে আজি প্ৰদীপক আৰক্ষীক গটাই দিয়াৰ উপৰি ধৰ্ষণকাৰীৰ শাস্তিৰ দাবীত বাগানপাৰা আৰক্ষী চকীত অৰ্ধ শতাধিক পুৰুষ - মহিলাই ভিৰ কৰে। বাগানপাৰা আৰক্ষীয়ে ইতিমধ্যে তেওঁক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে আৰু কিশোৰীগৰাকীৰ স'তে অপকৰ্ম কৰাৰ কথা স্বীকাৰ কৰিছে।

# উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ত 'ৰঙালীৰ ৰং' শীৰ্ষক মুকলি বিহু উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৩ এপ্ৰিল ঃ** উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ বাকৰিত আজি ৰঙালী বিহুৰ লগত সংগতি ৰাখি 'ৰঙালীৰ ৰং' শীৰ্ষক মুকলি বিহু উদ্‌যাপন কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ শইকীয়াই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ দ্বাৰা প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা 'জাগৰণ'ৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যাৰ উন্মোচন কৰে। বাহনা অঞ্চলৰ কে'বাগৰাকী বয়সিয়াল পুৰুষ-মহিলাক বিহুৰ ওলগ জনোৱা 'ৰঙালীৰ ৰং' কাৰ্যসূচী মুকলি কৰে বিশিষ্ট চিকিৎসক তথা সাংস্কৃতিক কৰ্মী ডাঃ গোলাপ ডেকাই। ডাঃ ডেকাই বিহুনাচ আৰু বিহুৰ গান নিজে পৰিৱেশন কৰি অসমীয়া জাতীয় জীৱনৰ আয়ুসৰেখা বাপতি সাহোন বিহুক ধৰি ৰাখিবলৈ উপস্থিত সকলোকে আহ্বান জনায়। বিদ্যালয়খনৰ অধ্যক্ষ মুকুল বৰুৱা, সমাজকৰ্মী ডিম্বেশ্বৰ বৰা, জগন্নাথ অগ্নি বৰা উপস্থিত থকা কাৰ্যসূচীত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। আনহাতে, স্থানীয় শিল্পী, সাংস্কৃতিক কৰ্মী ডিম্পল কলিতাৰ পৰিচালনাত ৰাংঢালী হুঁচৰি দলৰ শিল্পীসকলে হুঁচৰি পৰিৱেশনে উপস্থিত ৰাইজক আমোদ দিয়ে। স্মৃতিগ্ৰন্থ উন্মোচন কৰে প্ৰদীপ শইকীয়াই। বিদ্যালয়খনৰ শৈক্ষিক সঞ্চালক শ্ৰীমন্ত মাধৱ বৰুৱাই আঁত ধৰা সাংস্কৃতিক কাৰ্যসূচীত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকসকলে পূৰ্ণ সহযোগ কৰে।

# জৰাজীৰ্ণ কালভাৰ্ট পুনৰনিৰ্মাণৰ দাবীত

১২ পৃষ্ঠাৰ পৰা আতিকুৰ ৰহমান স্বাক্ষৰিত স্মাৰকপত্ৰ এখন ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মনীষা কলিতাৰ হাতত অৰ্পণ কৰিছিল; কিন্তু আজিও সুফল নোপোৱাৰ অভিযোগ উঠিছে। সেয়েহে আগন্তুক সময়ত এইসমুহ সমস্যাৰাজি শীঘ্ৰে সমাধান নহ'লে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই ৰাইজৰ সহযোগত কঠোৰ গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলা হ'ব বুলি সকীয়াই দিয়ে ।

# চিৰাঙত ভাৰত চৰকাৰৰ কিষাণ

১২ পৃষ্ঠাৰ পৰা অনুষ্ঠিত কৰা হ'ব। য'ত কৃষকসকলক বীমাকৰণৰ প্ৰয়োজনীয় বিভিন্ন বিষয় সন্দৰ্ভত পৰামৰ্শ আগবঢ়াব কৃষি বিষয়াৰ কাৰ্যালয় আৰু বিভিন্ন বীমা কোম্পানীৰ বিষয়াসকলে। এই গাঁওসভাসমূহ জিলাখনৰ কাশীকোত্ৰা ভিচিডিচি এছ টি চি কাজলগাঁও, বিজনীৰ মহকুমা কৃষি বিষয়াৰ কাৰ্যালয় চৌহদ সুভাইঝাৰ ভিচিডিচি, থুৰিবাৰী ভিচিডিচি, আমগুৰি বজাৰ ভিচিডিচি বৰবজাৰ ভিচিডিচিত অনুষ্ঠিত হ'ব বুলি অতিৰিক্ত উপায়ুক্ত নিৰ্মালী বৰুৱাই সংবাদমেলত প্ৰকাশ কৰে।

# সতী ৰাধিকাৰ আদৰ্শ জাতিটোৰে

১২ পৃষ্ঠাৰ পৰা ভাগৱতী সমাজৰ প্ৰধান সচিব জ্যোতিপ্ৰসাদ দাস, কৈৱৰ্ত সাহিত্য সংস্কৃতি সভা অসমৰ সভাপতি সুতৰাম দাস, ছহিদ হেমৰাম পাতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ৰাজীৱ দাসকে ধৰি কে'বাজনো বক্তাই অংশগ্ৰহণ কৰি সতী ৰাধিকাৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে জনজাতি উন্নয়ন প্ৰকল্পৰ অধ্যক্ষ মনক বৰদলৈ, অন্যান্য পিছপৰা শ্ৰেণীৰ অধ্যক্ষ শিৱাজী ডেকা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক তথা জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাকে ধৰি অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি সীমান্ত হাজৰিকা, উপ-সভাপতি কেশৱ বিষয়া, সাংবাদিক বাবুমণি শৰ্মাৰ লগতে অসমীয়া কৈৱৰ্ত সন্মিলনীৰ কাৰ্যকৰী সভাপতি ডম্বৰুধৰ দাস আৰু মৰিগাঁও জিলা সতী ৰাধিকা আইমাতৃ সেৱা সমাজৰ হৈ সভানেত্ৰী মিনতি হাজৰিকা আৰু সম্পাদিকা নৱনিতা দাসে অংশগ্ৰহণ কৰে।

# বিশ্ব প্ৰকৃতি সুৰক্ষা-বৃক্ষৰোপণ সজাগতা

১২ পৃষ্ঠাৰ পৰা মননশীল অনুষ্ঠান অনুষ্ঠিত কৰে কেন্দ্ৰীয় বিদ্যালয় মিছা কেম্পে। ভাৰতীয় সেনাৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত কেন্দ্ৰীয় বিদ্যালয় মিছা কেম্পৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃতি সংৰক্ষণ সজাগতা বিষয়ক লৈ নাটক প্ৰদৰ্শন কৰাৰ লগতে গীত-নৃত্য, কবিতা আবৃত্তিৰে বৰ্ণিল কাৰ্যসূচী অনুষ্ঠিত কৰে। ভাৰতীয় সেনাৰ বিষয়া তথা বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে স্কুল চৌহদত গছপুলিও ৰোপণ কৰে। এহেজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰা বিদ্যালয়খনৰ শৃংখলাবদ্ধ পৰিৱেশে দৃষ্টি আকৰ্ষণ কৰে সকলোৰে। মিছা সেনা ছাউনীৰ কমাণ্ডেন্ট ব্ৰিগেডিয়াৰ আনন্দ কুমাৰে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীক পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগ হ'বৰ বাবে আহ্বান জনায় বন সংমণ্ডলৰ বিষয়া (বন্যপ্ৰাণী) অৰুণ ভিগনেছে। বিদ্যালয়ৰ অধ্যক্ষৰ লগতে অনুষ্ঠানত ভালেকেইগৰাকী উচ্চ পদস্থ সেনা বিষয়া উপস্থিত থাকে। বিদ্যালয় চৌহদত বৃক্ষৰোপণ কাৰ্যসূচীৰে আৰম্ভ কৰা বিশেষ অনুষ্ঠানত দেৱী সৰস্বতীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। সৰস্বতী বন্দনা আৰু নৃত্য পৰিৱেশন, পৰিৱেশ উন্নয়ন আৰু সংৰক্ষণৰ ওপৰত যুগুতোৱা শিশু নাটক, কবিতা পাঠ, বক্তৃতা আদি অনুষ্ঠানৰ লগতে বিভিন্ন নৃত্যানুষ্ঠানে উপস্থিত সেনা বিষয়াসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক অধিক আপ্লুত কৰি তোলে।

# শ্ৰীশ্ৰী গোপাল আৰু বাঘেশ্বৰী থানৰ

১২ পৃষ্ঠাৰ পৰা দাসে। সন্ধিয়া ৬-৩০ বজাত পাঠক নগেন দাসৰ দ্বাৰা ভাগৱত পাঠ। ২৭ এপ্ৰিলৰ পুৱা পাঁচ বজাত মুখ্য দেউৰী ফাগুনা দাসৰ দ্বাৰা মন্দিৰৰ পূজা আৰম্ভ। ছয় বজাত মন্দিৰৰ দ্বাৰ উন্মোচন কৰিব বিটিআৰৰ মনোনীত এমচিএল এ হেমন্ত কুমাৰ ৰাভাই। সাত বজাত ভাগৱত পাঠ। আঠ বজাত যশোদা দাসৰ পৰিচালনাত আয়তীৰ নাম। ন বজাৰ পৰা নাগাৰা নাম প্ৰদৰ্শন। ১২ বজাত আমন্ত্ৰিত অতিথিৰ সম্বৰ্ধনা। আনহাতে, আমন্ত্ৰিত অতিথিৰূপে থাকিব পাঁচ নম্বৰ কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱ কুমাৰ শৰণীয়া, দৰঙাজুলি পৰিষদীয় সমষ্টিৰ এমচিএল এ বিজিত গৌৰা নাৰ্জাৰী, কামৰূপ মহানগৰ জিলা পৰিষদৰ অধীক্ষক উত্তম নাৰ্জাৰী, জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা ৰাজীৱ কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া তথা বিশিষ্ট লেখক থানেশ্বৰ মালাকাৰ, দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা লেখক,সাংবাদিক পৰেশ বৈশ্য, শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ অধ্যক্ষ হিতেশ ডেকা, গয়বাৰী টিচি এল চিচিৰ অধ্যক্ষ পবিত্ৰ কুমাৰ নাৰ্জাৰী, তামুলপুৰ উন্নয়ন খণ্ডৰ মুখ্য গাণনিক অনিল মেধি, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়া, তামুলপুৰ প্ৰেছ ক্লাবৰ সভাপতি দীপক কুমাৰ পাঠক, যুৱ-সমাজকৰ্মী অধীৰথ লাহৰী, যুৱ ব্যৱসায়ী ভাস্কৰ মেধি। দিনৰ এক বজাত বাঁহ গোসাঁইৰ মন্দিৰ পৰিভ্ৰমণ। উক্ত অনুষ্ঠানত উদ্বোধন কৰিব বিটিআৰ প্ৰধান প্ৰমোদ বড়োই। দুই বজাত ভেল বিসৰ্জন। ২-৩০বজাত পুষ্পাঞ্জলি প্ৰদান আৰু তিনি বজাত প্ৰসাদ আৰু মহাভোগ বিতৰণেৰে কাৰ্যসূচীৰ পৰিসমাপ্তি ।

# অভিযোগ দিলেও কাণসাৰ নাই

১২ পৃষ্ঠাৰ পৰা অৱগত কৰি আহিছে যদিও ৰাইজে আজি পৰ্যন্ত কোনো সুফল পোৱা নাই। ট্ৰেন্সফৰ্মাৰটোৰ চাৰিওপিনে বাৰিষা পানীৰে ওপচি থাকে। কেতিয়াবা কিবা বিজুতি হ'লে নাও বা কলগছৰ ভেলৰ ব্যৱস্থা নকৰিলে যাব নোৱাৰে কৰ্মচাৰীসকলে। মন কৰিবলগীয়া যে দ' ঠাইত থকা উক্ত ট্ৰেন্সফৰ্মাৰটোৰ চৌহদত বছৰটোৰ সৰহ সময়ে পানী উপচি থাকে। সেয়েহে ৰাইজে উক্ত ট্ৰেন্সফৰ্মাৰটো ৰাস্তাৰ কাষৰ ওখ ঠাইত বহুৱাবলৈ বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতো সেই ফেৰা কাম কোম্পানীটোৱে কৰিবলৈ সক্ষম হোৱা নাই। আনকি যোৱা ২০২১তে তদানীন্তন বিধায়ক নাৰায়ণ ডেকাই এখন আবেদনৰ জৰিয়তেও ট্ৰেন্সফৰ্মাৰটো ৰাস্তাৰ কাষলৈ স্থানান্তৰিত কৰিবলৈ পৰামৰ্শ দিছিল। ইমানে নহয় ট্ৰেন্সফৰ্মাৰটোৰ পৰা বিদ্যুৎ যোগান হোৱা সানেকুছি গাঁৱৰ ৰাইজেও সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু এইসকলো আবেদন-নিবেদনক বুঢ়া আঙুলি দেখুৱাই হাত সাবটি বহি আছে এ পি ডি চি এলৰ বিষয়া-কৰ্মচাৰীসকলে। পুনৰ বাৰিষা সমাগত। এইবেলিও ৰাইজে পূৰ্বৰ দৰে বিদ্যুৎ বিজুতিত হাৰাশাস্তি খোৱাৰ উপক্ৰম হৈছে। সেয়েহে ভুক্তভোগী ৰাইজে বাৰিষাৰ পূৰ্বে উক্ত ট্ৰেন্সফৰ্মাৰ স্থানান্তৰিত কৰি ৰাস্তাৰ কাষত বহুৱাবলৈ বিভাগটোৰ দায়িত্বশীল বিষয়া-কৰ্মচাৰীক দাবী জনাইছে।

# চাৰিশাৰীযুক্ত পথ নিৰ্মাণ কোম্পানীৰ

১২ পৃষ্ঠাৰ পৰা নহয় সাংবাদিকজন। উল্লেখ্য যে উৰিয়াগাঁৱৰ পৰা তেলিয়া গাঁৱলৈকে পি আৰ এন এল কোম্পানীয়ে চাৰি শাৰীযুক্ত পথ নিৰ্মাণৰ কাম কৰি থকাৰ সময়ত কাম কৰাৰ কোনো নীতি-নিয়ম নথকাৰ বাবেই যোৱা নিশা সাংবাদিকজনৰ এনেদৰে দুৰ্ঘটনাৰ সন্মুখীন হ'ব লগা হয়। বিশেষকৈ মাটি পেলাই থোৱা স্থানত কোনো সাংকেতিক চিহ্ন নিদিয়াৰ বাবে এই পথ দুৰ্ঘটনা সংঘটিত হৈছে। ইফালে, সাংবাদিকজনৰ এই দুৰ্ঘটনা একমাত্ৰ চাৰিশাৰীযুক্ত পথ নিৰ্মাণ কোম্পানীৰ হেমাহিৰ বাবে হোৱা হেতুকে সাংবাদিকজনৰ সকলো চিকিৎসা ব্যয় কোম্পানীক বহন কৰিবলৈ দাবী জনাইছে স্থানীয় দল-সংগঠনে। আনহাতে, চাৰিশাৰীযুক্ত পথ নিৰ্মাণ কোম্পানীসমূহে কাম কৰাৰ কোনো নীতি-নিয়ম নথকাৰ হেতু সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈছে। পুৰণিগুদাম কাষৰিগাঁৱত থকা পথ নিৰ্মাণকাৰী সংস্থা পি আৰ এল কোম্পানীৰ কামৰ গাফিলতিৰ বাবেই বিগত সময়ছোৱাত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত বহু পথ দুৰ্ঘটনা সংঘটিত হৈছে। নিজ মইমতালিৰে কোম্পানীটোৱে তেওঁলোকৰ কাম-কাজসমূহ কৰি গৈছে। এইক্ষেত্ৰত স্থানীয় লোক আৰু দল-সংগঠনে কে'বাবাৰো তেওঁলোকৰ কাম-কাজত অসন্তুষ্ট হৈ সকীয়নি প্ৰদান কৰিছিল যদিও তেওঁলোকৰ অকণো ভ্ৰূক্ষেপ নাই। ঘাইপথ ছোৱাৰ ওপৰত য'তে-ত'তে শিলগুটি আৰু মাটিৰ দ'ম জমা কৰি থোৱা দেখিবলৈ পোৱা যায়। লগতে কোনো সাংকেতিক চিহ্ন দিয়া দেখিবলৈ পোৱা নাযায়। যোৱা নিশা দ্বীপাংকৰ দুৰ্ঘটনাক কেন্দ্ৰ কৰি আজি কোম্পানীটোত উপস্থিত হয় অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতি, পুৰণিগুদাম আঞ্চলিক ছাত্ৰ সন্থা, চামগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ শতাধিক কৰ্মীয়ে বিভিন্ন দাবী উত্থাপন কৰাৰ লগতে সাংবাদিকজনৰ সকলো যাৱতীয় চিকিৎসাৰ খৰচ বহন কৰিবৰ বাবে দাবী জনায়। লগতে উপ-পথসমূহ, বিভাজকসমূহ নিয়ম অনুযায়ী নিৰ্মাণ কৰিবলৈ দাবী উত্থাপন কৰে। সংগঠনৰ কৰ্মীসকলে অনাগত দিনত বিসংগতিসমূহ দূৰ কৰি জনসাধাৰণৰ সুবিধাৰ্থে কামসমূহ কৰি যাবৰ বাবে দাবী জনায় নতুবা কোম্পানীটোৰ ওপৰত পৰৱৰ্তী দিনত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি উল্লেখ কৰে।

# কৰ্দৈগুৰি বৰদৈচিলা ৰঙালী বিহু সন্মিলনৰ উদ্যোগত ৰঙালী বিহু উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৩ এপ্ৰিল ঃ** কৰ্দৈগুৰি বৰদৈচিলা ৰঙালী বিহু সন্মিলনৰ উদ্যোগত কৰ্দৈগুৰি বংশীগোপাল নামঘৰ প্ৰাংগণত ছয় আৰু সাত ব'হাগত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। প্ৰথম দিনা ৰঙালী বিহুৰ বিহুৱান উত্তোলন কৰে কৰ্দৈগুৰি গাঁও সংগঠন সমিতিৰ সম্পাদক মণ্টু কুমাৰ উজীৰে। স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে গাঁও সংগঠন সমিতিৰ সভাপতি দীনেশ দাসে। ইয়াৰ পাছত নামঘৰ প্ৰাংগণত ডেকা-গাভৰু আৰু শিশুসকলৰ মাজত নানা ধৰণৰ খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনা স্বচ্ছতা অভিযানৰ পাছত বৃক্ষৰোপণ কৰে বৰদৈচিলা বিহুৱা দলৰ সভাপতি নিকুঞ্জ তালুকদাৰে। আবেলি মুকলি বিহু উদ্বোধন কৰে দক্ষিণ বিজনী জুনিয়ৰ কলেজৰ প্ৰবক্তা কল্পনা দাসে। বিশিষ্ট অভিনেতা তথা পৰিচালক শৈলেন কাকতিয়ে মুকলি বিহু পৰিচালনা কৰে। মুকলি বিহুত ভাস্কৰজ্যোতি বিহু হুঁচৰি দল, বজালী বিহুৱা দল, বৰদৈচিলা বিহুৱা দল, প্ৰগতি বিহুৱা দল আৰু কেৰুমণি বিহুৱা দলে বিহু নাচ প্ৰদৰ্শন কৰে।

# ৰাজগড়ত অঘটন ঃ চিপ লোৱা অৱস্থাত ব্যৱসায়ীৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ২৩ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলাৰ ৰাজগড়ত আজি এক অঘটন সংঘটিত হয়। পুৱা চিপ লৈ ওলমি থকা অৱস্থাত এজন যুৱ ব্যৱসায়ীৰ মৃতদেহ উদ্ধাৰ হয়। উল্লেখ্য যে ৰাজগড়ৰ এক নম্বৰ নভকতীয়া গাঁৱৰ নিবাসী দয়াল চাহুৰ বিবাহিত পুত্ৰ তথা ৰাজগড় অঞ্চলৰ প্ৰতিষ্ঠিত গেলামালৰ ব্যৱসায়ী বিকি চাহু (৩৪)ৰ মৃতদেহ আজি নিজা গুদামঘৰৰ কেঁচা বাঁহৰ খুঁটাত এডাল নাইলনৰ ৰচিৰে চিপ লোৱা অৱস্থাত উদ্ধাৰ হয়। পাছত স্থানীয় ৰাইজৰ খবৰৰ ভিত্তিত স্থানীয় আৰক্ষীৰ এটা দল তাৎক্ষণিকভাৱে ঘটনাস্থলীত উপস্থিত হৈ বিকিৰ মৃতদেহৰ লগতে এটা আত্মহত্যাৰ টোকা উদ্ধাৰ কৰে। য'ত বিকিয়ে পত্নীৰে মনোমালিন্য ঘটাৰ পৰিপ্ৰেক্ষিতত এনে চৰম সিদ্ধান্ত লোৱা বুলি উল্লেখ কৰিছে। ইতিমধ্যে ৰাজগড় আৰক্ষীয়ে বিকিৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল লৈ প্ৰেৰণ কৰি তদন্ত আৰম্ভ অব্যাহত ৰাখিছে। দৰিদ্ৰতাৰ মাজতে সংগ্ৰাম কৰি নিজকে এজন সফল তথা প্ৰতিষ্ঠিত ব্যৱসায়ী হিচাপে গঢ়িবলৈ সক্ষম হোৱা বিকিয়ে কেইমাহমানৰ পূৰ্বে তিনিচুকীয়া জিলাৰ পৰা বিবাহ কৰাইছিল ।

# বিশ্বনাথত ২৯ পিডিচিকেৰ প্ৰাক্তন সদস্যক চাৰি লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৩ এপ্ৰিল ঃ** পিডিচিকে নামৰ প্ৰাক্তন উগ্ৰপন্থী সংগঠনটোৰ ২৯ গৰাকী সদস্যক কালি বিশ্বনাথ জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হয়। বিশ্বনাথ জিলাৰ আৰক্ষী অধীক্ষক নবীন সিঙে বিশেষ আৰক্ষী শাখাৰ উপ-আৰক্ষী অধীক্ষক নিৰঞ্জন গগৈৰ উপস্থিতিত প্ৰতি গৰাকীকে চাৰি লাখ টকাৰ চেক প্ৰদান কৰে। উগ্ৰপন্থী সংগঠন ত্যাগ কৰি মূলসুতিলৈ উভতি আহি নিজকে যাতে সংস্থাপিত কৰিব পাৰে তাৰ বাবে অসম চৰকাৰৰ পৰা প্ৰদান কৰা এককালীন আৰ্থিক সাহায্য বিশ্বনাথ জিলা আৰক্ষী অধীক্ষকৰ জৰিয়তে এই প্ৰাক্তন উগ্ৰপন্থী কেডাৰসকলক প্ৰদান কৰা হয়। আনহাতে, এই প্ৰাক্তন কেডাৰসকলক প্ৰদান কৰা আৰ্থিক সাহায্য যাতে সৎ কামত ব্যৱহাৰ কৰি নিজকে তেওঁলোকে সংস্থাপন কৰিবলৈ সক্ষম হয়, তাৰ বাবেও বিশ্বনাথ জিলা আৰক্ষীয়ে কিছুদিন পূৰ্বে এইসকল প্ৰাক্তন উগ্ৰপন্থী কেডাৰক তিনিদিনীয়া এক প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছিল। সেই প্ৰশিক্ষণ শিবিৰত অসমৰ বিভিন্ন প্ৰতিস্থিত অনুষ্ঠান- প্ৰতিষ্ঠানৰ সফল ব্যক্তি তথা সফল খেতিয়কসকলৰ দ্বাৰা এইসকল প্ৰাক্তন কেডাৰক কিদৰে কৃষি কৰ্মৰ দ্বাৰা অথবা ব্যৱসায়ৰ দ্বাৰা নিজকে প্ৰতিষ্ঠিত কৰিব পাৰি তাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। কেৱল ব্যৱসায় বা কৃষি কৰ্মৰেই নহয়, বিশ্বনাথ জিলা আৰক্ষীয়ে কিছুদিন পূৰ্বে এইসকল কেডাৰক অসম আৰক্ষী অথবা অসামৰিক বিভাগত যোগদান কৰিব পৰাকৈ সাতদিনীয়া শাৰীৰিক প্ৰশিক্ষণো প্ৰদান কৰা হৈছিল এইসকল প্ৰাক্তন উগ্ৰপন্থী কেডাৰক। বিশ্বনাথ জিলা আৰক্ষী অধীক্ষকজনে প্ৰাক্তন উগ্ৰপন্থী সংগঠনটোৰ কেডাৰসকলক এই আৰ্থিক সকাহ প্ৰদান কৰি আহ্বান জনাই কেডাৰসকলক যাতে তেওঁলোকে এই ধন সৎ কামত ব্যৱহাৰ কৰি নিজকে পুনৰ সংস্থাপন কৰিবলৈ সক্ষম হয়।

# অধ্যাপক-প্ৰাক্তন বিধায়ক বীৰেন্দ্ৰ কুমাৰ দাসক ৰাজহুৱা স্মৰণ

অগ্ৰদূত বাৰ্তা

**টিহু, ২৩ এপ্ৰিল ঃ** এসময়ৰ প্ৰজা ছ'চিয়েলিষ্ট দলৰ বিধায়ক, দীঘেলী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, কোকৰাঝাৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, টিহু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সমিতিৰ অন্যতম সম্পাদক তথা প্ৰাক্তন মন্ত্ৰী ৰেখাৰাণী দাস বড়োৰ পিতৃ বীৰেন্দ্ৰ কুমাৰ দাসৰ ২৫ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে আজি দীঘেলী আঞ্চলিক প্ৰগতি সংঘৰ উদ্যোগত ৰাজহুৱাভাৱে স্মৰণ কৰা হয়। এই উপলক্ষে আয়োজিত স্মৰণ অনুষ্ঠানত দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে দীঘেলী আঞ্চলিক প্ৰগতি সংঘৰ উপদেষ্টাদ্বয় কামেশ্বৰ বড়ো আৰু দেৰাজুদ্দিন আহমেদে। সমাজকৰ্মীজনৰ সমূহীয়া স্মৃতিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে লৱৰাম বড়ো আৰু আৰেফ আলীয়ে। অনুষ্ঠানত ভাগৱত পাঠ কৰে অভিমন্যু বড়ো পাঠকে। ইয়াৰ পাছত দীঘেলী হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক হৰেন্দ্ৰ নাথ দাসকে ধৰি বন্তি প্ৰজ্বলক, মাল্যাৰ্পক আদিয়ে চমু বক্তব্য আগবঢ়ায়।

# নমাটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ উদ্বোধনী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২৩ এপ্ৰিল ঃ** নাজিৰাৰ নমাটি উঃমাঃ বিদ্যালয়খনে সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰাত যোৱা ২২ এপ্ৰিলত বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হেমচন্দ্ৰ বৰগোহাঁইৰ সভাপতিত্বত বিদ্যালয়ৰ সোণালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি জনাই বিদ্যালয়ৰ প্ৰধান শিক্ষক বিনেদা পাটৰে। সভাত বিশিষ্ট অতিথি, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক বিজয় চন্দ্ৰ বৰা, প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰেজিমুদ্দিন আহমেদ, প্ৰাক্তন অধ্যক্ষ ৰামদেৱ গোস্বামী, বিদ্যালয়ৰ শিক্ষয়িত্ৰী আবেদা খাতুন, সুৰভি চেতিয়া, অজয় ৰায়বৰুৱা, সোনফা আলী আদিসকলে বিদ্যালয়ৰ অতীত আৰু ভৱিষ্যতৰ সৰ্বওাংগীণ উন্নতিৰ বিষয়ে বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। শেষত সভাই সৰ্বসন্মতিক্ৰমে বিদ্যালয়খন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ যাৱতীয় ব্যৱস্থা ল'বলৈ প্ৰধান শিক্ষকক দায়িত্ব অৰ্পণ কৰে। সভাত হেম চন্দ্ৰ বৰগোহাঁইক উপদেষ্টা, ৰেজিমুদ্দিন আহমেদক সভাপতি, বিজয় চন্দ্ৰ বৰাক কাৰ্যকৰী সভাপতি আৰু প্ৰধান শিক্ষক বিনেদা পাটৰক সম্পাদক হিচাপে লৈ এখন আহ্বায়ক সমিতি গঠন কৰা হয়।

# দেওমৰনৈত প্ৰকল্প জোনাকৰ আৰম্ভণি

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ২৩ এপ্ৰিল ঃ** নৱপ্ৰজন্মৰ মাজত আলোচনী পঢ়নৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰা আৰু শৈক্ষিক বিকাশত সহায়ক হোৱাৰ এক উদ্দেশ্য আগত ৰাখি 'প্ৰকল্প জোনাক' নামৰ এক অনুষ্ঠানৰ আজি আৰম্ভ কৰা হয়। মুঠ ১৫০গৰাকী শিক্ষাৰ্থীক বিনামূলীয়াকৈ অসমীয়া আলোচনী বিতৰণ কৰাৰ পদক্ষেপ লোৱাৰ লগতে নতুন প্ৰজন্মৰ বাবে এখন 'জোনাক' নামৰ আলোচনী প্ৰকাশ কৰাৰ লক্ষ্যৰে আগবঢ়া হৈছে। এই দুটা পদক্ষেপ আগত ৰাখি আজি দেওমৰনৈ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীত অধ্যয়নৰত মুঠ ২৯গৰাকী শিক্ষাৰ্থীৰ মাজত একোখনকৈ 'সাতসৰী' আলোচনী বিতৰণ কৰা হয়। এই উদ্দেশ্যে বিদ্যালয়ৰ সভাকক্ষত পূব কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ অপূৰ্ব শৰ্মাই আঁত ধৰা সভাত দেওমৰনৈ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক শৈলেন কুমাৰ ৰাজবংশী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিৰঞ্জন গোস্বামী, কণ্ঠশিল্পী হৰি হৰ্ষিত, জোনাকৰ বিষয়ববীয়া কুলদীপ ভট্টাচাৰ্য, দেৱজিৎ শৰ্মা, মৃগাংক চলিহা, ভাৰ্গৱজ্যোতি নাথ আদি কে'বাগৰাকীও লোক উপস্থিত থাকে।

# ৰঙালীৰ ৰঙেৰে কেন্দুকুছি বিহুৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৩ এপ্ৰিল ঃ** নৱযুৱক শিল্পী সংঘৰ উদ্যোগত বৃহত্তম পূব নলবাৰী ৰাইজৰ সহযোগত ৩৬ সংখ্যক কেন্দুকুছি ৰঙালী বিহু কেন্দুকুছি ৰাজহুৱা গোসাঁইঘৰৰ বাকৰিত যোৱা ২১ আৰু ২২ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। প্ৰথম দিনা বিহুৰ পতাকা উত্তোলন কৰে বিহু পৰিচালনা সমিতিৰ সভাপতি হেমচন্দ্ৰ শৰ্মাই। ছহিদ তৰ্পণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰিয়াজ উদ্দিন আহমেদে। ছহিদ বেদীত মাল্যাৰ্পণ কৰে নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মনে। খেল-ধেমালি প্ৰতিযোগিতাত পূব নলবাৰী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সন্ধিয়া মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰে যুৱ সমাজকৰ্মী, প্ৰতিষ্ঠিত ব্যৱসায়ী অভিজিৎ কলিতাই, জ্যেষ্ঠ চিকিৎসক কামেশ্বৰ লহকৰ, সাংবাদিক ব্ৰজেন তালুকদাৰ, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক পংকজ বৰ্মন, বিশিষ্ট কবি প্ৰণৱ বৰ্মন, চিকিৎসক নয়নজ্যোতি বৰ্মন, কৃতী শিক্ষক মহেশ বাৰ্মাই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মুকলি বিহুত বৰদৈচিলা বিহু হুঁচৰি, বৰ অসম শিৱসাগৰ, মঙলদৈ, ৰংমন ৰাংঢালি, ভাস্কৰজ্যোতি, মন বিৰিণা, প্ৰগতি, দহিকতৰা, জোনবাই, ৰামপুৰ, নৱসূৰুয, পৰিহৰেশ্বৰী, দাক্ষিয়নী বিহু হুঁচৰি দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত দাক্ষিয়নী বিহু হুঁচৰি দল গুৱাহাটী প্ৰথম ৰংমন ৰাংঢালী বিহু হুঁচৰী দল নলবাৰী দ্বিতীয় আৰু ভাস্কৰজ্যোতি বিহু হুঁচৰি দল হাৰিভাংগাই তৃতীয় পুৰস্কাৰ লাভ কৰে। দ্বিতীয় দিনা পুৱা খেল-ধেমালি, আবেলি অসমীয়া গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰে যুৱ-সমাজকৰ্মী মনোজ শৰ্মাই প্ৰতিযোগিতাত প্ৰায় ৭০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। নিশা ১০ বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱাই। অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম উন্নতি সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সুকুমাৰ শৰ্মা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংগ তালুকদাৰ, সমাজকৰ্মী মিণ্টু তামুলী, যুৱ প্ৰতিষ্ঠিত ব্যৱসায়ী ৰাজা জালান, নলবাৰী সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লিণ্টু বৰা টাউন দাৰোকা দ্বীপজ্যোতি শৰ্মা, উপ-পৰিদৰ্শক ৰূপজ্যোতি মালাকৰ সাংস্কৃতিক অনুষ্ঠানত ভট্টদেৱ কৃষ্টি সংঘ ব্যাসকুছি বাৰেৰহণীয়া সাংস্কৃতিক দলে অনুষ্ঠান পৰিৱেশন কৰে। তাৰ পাছত প্ৰতিকূল বতৰৰ বাবে বিশিষ্ট সংগীত শিল্পী প্ৰাঞ্জল পৰাশৰ আৰু মেঘনা ভূঞাৰ গীতৰ অনুষ্ঠান বাতিল কৰিব লগা হ'ল। ইফালে, কেন্দুকুছি ৰঙালী বিহু উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক চন্দন ডেকা আৰু হেমন্ত শৰ্মাই জনায় অহা ১৫ ব'হাগ ২৯ এপ্ৰিলত কেন্দুকুছি ৰাজহুৱা গোসাঁইঘৰৰ বাকৰিত আমন্ত্ৰিত বিশিষ্ট সংগীত শিল্পী প্ৰাঞ্জল পৰাশৰ আৰু মেঘনা ভূঞাই সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব বুলি জনাইছে।

### দেশৰ ১৯০ বিশ্ববিদ্যালয়ৰ ৪৫০০ প্ৰতিযোগীয়ে খেলিব ২০ টা ইভেণ্ট ঃ অংশ ল'ব অসমৰো খেলুৱৈ-কৰ্মকৰ্তাই

# আজিৰে পৰা খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছ

SIN DENIM

## খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছলৈ অসমৰ জুডো পৰিচালক

**গুৱাহাটী, ২৩ এপ্ৰিল ঃ** এথলেটিকছৰ পাছত খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছলৈ অসমৰ দুই জুডো পাৰিচালকো নিৰ্বাচিত হৈছে। সদৌ অসম জুডো সন্থাৰ সম্পাদক জাফৰ খাই জনোৱা অনুসৰি অহা 24 এপ্ৰিলৰ পৰা তিনি মে'লৈ বাংগালুৰুত হ'বলগীয়া দ্বিতীয় খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছৰ জুডো প্ৰতিযোগিতাৰ ইভেণ্ট পৰিচালনা কৰাৰ বাবে অসমৰ দুজন টেকনিকেল অফিচিয়েল আমন্ত্ৰিত হৈছে। অসমৰ আমন্ত্ৰিত অফিচিয়েল দুজন হ'ল, সৌন্দয্য প্ৰসাদ চলিহা আৰু ভুবন সিনহা। 27 এপ্ৰিলৰ পৰা 30 এপ্ৰিললৈ জুডো ইভেণ্টসমূহ অনুষ্ঠিত হ'ব।



**গুৱাহাটী, ২৩ এপ্ৰিল ঃ** বাংগালুৰুত কাইলৈৰ পৰা আৰম্ভ হ'ব খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছ। উল্লেখ্য যে অহা তিনি মে' লৈ হ'বলগা খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছৰ বাবে দল প্ৰেৰণ কৰিছে অসমৰ ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে । প্ৰথমবাৰৰ বাবে খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত অংশগ্ৰহণ কৰিব তিনিগৰাকী মহিলা কাৰাটেকাই । তেওঁলোক হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ জোনমণি গগৈ, চান্দনী জৈন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইমন সোনোৱাল । প্ৰশিক্ষক তথা মেনেজাৰ ৰূপে যাব ফৰকাটিং কলেজৰ সহকাৰী অধ্যাপক মনাভা বেজবৰুৱা । তদুপৰি খেল তত্বাৱধায়ক ৰূপে প্ৰথম ৰাজ্যিক কাৰাটে সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক আদৰ্শ চৌধুৰীও লগত যাব। ইফালে, বেডমিণ্টনৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে পুৰুষ দলটো ঘোষণা কৰিছে। তেওঁলোক হ'ল ঃ বিশ্ববিদ্যালয়ৰ লোকাছ বৰা , ৰাজদ্বীপ শৰ্মা , সৰ্বৰ্থ গুপ্তা , অভিনৱ গগৈ , উত্তৰ লখিমপুৰ কলেজৰ অংশুমান গগৈ আৰু দুলীয়াজন কলেজৰ দীক্ষিত গগৈ । দলৰ প্ৰশিক্ষক আৰু মেনেজাৰৰ দায়িত্বত আছে বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক প্ৰাণজিত বৰুৱা । গুৱাহাটী বিশ্ববিদ্যালয়ে পুৰুষ টেনিছ দলটোৰ নামো ঘোষণা কৰিছে । দলটোত আছে অভিষেক চাহানী , অবিনাশ বৰুৱা , বিকাশ বৈশ্য আৰু দ্বীপজ্যোতি স্বৰ্গীয়াৰী । একেদৰে ভাৰোত্তোলনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰিব শিৱসাগৰৰ ডিম্পি দত্তই । অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৰজ্যোতি গোস্বামীয়ে জুৰীৰ সদস্যৰূপে বাংগালুৰুলৈ ৰাওনা হ'ব। উল্লেখ্য যে খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছ সফলভাবে আয়োজন কৰাৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ছাইৰ সহযোগত সকলোধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে । মুঠ 20 টা বিভিন্ন ইভেণ্টত দেশৰ 190 খন বিশ্ববিদ্যালয়ৰ 4500 গৰাকী প্ৰতিযোগী সমবেত হ'ব । এই গেমছৰ মেচসমূহ দুৰদৰ্শন কেন্দ্ৰ , ছনী ছিক্স আৰু ছনী ওটিটি ৰ যোগেদি পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব । ক্ৰীড়া মন্ত্ৰালয়ে ইয়াৰ বাবে 35 কোটি টকা ধাৰ্য কৰিছিল যদিও বাজেটৰ পৰিমাণ বৃদ্ধি পোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।


এছিয়ান মল্লযুঁজত ভাৰতৰ ৰবী কুমাৰৰ সোণৰ পদক লাভ।

### উন্নত প্ৰশিক্ষণৰ বাবে ৰিলায়েন্স ফাউণ্ডেছনে স্পেইনলৈ পঠাব অসম সন্তানক

## ইউৰোপ ভ্ৰমণৰ পূৰ্বে মুখ্যমন্ত্ৰীক সাক্ষাৎ অম্লানৰ

**গুৱাহাটী, ২৩ এপ্ৰিল ঃ** আসন্ন এছিয়ান গেমছৰ লগতে চলিত বৰ্ষৰ ছিনিয়ৰ বিশ্ব এথলেটিকছ প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰা অসম সন্তান অম্লান বৰগোঁহাইয়ে যোৱানিশা সাক্ষ্যৎ কৰে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক। অম্লানৰ লগত প্ৰশিক্ষক নিপন দাসো আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অম্লানক সফলতাৰ বাবে শুভেচ্ছা জনোৱাৰ লগতে সকলো ধৰণৰ সহযোগিতাৰ কথা ব্যক্ত কৰে। আনহাতে, প্ৰশিক্ষক নিপন দাসকো হিমা-অম্লানৰ দৰে ৰাজ্যৰ পৰা আৰু নতুন প্ৰতিভা বাছনি কৰাৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ তথা এইদিশত চৰকাৰৰ সকলো সহযোগিতা আগবঢ়োৱাৰ বিষয়ে কয়। উল্লেখ্য যে কেৰালাৰ কালিকোটত অনুষ্ঠিত হোৱা ফেডাৰেছন কাপ এথলেটিকছত কৰা অনন্য প্ৰদৰ্শনৰে আসন্ন এছিয়ান গেমছৰ লগতে চলিত বৰ্ষৰ ছিনিয়ৰ বিশ্ব এথলেটিকছ প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছে অসমৰ অম্লানে। অহা জুলাইত আমেৰিকাত হ'বলগা ছিনিয়ৰ বিশ্ব এথলেটিকছ প্ৰতিযোগিতাত অসম সন্তান অম্লানে 200 মিটাৰ দৌৰত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিব। উল্লেখ্য যে অম্লানে ফেডাৰেছন কাপ এথলেটিকছত 20.52 ছেকেণ্ডত 200 মিটাৰ দৌৰ সম্পূৰ্ণ কৰি ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি সোণ লাভ কৰাৰ লগতে আসন্ন এছিয়ান গেমছলৈও যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে, চলিত বৰ্ষত হ'বলগা কমনৱেলথ গেমছলৈও অম্লানৰ দুৱাৰ প্ৰায় মুকলি হৈছে। অহা সপ্তাহত উন্নত প্ৰশিক্ষণৰ বাবে অম্লান যাব স্পেইনলৈ। ৰিলায়েন্স ফাউণ্ডেছনে উন্নত প্ৰশিক্ষণৰ বাবে অম্লানক ইউৰোপলৈ প্ৰেৰণ কৰিব। উল্লেখ্য যে অম্লানে ভূবনেশ্বৰত ৰিলায়েন্স ফাউণ্ডেছনৰ অধীনতে প্ৰশিক্ষণ লৈছে তথা তেওঁৰ উত্তৰণত ৰিলায়েন্স ফাউণ্ডেছনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।



## কলকাতা নাইট ৰাইডাৰ্ছক পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষত গুজৰাট টাইটান



**মুম্বাই, ২৩ এপ্ৰিল ঃ** গুজৰাট টাইটান দলে চলিত আই পি এলত নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি শীৰ্ষত উপনীত হৈছে। আজি হোৱা প্ৰথমখন মেচত গুজৰাট টাইটান দলে আঠ ৰাণত পৰাস্ত কৰে কলকাতা নাইট ৰাইডাৰ্ছক। পোনতে বেটিং কৰি গুজৰাট টাইটান দলে হাৰ্দিক পাণ্ডিয়াৰ 67 ৰাণৰ সহায়ত ন উইকেটত কৰে 156 ৰাণ। কে কে আৰৰ হৈ আন্দ্ৰে ৰাছেলে চাৰিটা আৰু টিম ছাউথীয়ে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছ দলে নিৰ্ধাৰিত অভাৰত আঠ উইকেটত 148 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ সৰ্বাধিক 48 ৰাণ কৰে আন্দ্ৰে ৰাছেলে। উল্লেখ্য যে চলিত আই পি এলত এতিয়ালৈকে এখন মেচত পৰাস্ত হোৱা একমাত্ৰ দলটো হ'ল হাৰ্দিক পাণ্ডিয়া নেতৃত্বনাধীন গুজৰাট টাইটান। পইণ্ট তালিকাৰ শীৰ্ষত আছে গুজৰাট টাইটান। অন্তিম মেচত গুজৰাট টাইটান দলে তিনি উইকেটত পৰাস্ত কৰিছিল চেন্নাই ছুপাৰ কিংছক। আনহাতে দলে পূৰ্বৰ মেচত 37 ৰাণত পৰাস্ত কৰে ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰা গুজৰাট টাইটান দলে চাৰি উইকেটত 192 ৰাণ কৰাৰ প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছ দলে ন উইকেটত 155 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে সাতখন মেচৰ ছখনতে জয়ী হোৱা গুজৰাট টাইটানে মাত্ৰ এখন মেচতহে পৰাজয়ৰ সন্মুখীন হৈছে। ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হোৱা খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হয় গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত 162 ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক 50 ৰাণ কৰে অধিনায়ক হাৰ্দিক পাণ্ডিয়াই। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে 19.1 অভাৰত দুই উইকেটত 168 ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। উল্লেখ্য যে চলিত আই পি এলত এয়া গুজৰাট টাইটানছৰ প্ৰথম পৰাজয় আছিল। এই ব্যৰ্থতাৰ পাছতে দলে শীৰ্ষ চাৰিৰ পৰা অৱনমিত হৈছিল যদিও পুনৰ জয়ৰ ছন্দলৈ উভতি আহি শীৰ্ষত উপনীত হৈছে।

## মাষ্টাৰ্ছ এথলেটিকছলৈ খেলুৱৈ ৰাওনা



**অগ্ৰদূতবাৰ্তা, নদুৱাৰ, ২৩ এপ্ৰিল ঃ** চেন্নাইত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে জামুগুৰিহাটৰ পৰা তিনি খেলুৱৈ ইতিমধ্যে চেন্নাইলৈ বুলি ৰাঁওনা হৈছে। ছিনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাখনিত অংশগ্ৰহণৰ বাবে ৰাঁওনা হোৱা 35 বছৰ উৰ্দ্ধৰ দুই মহিলা খেলুৱৈ ক্ৰমে মৰমী বৰুৱা,অনিমা দাস আৰু 40 বছৰ উৰ্দ্ধৰ পুৰুষ খেলুৱৈগৰাকী দাদুল ভট্ট। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত ৰাজ্যৰ বিভিন্ন স্থানৰ মুঠ 40 গৰাকীকৈ খেলুৱৈৰে অংশগ্ৰহণ কৰিব। চেন্নাইৰ জৱাহৰলাল নেহেৰু ষ্টেডিয়ামত অহা 27 এপ্ৰিলৰ পৰা এক মে' লৈকে অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত জামুগুৰিহাটৰ মহিলা খেলুৱৈ মৰমী বৰুৱাই ডিচকাছ থ্ৰ' আৰু হামাৰ থ্ৰ'ত ,অনিমা দাসে খোজকঢ়া আৰু পুৰুষ খেলুৱৈ দাদুল ভট্টই 200 আৰু 400 মিটাৰ দৌৰত অংশগ্ৰহণ কৰিব। ইতিমধ্যে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই খেলুৱৈ সকলৰ দলটিক অসম ভৱনত থকা আৰু খোৱাৰ ব্যৱস্থাও কৰি দিয়াৰ কথা অৱগত কৰিছে টিম মেনেজাৰ মহেশ বৰকাকতীয়ে। আশা কৰা হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ছিনিয়ৰ এথলেটিকচ প্ৰতিযোগিতাখনিত আটাইকেইগৰাকী খেলুৱৈৰে পদক অৰ্জন কৰি ৰাজ্যখনৰ লগতে অঞ্চলটোলৈ গৌৰৱ আনিব।


বিশ্ব আৰ্চাৰীত সোণ লাভ কৰা ভাৰতৰ পুৰুষ কম্পাউণ্ড শাখাৰ দলটো।

## অধিনায়ক-প্ৰশিক্ষকসহ দিল্লী কেপিটেলছৰ তিনিৰ মেচ ফী কৰ্তন

**মুম্বাই, ২৩ এপ্ৰিল ঃ** আই পি এলৰ যোৱানিশাৰ মেচখনত আম্পায়াৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ বাবে দিল্লী কেপিটেলছৰ অধিনায়ক ঋষভ পন্টৰ মেচ ফী কৰ্তন কৰা হৈছে। উল্লেখ্য যে মেচখনত ৰাজস্থান ৰয়েলছে বান্ধি দিয়া 223 ৰাণৰ লক্ষ্য পূৰণ কৰিবলৈ শেষৰ অভাৰত উপনীত হয় দিল্লী কেপিটেলছ । শেষৰ অভাৰত জয়ৰ বাবে প্ৰয়োজন হয় 36 ৰাণ । ৰাজস্থান ৰয়েলছৰ ৰেষ্ট ইণ্ডিজৰ অবেড মেকয়ৰ বলত দিল্লী কেপিটেলছৰ ৰেষ্ট ইণ্ডিজৰে বেটছমেন ৰভমান পাৱলে সকলোকে স্তম্ভিত কৰি প্ৰথম তিনিটা বলত তিনিটা ছিক্সাৰ মাৰে । অভাৰৰ তিনি নম্বৰ বলটো অভাৰ হাই ন' বল বুলি দাবী কৰে দিল্লী কেপিটেলছৰ বেটছমেনজনে । ইফালে দিল্লীৰ অধিনায়ক ঋষভ পন্তেও থাৰ্ড আম্পায়াৰৰ জড়িয়তে দাবী কৰা দেখা গ'ল ন' বল বুলি । আম্পায়াৰে সিদ্ধান্ত সলনি নকৰাত অধিনায়ক পন্ত উত্তেজিত হৈ খেল সামৰি বেটছমেন দুজনক খেলপথাৰ এৰি আহিবলৈ জনালে । পৰিস্থিতি উতপ্ত হৈ পৰাত আম্পায়াৰে ভিডিঅ' চাবলৈ বাধ্য হয় । শেষত সিদ্ধান্ত হ'ল, ন বল নহয় । পাছত মেচখন নিয়মিতভাৱে আগবাঢ়িল আৰু 15 ৰাণত ৰাজস্থান ৰয়েলছ জয়ী হয় । ইফালে, দিল্লী কেপিটেলছৰ অধিনায়ক ঋষভ পন্তে খেলখনত নো-বলক লৈ অসন্তুষ্টি প্ৰকাশ কৰাৰ বাবে আৰু লগতে আম্পায়াৰক সমালোচনা কৰাৰ বাবে শাস্তিৰ সন্মুখীন হয়। আই পি এলৰ আচৰণ বিধি উলংঘা কৰাৰ বাবে পন্তক তেওঁৰ খেল মাচুলৰ 100 শতাংশ জৰিমনা বিহা হৈছে । অৰ্থাৎ তেওঁলোকৰ সমগ্ৰ মেচ মাচুল কৰ্তন কৰা হৈছে । পন্তৰ উপৰি দিল্লী কেপিটেলছৰ বলাৰ শাৰ্দুল ঠাকুৰ আৰু সহকাৰী প্ৰশিক্ষক প্ৰবীণ আমৰেকো জৰিমনা বিহা হৈছে । এই বিবাদৰ সময়ত আমৰে গ্ৰাউণ্ডলৈ গৈছিল । তেওঁক এখন খেলৰ বাবে নিষিদ্ধ কৰা হৈছে । একে সময়তে, তেওঁক মেচ মাচুলৰ 100 শতাংশ জৰিমনাও বিহা হৈছে ।



## ছাব-জুনিয়ৰ টাইকোৱান-ড'ত চিৰাঙৰ খেলুৱৈৰ সফলতা লাভ

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২৩ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ বিহু খেলপথাৰত অনুষ্ঠিত প্ৰথম সপ্তাহ জন ছাব জুনিয়ৰ টাইকোৱান-ড' চেম্পিয়নশ্বিপত চিৰাং জিলা টাইকোৱান-ড' সন্থাৰ দলে মুঠ আঠটা সোনৰ পদক সহ 20টা পদক লাভ কৰে। প্ৰতিযোগিতাত আঠ বছৰ তলৰ মুঠ 34 গৰাকী লৰা আৰু ছোৱালীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে আঠগৰাকীয়ে সোণৰ পদক , পাঁচগৰাকীয়ে ৰূপক পদক আৰু সাত গৰাকীয়ে ব্ৰঞ্জ পদক লাভ কৰিবলৈ সক্ষম হয়। দলটোৰ নেতৃত্ব দিছিল চিৰাং জিলা টাইকোৱান-ড' সন্থাৰ সম্পদক ৰিংগসৰ বসুমতাৰীয়ে। চিৰাং জিলা জিলা টাইকোৱান-ড' সন্থাৰ সভাপতি অলোক বসুমতাৰীয়ে পদক লাভ কৰা সকলো খেলুৱৈক শুভেচ্ছা জনাইছে।

## ৰাষ্ট্ৰীয় ফিনছুইমিং চেম্পিয়নশ্বিপত অসমৰ সফলতা

**গুৱাহাটী, ২৩ এপ্ৰিল ঃ** ৰাজস্থানৰ যোধপুৰত অনুষ্ঠিত হোৱা পঞ্চম ৰাষ্ট্ৰীয় ফিনচুইমিং চেম্পিয়নশ্বিপত সফলতা লাভ কৰিছে অসম দলে। উল্লেখ্য যে এই প্ৰতিযোগিতালৈ অসম ফিনচুইমিং সন্থাই 12 জনীয়া দল প্ৰেৰণ কৰিছিল। অসমৰ দলটোৱে 12 টা সোণ , 15 টা ৰূপ , 11 টা ব্ৰঞ্জসহ মুঠ 38 টা পদক অৰ্জন কৰে । অসমৰ ল'ৰাৰ খেলুৱৈসকলৰ ভিতৰত খ্যাতিমন্ত গগৈয়ে তিনিটা সোণ , দুটা ৰূপ ; মেৰাজ হুছেইনে দুটা সোণ , দুটা ৰূপ , এটা ব্ৰঞ্জ ; সমীৰণ নাথে এটা সোণ , তিনিটা ব্ৰঞ্জ ; সন্তোষ নাৰ্জাৰীয়ে দুটা ৰূপ ; ফাৰ্মিনো ইমন লালুঙে দুটা ৰূপ এটা ব্ৰঞ্জ ; অহিৰণ পল বৰগোহাঁয়ে এটা ৰূপ , এটা ব্ৰঞ্জ ; কৌশিক ৰঞ্জন কলিতাই এটা ব্ৰঞ্জৰ পদক লাভ কৰে । ছোৱালী খেলুৱৈৰ ভিতৰত ডেইজি কলিতাই চাৰিটা সোণ , এটা ৰূপ ; দৰ্শিতা চহৰীয়াই দুটা সোণ, দুটা ৰূপ ; গৰিয়সী চুতীয়াই দুটা ৰূপ তিনিটা ব্ৰঞ্জ আৰু নৰিন কাশ্যপে এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে । অসম ফিনচুইমিং সন্থাৰ সম্পাদক খগেন চন্দ্ৰ কলিতাই জনোৱা অনুসৰি ৰাষ্ট্ৰীয় ফিনচুইমিং প্ৰতিযোগিতাত অসমৰ খেলুৱৈসকলে ইয়াৰ আগতেও যথেষ্ঠ সুনাম অৰ্জন কৰিছে । সুবিধা পালে অসমৰ খেলুৱৈসকলে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো পদক অৰ্জন কৰিবলৈ সক্ষম হ'ব। মাত্ৰ অসমৰ এই ফিনচুইমাৰসকলক প্ৰয়োজন উপযুক্ত সা-সুবিধাৰ । বিশেষকৈ চৰকাৰৰ লগতে বেচৰকাৰী মহলে উদ্যোগ গ্ৰহণ কৰিলে ফিনচুইমিং নামৰ সাঁতোৰৰ এই নতুন ক্ষেত্ৰখনত অসমৰ খেলুৱৈসকলে যে চমকপ্ৰদ সাফল্য লাভ কৰিব তাত কোনো সন্দেহ নাই । অসমৰ ফিনচুইমাৰসকলক উপযুক্ত প্ৰশিক্ষণ দিয়াৰ বাবে ৰাজ্যিক সন্থাই বিশেষ উদ্যোগ গ্ৰহণ কৰিব লাগিব । খেলুৱৈসকলৰ মান উন্নত কৰাৰ বাবে সকলোকে একত্ৰিত কৰি উপযুক্ত প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দিয়াব পাৰিলে ৰাজ্যিক সংস্থাটোৱে অধিক সুফল লাভ কৰিব।



## মানচেষ্টাৰ ইউনাইটেডৰ ৰাষ্ট্ৰীয় বাছনি শিবিৰলৈ শ্বিলঙৰ খেলুৱৈ

**গুৱাহাটী, ২৩ এপ্ৰিল ঃ** শ্বিলঙৰ পল' গ্ৰাউণ্ডত আজি অনুষ্ঠিত ইউনাইটেড উই প্লে ট্ৰায়েলৰ দ্বিতীয় লানি টুৰ্নামেন্টত মেঘালয়ৰ দুই চেমনীয়া ফুটবলাৰ ফেডেৰিক কুপাৰ কুপবা আৰু ডমিনট লিংখই চেন্নাইত অহা 24 এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ইয়াৰ চূড়ান্ত পয্যায়ৰ খেলৰ বাবে নিৰ্বাচিত হোৱাতো নিশ্চিত হৈছে। এপল টায়াৰছ্ আৰু মানচেষ্টাৰ ইউনাইটেডৰ যৌথ উদ্যোগত অনুষ্ঠিত এই খেলখনত উত্তৰ পুৰ্বাঞ্চলৰ পৰা নিৰ্বাচিত মেঘালয়ৰ এই দুই চেমনীয়া ফুটবলাৰে মানচেষ্টাৰ ইউনাইটেডৰ কিম্বদন্তি খেলুৱৈ ক্ৰমে পিটাৰ মেচেল, নেমাঞ্জা ভেডিক, মাইকেল চিলভাষ্ট্ৰা, লুইচ ছাহা, কুইন্টন ফৰচুন, ৰেছ ব্ৰাউন আৰু ৰনি জনছনৰ সৈতে চূড়ান্ত খেলখনত অংশগ্ৰহণ কৰিব। চূড়ান্ত পয্যায়ত জয়ী হোৱা দলটোৰ খেলুৱৈ সকলে অল্ড ট্ৰেফৰ্ড মহানগৰ ফুৰিবলৈ যোৱাৰ সুবিধা লাভ কৰাৰ উপৰি মানচেষ্টাৰ ইউনাইটেডৰ ছকাৰ স্কুল প্ৰশিক্ষক সকলৰ সৈতে প্ৰশিক্ষণ শিৱিৰত অংশগ্ৰহণ আৰু সেইসকল কিম্বদন্তি খেলুৱৈ তথা প্ৰশিক্ষকৰ সৈতে কথাবাৰ্তাৰ সুযোগ লাভ কৰিব। উল্লেখ্য যে দেশৰ ভিন্ন প্ৰান্তৰ ফুটবল প্ৰতিভা সমুহ বিচাৰি উলিওৱাৰ বাবেই এপল টায়াৰ আৰু মানচেষ্টাৰ ইউনাইটেডে দ্বৈত ভাৱে দেশৰ 19 টা স্থানত 12 টাৰো অধিক মাষ্টাৰক্লাছ, 10ৰো অধিক অনলাইন কৰ্মশালা আৰু চাৰি খনৰো অধিক খেলপথাৰ প্ৰশিক্ষণ কায্যসূচী অনুষ্ঠিত কৰিছিল। শ্বিলঙৰ পৰা নিৰ্বাচিত এই দুই খেলুৱৈ ক্ৰমে ফেডেৰিক আৰু ডমিনট লিংখইয়ে সৰুৰে পৰাই ফুটবলৰ প্ৰতি আকৃষ্ট আছিল আৰু দুয়োগৰাকীয়ে আন্তৰ্জাতিক ফুটবলাৰ মেছি আৰু নেইমাৰৰ ভক্ত আৰু দুয়োৱে অন্তিম পয্যায়ৰ খেলখনত প্ৰাণঢালি খেলিবৰ বাবে সাজু।

## সদৌ অসম মাৰাথনত ৰবীন দাস শ্ৰেষ্ঠ

**অগ্ৰদূত বাৰ্তা , মঙলদৈ, ২৩ এপ্ৰিল ঃ** চপাই যুৱ কল্যাণ কেন্দ্ৰৰ উদ্যোগত ৰঙালী বিহু উপলক্ষে আজি আউলাচৌকাৰ পৰা চপাই নেহৰু ময়দানলৈ হোৱা সদৌ অসম মাৰাথন দৌৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰে বৰপেটাৰ ৰবীন দাসে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰি ৰবীন দাসে চিন্তাৰাম বৰা আৰু কামেশ্বৰী বৰা সোঁৱৰণী বঁটা আৰু নগদ 5001 টকা লাভ কৰে। প্ৰবীণ ক্ৰীড়াবিদ সঞ্জীৱ কুমাৰ শৰ্মাই উদ্বোধন কৰা এই প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত শিলচৰৰ আশ্ৰাফুল আলমে ৰজত বৰুৱা সোঁৱৰণী ট্ৰফী আৰু নগদ 4001 টকা, তৃতীয় স্থান প্ৰাপ্ত ছয়গাঁৱৰ ছফিকুল ইছলামে গ্লক্সৰিয়াছ একাডেমী ট্ৰফী আৰু নগদ 3001 টকা, চতুৰ্থ স্থান লাভ কৰা ছিপাঝাৰৰ কন্দৰ্প শৰ্মাই বিনোদ বিহাৰী দত্ত আৰু অনু দত্ত সোঁৱৰণী ট্ৰফী আৰু নগদ 2001 টকা আৰু পঞ্চম স্থান লাভ কৰা মুদৈবড়িৰ চন্দন বড়োই ক'লাৰাম নাথ সোঁৱৰণী ট্ৰফী আৰু নগদ 1001 টকা লাভ কৰে। আনহাতে দৰঙৰ ধীৰেন শৰ্মা ষষ্ঠ, গকুল ডেকা সপ্তম, গোবিন্দ বড়ো অষ্টম, তন্ময় ডেকা নৱম আৰু দশম স্থান লাভ কৰা জিণ্টু ডেকাক বিশেষ উপহাৰ প্ৰদান কৰা হয়। খেলৰ অন্তত গণেশ দত্তই আঁত ধৰা বঁটা বিতৰণী সভাত বঁটা দাতা কীৰিতি বৰা, ঠগেশ্বৰ বৰুৱা, মিজান নুৰ ৰহমান, কাৰ্তিক দত্ত, জ্যেষ্ঠ নাগৰিক ইবিনাথ ৰাভা, অন্তিৰাম ডেকা, ভাৰত ডেকা, হাচ্ছিনুৰ হুছেইন, ৰমেশ চহৰীয়া, মহেন্দ্ৰ ডেকা আদিয়ে বঁটা বিতৰণ কৰে।







মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক স্নেহ আলিংগন প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙৰ।

# ইউক্ৰেইনত প্ৰথম বিশ্বযুদ্ধৰ অস্ত্ৰ ব্যৱহাৰ কৰিছে ৰাছিয়াই



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৩ এপ্ৰিল ঃ** দিন অতিবাহিত হোৱাৰ লগে লগে ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ বিষয়ে ন ন তথ্য পোহৰলৈ আহি আছে। এইবাৰ পোহৰলৈ আহিছে ইউক্ৰেইনৰ বিৰুদ্ধে ৰুছ সেনাই অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ সমান্তৰালকৈ প্ৰথম বিশ্বযুদ্ধৰ সময়ত ব্যৱহৃত প্ৰাণঘাতী অস্ত্ৰও প্ৰয়োগ কৰিছে। অস্ত্ৰৰূপে ক্ষেপণাস্ত্ৰৰ ভিতৰত ভৰাই ব্যৱহাৰ কৰা হৈছে সৰু সৰু 'ডাৰ্ট' (খেলত ব্যৱহৃত চুটি কাঁড়)। ইউক্ৰেইনৰ বুচা চহৰত এই ডাৰ্ট ব্যৱহাৰৰ উদাহৰণ পোৱা গৈছে।

এই ডাৰ্টবোৰ দেখাত এক ইঞ্চি গজালৰ দৰে। এটা প্ৰান্ত জোঙা আৰু আনটো প্ৰান্ত কাঁড়ৰ পাখিৰ লেখীয়া। বতাহত এইবোৰ অধিক গতিশীল হৈ পৰে। বুচাৰ বাসিন্দাসকলে তেওঁলোকৰ বাগান আৰু ৰাস্তাৰ পৰা এই ধৰণৰ প্ৰচুৰ ডাৰ্ট উদ্ধাৰ কৰিছে। ডাৰ্টবোৰ বাগানৰ গছৰ গা, ঘৰৰ বেৰ বা গাড়ীৰ গাত আবদ্ধ হৈ আছিল। বুচাৰ স্থানীয় বাসিন্দা স্বেতলেনা ছুমতে কয়, 'আপুনি যদি মোৰ ঘৰৰ ফালে চায় তেন্তে এই ধৰণৰ বস্তু বহুতো দেখা পাব।' যুদ্ধ চলি থকাৰ মাজতে তেওঁ এদিন পুৱা দেখা পালে তেওঁৰ ঘৰৰ বেৰ আৰু ঘৰৰ ভিতৰত এই ধৰণৰ ডাৰ্ট আবদ্ধ হৈ আছে।

ৰাছিয়াই এই ডাৰ্টসমূহ নিক্ষেপ কৰাৰ বাবে শংকু আকৃতিৰ এক প্ৰকাৰৰ 'ফ্ল'চেট' চেল ব্যৱহাৰ কৰিছে। যাৰ মুখৰ ফুটাৰে ডাৰ্টবোৰ অনৰ্গলভাৱে ওলাই থাকে। সেইবোৰ তিনিশ গজ পৰ্যন্ত দূৰলৈ যাব পাৰে। উল্লেখ্য যে যুদ্ধত এই ধৰণৰ অস্ত্ৰ ব্যৱহাৰৰ দীঘলীয়া ইতিহাস আছে। প্ৰথম বিশ্বযুদ্ধত মানুহ মৰাৰ বাবেই ডাৰ্ট ব্যৱহাৰ কৰাৰ উদাহৰণ আছে। ইয়াৰ উপৰি ভিয়েটনামৰ যুদ্ধৰ সময়ত আমেৰিকাই ইয়াক 'এণ্টি-পাৰ্ছনেল প্ৰজেক্টাইল'ৰূপে উল্লেখ কৰি ইয়াৰ ব্যৱহাৰ কৰিছিল। ২০১৪ত গাজাত 'ফ্ল'চেট' ব্যৱহাৰৰ অভিযোগ উঠিছিল। এটা মানৱাধিকাৰ সংস্থাৰ অভিযোগ অনুসৰি, সেই বছৰৰ ১৭ জুলাইত খান ইউনিছৰ পূবৰ খুজা গাঁৱলৈ লক্ষ্য কৰি ছটা 'ফ্ল'চেট' নিক্ষেপ কৰিছিল ইজৰাইলে। প্ৰথম বিশ্বযুদ্ধৰ সময়ত ব্যৱহৃত ডাৰ্টসমূহৰ মুখবোৰ সামান্য 'ইউ' আকৃতিৰ কৰা হৈছিল। ঠিক বৰশীৰ দৰে। ইয়াৰ ফলত শৰীৰত মাৰাত্মক ক্ষতৰ সৃষ্টি হৈছিল আৰু সেই ক্ষতৰ পৰা মৃত্যু পৰ্যন্ত হৈছিল। পৰৱৰ্তী সময়ত যুদ্ধত এই ধৰণৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ দাবী উঠে। কিয়নো এই ধৰণৰ অস্ত্ৰই চেৰা গুলিৰ দৰে লক্ষ্যৰ বাহিৰতো আন কাৰোবাক আঘাত কৰে। ২০১০ত ইজৰাইলত কেমেৰাকে অস্ত্ৰ বুলি ভাবি সংবাদ সংস্থা ৰয়টাৰ্ছৰ এজন সাংবাদিকক 'ফ্ল'চেট' নিক্ষেপ কৰি আহত কৰা হৈছিল। যদিও সেই আক্ৰমণত সাংবাদিকজনৰ লগতে সমীপৰ আন আঠজন অসামৰিক লোকো আহত হৈছিল। এই ঘটনাৰ পাছতে ইজৰাইলে 'ফ্ল'চেট' ব্যৱহাৰ বন্ধ কৰাৰ সিদ্ধান্ত লয়। অৱশ্যে তাৰ পাছতো ইজৰাইলৰ বিৰুদ্ধে ২০১৪ত এই অস্ত্ৰ ব্যৱহাৰৰ অভিযোগ উঠিছিল।

মানৱাধিকাৰ সংগঠনসমূহেও যুদ্ধত এই ধৰণৰ অস্ত্ৰ ব্যৱহাৰৰ বিৰুদ্ধে সৰব হৈ আহিছে। যদিও কোনো আন্তৰ্জাতিক সংগঠনে এই পৰ্যন্ত এই ধৰণৰ অস্ত্ৰৰ ব্যৱহাৰ নিষিদ্ধ ঘোষণা কৰা নাই। অৱশ্যে মানৱাধিকাৰ সংগঠনসমূহে এই অস্ত্ৰৰ নিৰ্বিচাৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ দাবী উত্থাপন কৰি আহিছে।

# মুকলি নহ'ল উঃ শালমাৰাৰ দুগ্ধ সংসাধন -পেকেজিং উদ্যোগ ক্ষুব্ধ গো-পালক

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৩ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ লগতে ধুবুৰী, গোৱালপাৰা জিলাৰ গো-পালকসকলৰ সহায়ক হোৱাকৈ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাত স্থাপন কৰা দুগ্ধ সংসাধন আৰু পেকেজিং উদ্যোগটো বিগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰিছিল। তাৰ পাছতো আজিকোপতি মুকলি নহ'ল উদ্যোগটো। উল্লেখ্য যে ধুবুৰী, গোৱালপাৰা জিলাৰ উপৰি কেৱল বঙাইগাঁও জিলাৰ গো-পালকসকলৰ পৰা ১০ হেজাৰ লিটাৰ গাখীৰ সংগ্ৰহ কৰি সংসাধন আৰু পেকেজিং কৰাৰ লগতে পনীৰ, ঘিঁ, ক্ৰীম আদি দুগ্ধজাত সামগ্ৰী উৎপাদনৰ লক্ষ্যৰে ডেৰ কোটি টকা ব্যয় সাপেক্ষে উদ্যোগটো স্থাপন কৰাত উৎফুল্লিত হৈ পৰিছিল হেজাৰৰো অধিক পৰিয়ালক সামৰি গঠন হোৱা বঙাইগাঁৱৰ ২৫খনৰ উপৰি গোৱালপাৰাৰ ২০খন আৰু আৰু ধুবুৰীৰ ১২খন দুগ্ধ উৎপাদক সমবায় সমিতি। এইক্ষেত্ৰত বঙাইগাঁও জিলা দুগ্ধ উৎপাদন ফেডাৰেছনৰ সভাপতি বলোৰাম দত্তই প্ৰয়োজনীয় ধন আবণ্টন নিদিয়াৰ বাবেই উদ্যোগটোৰ কাম-কাজ স্থবিৰ হৈ আছে বুলি উল্লেখ কৰি কয় যে তেতিয়াৰ মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্বাচনৰ পাছতে উদ্যোগটো দুগ্ধ উৎপাদন ফেডাৰেছনলৈ হস্তান্তৰ কৰাৰ লগতে ধন মোকলাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। সেইমতে মুখ্যমন্ত্ৰী গ্ৰাম্য আচঁনিৰ যোজনাৰ অধীনত ১০ লাখ টকা অনুমোদন দিয়ে যদিও আজিপৰ্যন্ত সেই ধন মোকলাই নিদিলে বুলি তেওঁ অভিযোগ কৰে। জিলা দুগ্ধ উৎপাদন ফেডাৰেছনৰ সভাপতি দত্তই কয়, 'উদ্যোগটো উদ্বোধন কৰাৰ পাছতে দুগ্ধ উৎপাদক সমবায় সমিতিসমূহৰ সহায়ক হোৱাকৈ অনিৰ্ধাৰিত পুঁজিৰ পৰা এক লাখ চাৰি হেজাৰ টকাকৈ মোকলাই দিবলৈ প্ৰতিখন পঞ্চায়তকে নিৰ্দেশ দিছিল। অসমত উপলব্ধ নোহোৱা গাখীৰ জোখা, পৰীক্ষা কৰা যন্ত্ৰ ক্ৰয় কৰাৰ বাবে পঞ্চায়তৰ পৰা নিৰ্দেশনাৰ প্ৰয়োজন আছিল যদিও দুই-এখন পঞ্চায়তৰ বাহিৰে আন পঞ্চায়তৰ সচিবে গুৰুত্বই নিদিলে। তদুপৰি অসম ৰাজ্যিক দুগ্ধ উৎপাদন ফেডাৰেছনৰ লগত স্থানীয় গো-পালকক প্ৰাধান্য দিয়াৰ বাবে চুক্তি কৰিব বুলি কোৱা মন্ত্ৰী অতুল বৰাই গো-পালকৰ মূৰত ৰামটাঙোন শোধাই গুজৰাটৰ 'আমূল' নামৰ প্ৰতিষ্ঠানৰ স'তে পাঁচ বছৰৰ বাবে বুজাবুজিৰ চুক্তিহে কৰিলে। তাৰ পাছতো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ উৎপাদিত গাখীৰ পূৰৱী ব্ৰেণ্ড নামেৰে বিক্ৰী কৰা হ'ব বুলি ঘোষণা কৰিছিল যদিও সেয়াও নহ'ল। মন্ত্ৰী অতুল বৰাই গুৱাহাটীত দুবাৰকৈ দুগ্ধ উৎপাদক সমবায় সমিতিসমূহৰ স'তে হোৱা বৈঠকত অতি শীঘ্ৰে উদ্যোগটো কাৰ্যক্ষম কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পাছতো আজিকোপতি নহ'ল।' ইপিনে, উদ্বোধন কৰাৰ পাছতে চাৰিজনকৈ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী উদ্যোগটোত নিয়োগ কৰে যদিও এতিয়া হামিয়াই-হিকটিয়াই দিন পাৰ কৰিছে কৰ্মচাৰীকেইজনে। এইক্ষেত্ৰত স্থানীয় গো-পালকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অতি শীঘ্ৰে উদ্যোগটো কাৰ্যক্ষম কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে গো-পালকসকলে।

# লালুক আৰক্ষীয়ে নিশা ৰাজপথত জব্দ কৰিলে দুখনকৈ গৰুভৰ্তি ট্ৰাক

## পাঁচজন গৰু ব্যৱসায়ীক গ্ৰেপ্তাৰ ঃ ৪৯টা গোধন উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**
**লালুক, ২৩ এপ্ৰিল ঃ** গৰুৰ চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে সাফল্য অৰ্জন কৰিলে লখিমপুৰ জিলাৰ লালুক আৰক্ষীয়ে। যোৱা নিশা লালুক আৰক্ষীয়ে অভিযান চলাই দুখনকৈ গৰুভৰ্তি বৃহৎ ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত ট্ৰাক দুখনৰ পৰা আৰক্ষীয়ে মুঠ ৪৯টা গৰু উদ্ধাৰ কৰাৰ লগতে পাঁচজন চোৰাং সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে জনোৱা মতে, চক্ৰ পৰিদৰ্শক মানৱেন্দ্ৰ দাস আৰু লালুক আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নয়নজ্যোতি ডেকাৰ নেতৃত্বত আৰক্ষী আৰু চিআৰপিএফ জোৱানৰ এটা দলে যোৱা নিশা লালুকৰ ৰাজপথত অভিযান চলায়। এই অভিযানত আৰক্ষীয়ে নিশা প্ৰায় ১১-৩০ বজাত লালুক হাস্পতাল চাৰিআলিত দুখন গৰুভৰ্তি ট্ৰাক জব্দ কৰে। আৰক্ষীয়ে এএছ-১৭ বি-২৫৬৪ আৰু এএছ-০৯ এচি-৫৭১৮ নম্বৰৰ ট্ৰাক দুখনৰ পৰা মুঠ ৪৯টা গোধন উদ্ধাৰ হয়। আৰক্ষীয়ে গোধন সৰবৰাহত জড়িত সূৰুয আলী (২৫), আশ্বাদুল ইছলাম (২৫), চৰিফুল ইছলাম (২২), ৰফিকুল ইছলাম (২৮) আৰু বাবৰ আলী (১৯)ক গ্ৰেপ্তাৰ কৰে। ইয়াৰে সূৰুয নগাঁও জিলাৰ জুৰিয়া আৰক্ষী থানাৰ অন্তৰ্গত কেন্দুগুৰি গাঁৱৰ শুকুৰ আলীৰ পুত্ৰ, আশ্বাদুল নগাঁও জিলাৰ ৰূপহীৰ ছফিকুল ইছলামৰ পুত্ৰ, চৰিফুল নগাঁও জিলাৰ ৰূপহীৰ ৰয়ছুদ্দিনৰ পুত্ৰ, ৰফিকুল বাগ্‌সা জিলাৰ গোৰৰ্ধন আৰক্ষী থানাৰ অন্তৰ্গত হেলেনাৰপাম গাঁৱৰ বছিৰ উদ্দিনৰ পুত্ৰ আৰু বাবৰ গোৰৰ্ধন আৰক্ষী থানাৰ অন্তৰ্গত নৰচিংবাৰী গাঁৱৰ চন্দৰ আলীৰ পুত্ৰ। লালুক আৰক্ষীয়ে জানিবলৈ দিয়া মতে, এই বৃহৎসংখ্যক গৰু সৰবৰাহকাৰীয়ে চিলাপথাৰৰ পৰা নগাঁও, গুৱাহাটী আদি ঠাইত ব্যৱসায় কৰিবলৈ নি আছিল। সম্প্ৰতি লালুক আৰক্ষী থানাৰ চৌহদত লালুক আৰক্ষীয়ে গোধন সমূহ ৰাখি আহাৰ-পানী যোগান ধৰি আছে। আনহাতে, গৰুৰ চোৰাং সৰহবৰাহকাৰী কেইজনক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। গৰুৰ সৰহবৰাহকাৰী কেইজনে কিদৰে সুদীৰ্ঘ পথছোৱা আৰক্ষীৰ নিছিদ্ৰ তালাচী ভেদ কৰি এইদৰে বৃহৎ সংখ্যক গৰু ৰাজপথেৰে নিশা সৰবৰাহ কৰিছিল বুলি সম্প্ৰতি বিভিন্নজনে প্ৰশ্ন উত্থাপন কৰিছে।

# অৱশেষত হাৰ মানিলে সৰ্বাধিক দিন আক্ৰান্ত ক'ভিড ৰোগীয়ে

## ৫০৫ দিনত কৰ'নাৰ ১০টা ৰূপান্তৰৰ দ্বাৰা সংক্ৰমিত হৈছিল

**■ নিউজ ব্যুৰ'**
**লণ্ডন, ২৩ এপ্ৰিল ঃ** প্ৰায় ১৮ মাহ ধৰি ক'ভিড-১৯ত আক্ৰান্ত হৈ আছিল। মুঠ ৫০৫ দিন চিকিৎসাধীন হৈ থাকিও অৱশেষত কৰ'না ভাইৰাছৰ বিৰুদ্ধে সংগ্ৰামত পৰাজয় বৰণ কৰিলে ব্ৰিটেইনৰ সেই ক'ভিড ৰোগীজনে। দুদিনৰ পূৰ্বে লণ্ডনৰ এখন হাস্পতালত ৰোগীজনৰ মৃত্যু হয়। অতিমাৰীৰ সূচনাৰ পৰা এই পৰ্যন্ত ইমান দীৰ্ঘ সময় ধৰি কৰ'নাত সংক্ৰমিত হৈ থকাৰ নজিৰ আন কোনো ৰোগীৰে নাই।



সৰ্বাধিক দিন আক্ৰান্ত হৈ থকাৰ পাছত মৃত্যু হোৱা এই ৰোগীৰ নাম-ঠিকনা আদি কোনো ধৰণৰ তথ্যই চিকিৎসাল কৰ্তৃপক্ষই সদৰী কৰা নাই। আনকি তেওঁৰ বয়স বা প্ৰতিষেধক গ্ৰহণৰ ইতিহাস সম্পৰ্কেও কোনো তথ্য সদৰী হোৱা নাই। অৱশ্যে চিকিৎসকে জনাইছে যে তেওঁৰ ৰোগ প্ৰতিৰোধ ক্ষমতা প্ৰৱলভাৱে ক্ষতিগ্ৰস্ত হৈ পৰিছিল। ৰোগীজনৰ সম্পৰ্কে প্ৰাপ্ত সবাতোকৈ গুৰুত্বপূৰ্ণ তথ্যটো হৈছে তেওঁ কৰ'না ভাইৰাছৰ আলফা, গামা, অ'মিক্ৰনসহ ১০টা ৰূপান্তৰৰ চিকাৰ হৈছিল। মৃত ৰোগীজনৰ সংক্ৰমণৰ দীঘলীয়া ইতিহাস সম্প্ৰতি গৱেষণাৰ বিষয়বস্তু হৈ পৰা বুলি চিকিৎসকে জনাইছে।

# গোৱালপাৰাত ছাত্ৰীৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা,
মাটিয়া ২৩ এপ্ৰিল-ঃ গোৱালপাৰা চহৰৰ ভালুকডুবীৰ আৰোৱা একাডেমীৰ এগৰাকী ছাত্ৰীয়ে আত্মহত্যা কৰাকলৈ ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে আৰোৱা একাডেমীৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰী নুৰ নাহাৰে শিক্ষা প্ৰতিষ্ঠানটোৰ গাতে লাগি থকা ছাত্ৰীনিৱাসত আজি সন্ধিয়া নিজৰ উৰানাৰে চিপ লৈ আত্মহত্যা কৰে। ছাত্ৰীগৰাকীৰ ঘৰ জলেশ্বৰ সমষ্টিৰ তাৰঙ্গাপুৰৰ সৰ্দাৰভিটাত বুলি জানিব পৰা গৈছে। কিন্তু এই বাতৰি যুগুতোৱা লৈকে ছাত্ৰী গৰাকীৰ আত্মহত্যাৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই। আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হৈ ছাত্ৰী গৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসা লয়লৈ প্ৰেৰণ কৰা হয়।প্ৰেৰক, ইব্ৰাহিম আলী মাটিয়া ।




# সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ৰ সোণালী জয়ন্তীত সাংস্কৃতিক শোভাযাত্ৰা

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**পাঠশালা/সৰুপেটা, ২৩ এপ্ৰিল ঃ** 'আমি সৰ্বস্তৰৰ ৰাইজে আগুৱাই যাব লগিলে এখন শৈক্ষিক সমাজ প্ৰতিষ্ঠা হ'ব লাগিব। সমান্তৰালভাৱে সংস্কৃতিৰে ঐক্যবদ্ধ হ'ব লগিব আমাৰ সমাজত বসবাস কৰা সকলো জনগোষ্ঠী। আমাৰ সমাজখন শৈক্ষিক আৰু সাংস্কৃতিক সমাজৰূপে গঢ়ি তুলি সৰ্বস্তৰৰ ৰাইজ আগুৱাই যাব লাগিব।' ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে আজি সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ত চলি থকা সোণালী জয়ন্তী উৎসৱত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি এইদৰে কয়। বিধায়ক তালুকদাৰে অসমৰ

## শৈক্ষিক, সাংস্কৃতিক সমাজ গঢ়ি তুলি সৰ্বস্তৰৰ ৰাইজ আগুৱাই যাব লাগিব ঃ তালুকদাৰ

শৈক্ষিক, সাংস্কৃতিক ক্ষেত্ৰখন আগুৱাই নিয়াৰ বাবে চৰকাৰখনে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে বুলিও কয়। উল্লেখ্য যে আজি পুৱা ১১ বজাৰ পৰা সৰুপেটাত উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাত অসমীয়া, বড়ো জনগোষ্ঠীয় লোকসংস্কৃতি প্ৰদৰ্শিত হয়। বিয়লি ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সন্মিলন আৰু সন্ধিয়াৰ পৰা স্থানীয় শিল্পীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। কালিৰে পৰা তিনিদিনীয়াকৈ উদ্‌যাপিত সোণালী জয়ন্তী উৎসৱত কালি গ্ৰন্থ উন্মোচন, আলোচনাচক্ৰ, ন-পুৰণি অধ্যক্ষ, শিক্ষক-কৰ্মচাৰীৰ প্ৰীতি সন্মিলন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, ছহিদ তৰ্পণ, বন্তি প্ৰজ্বলন আদি বিভিন্ন কাৰ্যসূচী ৰূপায়িত হয়। কাইলৈ দিনৰ ভাগত মুকলি সভা, নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

# সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত কেন্দ্ৰীয় বিষুৱা উৎসৱ উদ্‌যাপন ঃ সাতজনক বিশেষ বঁটা



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৩ এপ্ৰিল ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত লখিমপুৰ জিলা কোচ ৰাজবংশী সন্মিলনী, লখিমপুৰ জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা লখিমপুৰ জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ সহযোগত উজনি অসমত প্ৰথমবাৰ কেন্দ্ৰীয় বিষুৱা উৎসৱ আজি লখিমপুৰ ত্যাগ ক্ষেত্ৰত উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি বিষুৱা উদ্‌যাপন স্থানৰ দুৱাৰ মুকলি কৰাৰ পাছতে ঘাহমৰা সৰু সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী বিষ্ণু গোস্বামীৰ দ্বাৰা বিষুৱা পূজা কৰা হয়। উক্ত অনুষ্ঠানত মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে লখিমপুৰ জিলা কোচ ৰাজবংশী সন্মিলনীৰ উপ-সভাপতি প্ৰবীণ শইকীয়াই। তদুপৰি কমতাৰত্ন অম্বিকাচৰণ চৌধুৰী, ছহিদ নিৰ্মল কুমাৰ ৰায়, জননেতা শৰৎ সিংহ, জাতি নেতা পূৰ্ণ নাৰায়ণ সিংহৰ প্ৰতিকৃতিত আৰু ত্যাগ ক্ষেত্ৰত অৱস্থিত চাওলুং ছুকাফা, কমলা মিৰিৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানটোত দুপৰীয়াৰ খোলা সভা উদ্বোধন কৰে কোকৰাঝাৰৰ শিল্পী প্ৰীতম কোচে। লখিমপুৰ কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক বিষ্ণু প্ৰসাদ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি আক্ৰাছুৰ মুখ্য উপদেষ্টা ড° প্ৰণৱজ্যোতি ৰাজবংশীয়ে কয়, 'কোচ ৰাজবংশীৰ জাতি সত্তা, জাতিৰ স্বাভিমান আৰু ঐতিহ্য ঘূৰাই অনাৰ বাবে যি আন্দোলন পুনৰ আজি এই অনুষ্ঠানৰ পৰাই আৰম্ভ হওক। উল্লেখ্য যে অনুষ্ঠানটোত লখিমপুৰ জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ জন্ম দিনৰে পৰা বিভিন্ন দিশত সহায়-দিহা পৰামৰ্শ দিয়া সাতজনক বিশ্ব মহাবীৰ চিলাৰায় বঁটা তৰুণ দত্তলৈ, কমতা ৰত্ন গিৰিশ বৰা, সাহিত্য ৰত্ন সূৰ্য চুনাত বৰালৈ আগবঢ়োৱা হয়। তদুপৰি শৰৎ সিংহ বঁটা যুটীয়াভাৱে কমল শইকীয়া, অৰুণ বৰা, জাতিৰ নেতা বঁটা বিশ্বেশ্বৰ বৰা, বিষ্ণু প্ৰসাদ দত্তলৈ বঁটা প্ৰদান কৰা হয়। তদুপৰি ২০জন আঞ্চলিক ছাত্ৰ সন্থাৰ নেতাক আদৰণি জনায়। অনুষ্ঠানত কোচ ৰাজবংশীৰ পৰম্পৰাগত পোছাক 'পাতাদী' পৰিধানেৰে মহিলাসকলৰ মাজত জাতিৰ চিনাকি পৰ্ব, নৃত্য পৰিৱেশন কৰা হয়। কণ কণ শিশুৰ মাজত বীৰ চিলাৰায়ৰ প্ৰতিচ্ছবি অংকনেৰে চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com